www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361



অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আমি একে সময়ৰ চিন্তাৰ মাপ-কাঠিৰে আজিৰ সমস্যা সমাধান কৰিব নোৱাৰো যি সময়ৰ চিন্তাৰ স্তৰে সমস্যা এটাৰ সৃষ্টি কৰিছিল। — এলবাৰ্ট আইনষ্টাইন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -



প্ৰথম বছৰ | সংখ্যা- ১৭১ | শুকুৰবাৰ | ১৭ এপ্ৰিল, ২০২৬ চন | Volume/Year- I | Issue- 171 | Friday | 17th April, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page- 8


■ ২৫১ গৰাকী সাংসদৰ সপক্ষে আৰু ১৮৫ গৰাকী সাংসদৰ বিপক্ষে ভোট ■

# লোকসভাত গৃহীত হ'ল তিনি বিধেয়ক

- মহিলা সংৰক্ষণৰ বাবে ১৩১তম সংবিধান সংশোধনী বিধায়ক, কেন্দ্ৰশাসিত অঞ্চল আইন সংশোধনী
- বিধেয়ক আৰু লোকসভাৰ সাংসদৰ সংখ্যা ৮৫০লৈ বৃদ্ধি কৰাৰ উদ্দেশ্যে আসন পুনৰ্বিন্যাস বিধেয়ক



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ এপ্ৰিল ঃ** বৃহস্পতিবাৰে লোকসভাত উত্থাপন কৰা হয় তিনিখন বিধেয়ক। এই বিধেয়ক কেইখন হৈছে ক্ৰমে- মহিলা সংৰক্ষণৰ বাবে ১৩১তম সংবিধান সংশোধনী বিধায়ক, কেন্দ্ৰশাসিত অঞ্চল আইন সংশোধনী বিধেয়ক আৰু লোকসভাৰ সাংসদৰ সংখ্যা ৮৫০লৈ বৃদ্ধি কৰাৰ উদ্দেশ্যে আসন পুনৰ্বিন্যাস বিধেয়ক। লোকসভাত এই বিধেয়ক কেইখন দাখিল কৰাৰ পূৰ্বে এই বিষয়ে ভোটগ্ৰহণ অনুষ্ঠিত হয়। এই ভোটগ্ৰহণত ২৫১গৰাকী সাংসদে সপক্ষে আৰু ১৮৫গৰাকী সাংসদে দিয়ে বিপক্ষে মত। ইয়াৰ পাছতে তিনিওখন বিধেয়ক লোকসভাত উত্থাপন কৰা হয়। প্ৰথমে সংসদত ধ্বনি ভোট ব্যৱহাৰ কৰা হয় ❑ ৬ পৃষ্ঠাত

## মণিপুৰত কেন্দ্ৰীয় নিৰাপত্তা বাহিনীৰ ভূমিকা লৈ নতুনকৈ তীব্ৰ চৰ্চা

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ এপ্ৰিল ঃ** মণিপুৰৰ সংঘাতপূৰ্ণ পাহাৰীয়া অঞ্চলসমূহত কেন্দ্ৰীয় নিৰাপত্তা বাহিনীৰ ভূমিকাক লৈ দুয়োটা প্ৰভাৱশালী সামাজিক সংগঠনে বিপৰীতমুখী অভিযোগ আৰু দাবী উত্থাপন কৰাত ৰাজ্যখনত নতুনকৈ বিতৰ্কৰ সৃষ্টি হৈছে। শান্তি পুনৰুদ্ধাৰৰ প্ৰচেষ্টা চলি থকাৰ ❑ ৬ পৃষ্ঠাত



## বাবৰি মছজিদ নিৰ্মাণৰ কথা অসমত ক'ব নোৱাৰে, কেৱল পশ্চিমবংগতহে সম্ভৱ ঃ হিমন্ত বিশ্ব শৰ্মা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৭ এপ্ৰিল ঃ** অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীক তীব্ৰ সমালোচনা কৰি কৈছে যে বাবৰি মছজিদ নিৰ্মাণৰ দৰে সাম্প্ৰদায়িক উত্তেজনা সৃষ্টি কৰা কথা অসম বা উত্তৰ প্ৰদেশত ক'ব নোৱাৰে, কেৱল মমতা বেনাৰ্জীৰ ৰাজ্য পশ্চিমবংগতহে ❑ ৬ পৃষ্ঠাত

## উন্নত ভাৰতৰ অৰ্থ কেৱল আন্তঃগাঁথনি নহয়, নীতি নিৰ্ধাৰণত মহিলাৰ অংশগ্ৰহণ অপৰিহাৰ্য; লোকসভাৰ ভাষণত প্ৰধানমন্ত্ৰী

# মহিলা বিধেয়কৰ বিৰোধিতা কৰাসকলক মহিলাসকলেই প্ৰত্যুত্তৰ দিছে ঃ প্ৰধানমন্ত্ৰী



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৭ এপ্ৰিল ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বৃহস্পতিবাৰে লোকসভাত ভাষণ দি কয় যে মহিলা সংৰক্ষণ বিধেয়কৰ বিৰোধিতা কৰাসকলক দেশৰ মহিলাসকলে নিজেই প্ৰত্যুত্তৰ দিছে। তেওঁ লগতে কয় যে ২০২৪ চনৰ লোকসভা নিৰ্বাচনত যদি সকলো একত্ৰিত নহ'লহেঁতেন, তেন্তে এই পৰিস্থিতি সৃষ্টি নহ'লহেঁতেন। লোকসভাত ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "এই গুৰুত্বপূৰ্ণ ❑ ৬ পৃষ্ঠাত

❑ সমাজবাদী পাৰ্টীৰ সাংসদ ধৰ্মেন্দ্ৰ যাদৱৰ মন্তব্যৰ প্ৰত্যুত্তৰ ❑

## ধৰ্মৰ ভিত্তিত মুছলমানক সংৰক্ষণ প্ৰদান কৰাটো অসাংবিধানিক ঃ গৃহমন্ত্ৰী অমিত শ্বাহ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৭ এপ্ৰিল ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বৃহস্পতিবাৰে সংসদত স্পষ্ট কৰি দিয়ে যে ভাৰতীয় সংবিধানত ধৰ্মৰ ভিত্তিত কোনোধৰণৰ সংৰক্ষণৰ অনুমতি নাই। তেওঁ কয় যে দেশত মুছলমান মহিলাৰ বাবে কোনো সুকীয়া সংৰক্ষণৰ ব্যৱস্থা নাথাকে। সংসদৰ বিশেষ অধিৱেশনৰ ❑ ৬ পৃষ্ঠাত



"ধৰ্মেন্দ্ৰ যাদৱে অসাংবিধানিক বক্তব্য দিছে। আমাৰ সংবিধানত ধৰ্মৰ ভিত্তিত সংৰক্ষণৰ অনুমতি নাই। ধৰ্মৰ ভিত্তিত মুছলমানক সংৰক্ষণ প্ৰদান কৰাটো অসাংবিধানিক, আৰু ইয়াকে লৈ প্ৰশ্নও নুঠে।"

## মধ্যপ্ৰাচ্যৰ উত্তেজনা নিয়ন্ত্ৰণ কৰিবলৈ মোদী-মেক্ৰনৰ টেলিফোনিক আলোচনা

**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ১৭ এপ্ৰিল ঃ** মধ্যপ্ৰাচ্যৰ ক্ৰমবৰ্ধমান উত্তেজনা এতিয়া চিন্তাজনক পৰ্যায়ত উপনীত হৈছে। এই পটভূমিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমেনুৱেল মেক্ৰনৰ সৈতে এক গুৰুত্বপূৰ্ণ টেলিফোনিক বাৰ্তালাপ কৰে। দুই ❑ ৬ পৃষ্ঠাত

■ মহিলা সংৰক্ষণক লৈ হেতালি নেখেলিব; লোকসভাত তীব্ৰ আক্ৰমণ ■

## এই বিধেয়কখন মহিলা সংৰক্ষণৰ বাবে নহয়, সমষ্টি পুনৰ নিৰ্ধাৰণৰ বাবেহে ঃ গৌৰৱ গগৈ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ এপ্ৰিল ঃ** সংসদত মহিলাৰ বাবে আসন সংৰক্ষণৰ আঁৰত কেন্দ্ৰই সমষ্টি পুনৰ নিৰ্ধাৰণ (Delimitation) প্ৰক্ৰিয়া সম্পন্ন কৰাৰ পৰিকল্পনা কৰিছে বুলি অভিযোগ কৰিছে কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে। বৃহস্পতিবাৰে লোকসভাত ভাষণ দি তেওঁ কয় যে মহিলা সংৰক্ষণক সমষ্টি পুনৰ নিৰ্ধাৰণৰ সৈতে জড়িত কৰা উচিত নহয় আৰু লোকসভাৰ বৰ্তমানৰ শক্তিৰ ❑ ৬ পৃষ্ঠাত



চাইকেল চলাই সংসদলৈ আহিল তেৰজ গোৱালা

## ৰাজ্যসভাৰ সাংসদ হিচাপে শপত গ্ৰহণ তেৰছ গোৱালা, যোগেন মহন, প্ৰমোদ বড়োৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৭ এপ্ৰিল ঃ** অসমৰ ৰাজনীতিৰ পৰা কেন্দ্ৰীয় ৰাজনীতিলৈ স্থানান্তৰিত হ'ল তিনিজন প্ৰখ্যাত নেতা। বিজেপিৰ তেৰছ গোৱালা, যোগেন মহন আৰু ইউপিপিএলৰ সভাপতি প্ৰমোদ বড়োৱে বৃহস্পতিবাৰে ৰাজ্যসভাৰ সাংসদ হিচাপে শপত গ্ৰহণ কৰিলে। সংসদৰ বিশেষ অধিৱেশনৰ প্ৰথম দিনাই ৰাজ্যসভাৰ অধ্যক্ষ ❑ ৬ পৃষ্ঠাত



সামাজিক মাধ্যমত ঘোষণা শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ

## আজি ঘোষণা নহয় উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ফলাফল

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৭ এপ্ৰিল ঃ** উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ফলাফল শুকুৰবাৰে ঘোষণা কৰা নহ'ব বুলি স্পষ্ট কৰিছে ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। বিগত কিছুদিন ধৰি সামাজিক মাধ্যমত ফলাফল ঘোষণাৰ তাৰিখ লৈ চলা চৰ্চাৰ মাজতে শিক্ষামন্ত্ৰীয়ে ❑ ৬ পৃষ্ঠাত


মাজুলী-যোৰহাট জলপথত অঘটন

## ফেৰীৰ পৰা ব্ৰহ্মপুত্ৰত পৰি সন্ধানহীন এজন লোক

**অসম বাৰ্তা, মাজুলী, ১৭ এপ্ৰিল ঃ** ব'হাগ বিহুৰ ৰং-ৰহইছৰ মাজতে মাজুলী-যোৰহাট সংযোগী কমলাবাৰী নিমাতী জলপথত আজি পুৱাই সংঘটিত হ'ল এক অনাকাংখীত ঘটনা। কালিকা লগা মাজুলী-যোৰহাট সংযোগী পাৰঘাটত বছৰ বছৰ ধৰি একেবাৰে ❑ ৬ পৃষ্ঠাত

## হাৰ্দিক পাণ্ডিয়াই উত্থাপন কৰিলে কঠিন প্ৰশ্ন

## আইপিএল ২০২৬ত মুম্বাই ইণ্ডিয়ানছৰ একেৰাহে চতুৰ্থটো পৰাজয়



**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৭ এপ্ৰিল ঃ** ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ (আই পি এল) ২০২৬ত মুম্বাই ইণ্ডিয়ানছৰ (এম আই) দুৰ্বল প্ৰদৰ্শন অব্যাহত আছে। বৃহস্পতিবাৰে অনুষ্ঠিত হোৱা মেচত পঞ্জাব কিংছ (পিবিকেএছ)য়ে মুম্বাইক ৭ উইকেটত পৰাস্ত কৰি ❑ ৬ পৃষ্ঠাত

❑ মৃত্যুৰ তদন্তত নতুন চাৰ্জশ্বীট দাখিলৰ প্ৰতিশ্ৰুতি ❑

## এই চৰকাৰখনে জুবিন দাক কেৱল অৱহেলা কৰিছে ঃ অখিল গগৈ



**ষ্টাফ ৰিপ'ৰ্টাৰ, সোণাপুৰ, ১৭ এপ্ৰিল ঃ** অসমীয়া সংস্কৃতিৰ প্ৰাণপুৰুষ আৰু জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ স্মৃতিসৌধ 'জুবিন ক্ষেত্ৰ'ত বৃহস্পতিবাৰে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলে ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈয়ে। জুবিন ক্ষেত্ৰত উপস্থিত হৈ তেওঁ প্ৰাণৰ শিল্পীগৰাকীলৈ ফুলাম গামোচা প্ৰদান কৰি সন্মান জনায় আৰু তেওঁৰ সমাধিত পুষ্পাৰ্ঘ্য অৰ্পণ কৰে। সংবাদ মাধ্যমৰ ❑ ৬ পৃষ্ঠাত

## শ্ৰীশ্ৰী দীৰ্ঘেশ্বৰী দেৱালয়ৰ মূল পুৰোহিত যোগেশ্বৰ শৰ্মাৰ আকস্মিক মৃত্যুত তিনিদিনৰ বাবে বন্ধ থাকিব মন্দিৰৰ মূল দ্বাৰ

**উত্তৰ গুৱাহাটী, অসম বাৰ্তা, ১৭ এপ্ৰিল ঃ** উত্তৰ গুৱাহাটীৰ প্ৰসিদ্ধ শ্ৰীশ্ৰী দীৰ্ঘেশ্বৰী দেৱালয়ৰ মূল পুৰোহিত যোগেশ্বৰ শৰ্মাৰ আকস্মিক মৃত্যুত সমগ্ৰ অঞ্চলত শোকৰ ছাঁ পৰিছে। বৃহস্পতিবাৰে নিশা শুই থকা অৱস্থাত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ ❑ ৬ পৃষ্ঠাত

অসমলৈ আহক, ভাল মুৰ্গী-ছাগলী মাংস খুৱাম; গো-মাংস বন্ধৰ ভয়ত মমতা দিদিয়ে কিয় ভয় খাইছে?

## পশ্চিমবংগত নিৰ্বাচনী ৰণডংকা বজাইছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৭ এপ্ৰিল ঃ** পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰত অংশগ্ৰহণ কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ব্যস্ত হৈ পৰিছে। বৃহস্পতিবাৰে কোচবিহাৰত এক নিৰ্বাচনী সভাত ভাষণ দি তেওঁ পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীক তীব্ৰ কটাক্ষ কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সভাত কয়, "মমতা বেনাৰ্জী অসমলৈ আহক, বহুত ভাল মুৰ্গী-ছাগলী মাংস খুৱাম।" ❑ ৬ পৃষ্ঠাত




# অসমীয়া নৱবৰ্ষৰ পহিলা দিনটোতে আশীষ বিচাৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে বৰপেটা সত্ৰতো ভক্তৰ ভিৰ

**অসম বাৰ্তা, বৰপেটা সদৰ, ১৬ এপ্ৰিল ঃ** আজি অসমীয়াৰ বাপতিসাহোন ব'হাগ বিহু দ্বিতীয় দিন অৰ্থাৎ মানুহ বিহু। অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গ বিহীন প্ৰথমটো বহাগ। নাহৰৰ দেশত শূন্য বহাগ। তথাপিও পৰম্পৰা ৰক্ষা কৰি পালন কৰা হ'ল পহিলা বহাগৰ দিনটোত মানুহ বিহু। মনত অযুত বিশ্বাস আৰু প্ৰত্যয়ৰ বতৰা লৈ ব'হাগ বিহুৰ দ্বিতীয় দিনা মানুহ বিহু উপলক্ষ্যে কলীয়া বাবাৰ শ্ৰী চৰণত আশীৰ্বাদ লবলৈ ভিৰ কৰে হাজাৰ হাজাৰ লোক। সত্ৰৰ পৰম্পৰা অনুসৰি অসমীয়া নৱবৰ্ষৰ পহিলা বহাগৰ দিনটোত বৰপেটা সত্ৰত বৰ্ষফল গণনা কৰা হয়। বৰ্ষফল গণনা কৰে বৰপেটা সত্ৰৰ দৈৱজ্ঞ ত্ৰিদিপ শৰ্মাদলৈয়ে। প্ৰথমতে সত্ৰৰ গুৰু আসনৰ পিছফালে গণনাৰ পিচত মঠৰ চোতালত ৰাজহুৱাভাৱে বিহু গণনা কৰে সত্ৰৰ দৈৱজ্ঞই। বৰ্ষফল গণনা কৰি দ্বিতীয় বাৰৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা হ'ব বুলিও উল্লেখ কৰে। এই বৰ্ষৰ ৭ নৱেম্বৰলৈ অতি শুভ দশা চলি আছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বুলিও দৈৱজ্ঞই কয়। পূৰ্ব পৰম্পৰা অনুসাৰে আজি পহিলা ব'হাগৰ দিনা ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত বৰ্ষফল গণনা কৰি সত্ৰৰ দৈৱজ্ঞ ত্ৰিদিপ দেৱশৰ্মা দলৈয়ে এই ভৱিষ্যতবাণী কৰে। দৈৱজ্ঞ শৰ্মা দলৈয়ে বৰ্ষফল গণনাত সদৰি কৰা মতে ৮০ ৰ পৰা ৯০খন আসন লাভ কৰিব এনডিএ মিত্ৰযোঁটে। ইপিনে নৱেম্বৰৰ পৰা প্ৰায় ১৮ মাহ মুখ্যমন্ত্ৰীৰ বাবে অশুভকাৰক বুলিও জনায়। মুখ্যমন্ত্ৰীৰ বাবে শত্ৰুবৃদ্ধি, মানহানি আদি হ'ব পাৰে সেয়ে মুখ্যমন্ত্ৰী সাৱধানে থকাটো মংগলজনক বুলিও সদৰি কৰে। নথিপত্ৰ, সামগ্ৰী চুৰিৰ যোগ আছে বুলিও তেওঁ বৰ্ষ গণনাত কয়। আনহাতে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শপত গ্ৰহণৰ ক্ষণ গণনা অনুসাৰে কেতু আৰু শুক্ৰৰ দশা চলি থকাৰ ফলত প্ৰধান মন্ত্ৰী মোদীয়ে শাৰীৰিক, মানসিক কষ্ট পাব আৰু শত্ৰু বৃদ্ধি হব বুলিও গণনাত উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মংগলৰ দশা আৰু জন্ম দশাৰ ফলত আগন্তুক ২০২৭ চনৰ ৬ ডিচেম্বৰলৈ শুভ। কিন্তু মাঘ মাহৰ পিচত সলনি হ'ব পাৰে দেশৰ প্ৰধানমন্ত্ৰী। উল্লেখ্য যে নৱবৰ্ষৰ পহিলা বহাগৰ দিনা পুৱা বৰপেটা সত্ৰৰ নিত্য-নৈমিত্তিক প্ৰসংগৰ পিছত বৰপেটা সত্ৰত বৰ্ষফল গণনা কৰা হয়। পৰম্পৰাগত ভাৱে বহু বছৰ ধৰি চলি অহা এই বৰ্ষফল গণনা কৰে সত্ৰৰ দৈৱজ্ঞ ত্ৰিদিপ দেৱ শৰ্মাদলৈয়ে। সত্ৰৰ গুৰু আসনৰ পিছফালে সত্ৰীয়াক সন্মুখত লৈ প্ৰথমে বৰ্ষফল গণনা কৰাৰ পিছত ক্ৰমে মঠৰ চোতালত আৰু শেষত আইসকলৰ কাঠিত গণনা কৰে। বৰ্ষফল গণনা শুনিবলৈ অগণন ভকত আইসকলৰ সমাৱেশ ঘটে বৰপেটা সত্ৰত। বৰ্ষফল গণনাক বৰপেটাত বিহু গণনা বুলিও কোৱা হয়। ইপিনে পহিলা বহাগৰ দিনটোত সত্ৰত সেৱা জনাবলৈ বহু ভক্তৰ সমাগম হয়।

# তাৰাবাৰী আৰক্ষীৰ জুৱাৰ বিৰুদ্ধে বৃহৎ অভিযান, খংৰা গাঁৱৰ মমতাজ আলী আটক

**অসম বাৰ্তা, চেঙা, ১৬ এপ্ৰিল ঃ** IPL চলি থকা সময়ছোৱাত সমগ্ৰ ৰাজ্যৰ লগতে তাৰাবাৰী অঞ্চলতো অবৈধ জুৱাৰ কাৰ্যকলাপ বৃদ্ধি পোৱাৰ আশংকাৰ মাজতে তাৰাবাৰী আৰক্ষীয়ে কঠোৰ পদক্ষেপ গ্ৰহণ কৰি এক তীব্ৰ অভিযান চলাইছে। এই অভিযানৰ অংশ হিচাপে খংৰা গাঁৱৰ বাসিন্দা মমতাজ আলীক আটক কৰিবলৈ সক্ষম হৈছে আৰক্ষী। ঘটনাটোৱে অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে আৰু আৰক্ষীৰ এই পদক্ষেপে জুৱাৰ বিৰুদ্ধে এক দৃঢ় বাৰ্তা প্ৰেৰণ কৰিছে। জানিব পৰা মতে, গোপন সূত্ৰৰ পৰা লাভ কৰা নিশ্চিত তথ্যৰ ভিত্তিত তাৰাবাৰী আৰক্ষীয়ে এক সুসংগঠিত অভিযানৰ পৰিকল্পনা কৰে। সেই অনুসৰি আৰক্ষীৰ এটা দল ভাৰপ্ৰাপ্ত বিষয়া সঞ্জয় কুমাৰ ৰয়ৰ নেতৃত্বত খংৰা গাঁৱত উপস্থিত হৈ অভিযান চলায়। অভিযান চলোৱাৰ সময়ত আৰক্ষীয়ে অভিযুক্ত মমতাজ আলীক জুৱাৰ সৈতে জড়িত অৱস্থাত আটক কৰে। আটক কৰাৰ লগতে আৰক্ষীয়ে তেওঁৰ পৰা এটা মোবাইল ফোন আৰু নগদ ৫,৮০০ টকা জব্দ কৰে। আৰক্ষীৰ প্ৰাথমিক তদন্তত এই সামগ্ৰীসমূহ IPL জুৱাৰ সৈতে সম্পৰ্কিত বুলি সন্দেহ প্ৰকাশ কৰা হৈছে। জব্দ কৰা মোবাইল ফোনটোত জুৱাৰ লগত জড়িত কিছুমান তথ্য থকাৰ সম্ভাৱনা থাকিব পাৰে বুলি আৰক্ষীয়ে সন্দেহ কৰিছে আৰু সেই দিশে অধিক তদন্ত অব্যাহত ৰাখিছে। আৰক্ষীৰ সূত্ৰে জনোৱা মতে, IPLৰ দৰে বৃহৎ ক্ৰীড়া অনুষ্ঠান চলি থকা সময়ত অনলাইন আৰু অফলাইন দুয়ো ধৰণৰ জুৱাৰ প্ৰৱণতা বৃদ্ধি পায়। এই পৰিপ্ৰেক্ষিতত তাৰাবাৰী আৰক্ষীয়ে অঞ্চলটোত বিশেষ নজৰ ৰাখি একাধিক স্থানত অভিযান চলাই আছে। এই অভিযানসমূহৰ মূল লক্ষ্য হৈছে জুৱাৰ দৰে অবৈধ কাৰ্যকলাপ সম্পূৰ্ণৰূপে বন্ধ কৰা আৰু ইয়াৰ সৈতে জড়িত ব্যক্তিসকলক আইনৰ আওতালৈ অনা। এই সন্দৰ্ভত আৰক্ষীৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জয় কুমাৰ ৰয়ে কয় যে, "জুৱাৰ দৰে অবৈধ কাৰ্যকলাপ সমাজৰ বাবে ক্ষতিকাৰক। IPL চলি থকা সময়ছোৱাত ইয়াৰ প্ৰৱণতা বৃদ্ধি পায়, সেয়ে আৰক্ষীয়ে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। আগন্তুক দিনসমূহতো এই ধৰণৰ অভিযান অধিক তীব্ৰ কৰা হ'ব আৰু জুৱাৰ সৈতে জড়িত কোনো লোকক ৰেহাই দিয়া নহ'ব।" ইফালে, আৰক্ষীয়ে এই ঘটনাৰ সৈতে জড়িত আন সম্ভাব্য ব্যক্তিৰ সন্ধানতো তদন্ত আৰম্ভ কৰিছে। জুৱাৰ সৈতে জড়িত কোনো বৃহৎ চক্ৰ আছে নেকি, সেই বিষয়েও অনুসন্ধান চলাই থকা হৈছে বুলি আৰক্ষীয়ে জনায়। স্থানীয় ৰাইজেও আৰক্ষীৰ এই তৎপৰতাক প্ৰশংসা কৰিছে। বহু লোকে মত প্ৰকাশ কৰিছে যে, জুৱাৰ দৰে অবৈধ কাৰ্যকলাপৰ বাবে সমাজত নৈতিক অৱক্ষয় বৃদ্ধি পায় আৰু যুৱসমাজ বিপথে পৰিচালিত হয়। সেয়ে আৰক্ষীয়ে এই ধৰণৰ অভিযান অব্যাহত ৰাখি সমাজখনক এই ধৰণৰ অপসংস্কৃতিৰ পৰা ৰক্ষা কৰা উচিত বুলি ৰাইজে মত প্ৰকাশ কৰে। উল্লেখযোগ্য যে, তাৰাবাৰী আৰক্ষীয়ে ইতিমধ্যে জুৱাৰ বিৰুদ্ধে একাধিক অভিযান চলাইছে আৰু আগন্তুক দিনসমূহতো এই অভিযান অধিক তীব্ৰ কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। আৰক্ষীয়ে পুনৰায় সকীয়নি দিয়ে যে, "এজনো জুৱাৰী পলাই যাব নোৱাৰিব"- এই দৃঢ় সংকল্প লৈ আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিব।

**২১ গৰাকী বিশিষ্ট ব্যক্তিৰ বাসভৱনলৈ গৈ বিহুৰ ওলগ**

# ডুমডুমা আৰু ৰূপাই শতদল শাখা সাহিত্য সভাৰ 'নিজৰ দিন' উদ্‌যাপন



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৬ এপ্ৰিল ঃ** অসম সাহিত্য সভাৰ সিদ্ধান্ত অনুসৰি ডুমডুমা শতদল শাখা সাহিত্য সভাই আজি বহাগ বিহু আৰু অসমীয়া নববৰ্ষ উপলক্ষে ডুমডুমাৰ সমাজ জীৱনৰ সৈতে জড়িত দহগৰাকীকৈ বিশিষ্ট ব্যক্তিৰ ঘৰে-ঘৰে গৈ সম্বৰ্ধনা জ্ঞাপন কৰে আৰু জ্যেষ্ঠজনৰ আশীৰ্বাদ গ্ৰহণ কৰে। একোখনকৈ বিহুৱান, কিতাপৰ টোপোলা আৰু অসম সাহিত্য সভাৰ পৰা প্ৰেৰণ কৰা একোখনকৈ ওলগনি পত্ৰৰে সম্বৰ্ধনা জনোৱা ব্যক্তিসকল হ'ল - বীণাৰাণী গোৱালা, সোণকণ পাটোৱাৰী, কিৰণময়ী মহন্ত, অপূৰ্ব বৰুৱা, ৰামা শঙ্কৰ প্ৰসাদ, মেৰিজা বেগম, ভাবিত হালৈ, বিপিন চন্দ্ৰ লহকৰ গোপাল সোণাৰ আৰু গিৰিন্দ্ৰ প্ৰসাদ বৰুৱা। ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকা, সম্পাদক নিত্যানন্দ দাস, উপসভাপতি ত্ৰিদ্বীপ ডেকা, সহকাৰী সম্পাদকদ্বয় জোনালী শইকীয়া ডেকা আৰু দ্বীজেন শৰ্মা, কোষাধ্যক্ষ শুভাশীষ মল্লিক, কাৰ্যালয় সম্পাদক কুলধৰ বৰ্মন, কাৰ্যনিৰ্বাহক সদস্য জয়সূৰ্য বৰা, সাৰংগ নাথ আৰু তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱাই এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। আনহাতে, ৰূপাই শতদল শাখা সাহিত্য সভাই ৰূপাই চাইডিং অঞ্চলৰ এঘাৰগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনায়। অসমৰ জাতীয় জীৱনৰ লগত সংপৃক্ত ৰূপাই অঞ্চলৰ এঘাৰগৰাকী ব্যক্তিৰ ঘৰে-ঘৰে গৈ একোখনি গামোচা আৰু গুৱা-পাণেৰে সেৱা লৈ ৰঙালী বিহুৰ ওলগ জনায়। লগতে অসম সাহিত্য সভাই পহিলা ব'হাগত পালন কৰি অহা 'নিজৰ দিন' উপলক্ষে অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামী আৰু প্ৰধান সম্পাদক দেৱজিৎ বৰা স্বাক্ষৰিত এখনিকৈ ওলগনি পত্ৰ তেখেতসকলক প্ৰদান কৰে। সম্বৰ্ধনা জনোৱা ব্যক্তিসকল হ'ল -ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক বীৰেন কোঁৱৰ, ডুমডুমাৰ হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী মঞ্জুল শৰ্মা আৰু অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক প্ৰসাদ সোণোৱাল, অৱসৰপ্ৰাপ্ত শিক্ষক তিলেশ্বৰ গগৈ, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী জাম্বৱতী বৰ্মন আৰু পুণ্যলতা কোঁচ, অৱসৰপ্ৰাপ্ত চৰকাৰী কৰ্মচাৰী সৰ্বেশ্বৰ দাস, যোগেন বৰুৱা আৰু থমাচ গগৈ, বিশিষ্ট সমাজসেৱক জয়ন্ত গগৈ আৰু শঙ্কৰী কলা কৃষ্টিৰ সাধক দণ্ডে সোণোৱাল। এই কাৰ্যসূচীত শাখাৰ সভাপতি বেণু বড়া, সম্পাদক ৰাতুল গগৈ, সহকাৰী সম্পাদক পদ্মন মহানন্দ, কোষাধ্যক্ষ ৰাজু বৰুৱা, সদস্য প্ৰাণকৃষ্ণ দাস, বিপুল গগৈ, সঞ্জীৱ কুমাৰ শৰ্মা, বিকিয়ান বাইলুং, মুকুন্দ বৰা, আনন্দ সোণোৱাল, কান্তেশ্বৰ বড়া, যতীন হাজৰিকাই সহযোগ কৰে। উল্লেখযোগ্য যে শাখাখনিয়ে অহা বছৰ সোণালী জয়ন্তী বৰ্ষত খোজ পেলাব।

# বলীউডৰ ৰয়েল ডিভা ইউনিভাৰ্ছত নাম উজ্জ্বলিল মাকুম ডিমৰুহোলা গাঁৱৰ জীয়াৰীৰ

**অসম বাৰ্তা, মাকুম, ১৬ এপ্ৰিল ঃ** ৰাষ্ট্ৰীয় পৰ্যায়ত নাম উজ্জ্বলিল মাকুম ডিমৰুহোলা গাঁৱৰ নিবাসী কমল মৰাণ আৰু কুঞ্জলতা মৰাণৰ কন্যা শিল্পী শিখা মৰাণৰ। কাশ্যপ এণ্টাৰটেইনমেণ্ট গ্ৰুপৰ উদ্যোগত যোৱা ইংৰাজী ৭ এপ্ৰিলত মহাৰাষ্ট্ৰ ফ্লিম চিটি মুম্বাইত অনুষ্ঠিত হোৱা বলিউড ৰয়েল ডিভা ইউনিভাৰ্ছ ২০২৬ ৰ সংস্কৰণৰ কিশোৰ-কিশোৰীৰ শ্ৰেণীত নিৰ্বাচিত হ'ল ১৭ বছৰীয়া শিল্পীশিখা মৰাণ। পিতৃয়ে দিন হাজিৰা কৰি পৰিয়াল পোহপাল দিয়া আৰু মাতৃৰ অক্লান্ত চেষ্টাৰ লগতে শিল্পীশিখাৰ একাগ্ৰতাৰ ফলত শিল্পীশিখাই আজি সমগ্ৰ তিনিচুকীয়া জিলা খনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। খুব কম বয়সতে শিল্পী শিখাই কোনোধৰণৰ সৌন্দৰ্য ইত্যাদি প্ৰশিক্ষণ নোলোৱাকৈ মোবাইল ফোনৰ সহায়ত সৌন্দৰ্য প্ৰতিযোগিতাৰ



জগতত খোজ দিছিল। পৰ্যায় ক্ৰমে জিলা পৰ্যায়ৰ পৰা ৰাজ্যিক পৰ্যায়লৈ ৰাজ্যিক পৰ্যায়ৰ পৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতা সমূহত অংশগ্ৰহণ কৰি বিভিন্ন শিতানৰ খিতাপ দখল কৰিবলৈ সক্ষম হৈছে শিল্পী শিখাই। ২০২৬ বৰ্ষৰ ৰয়েল ডিভা ইউনিভাৰ্ছত নিৰ্বাচিত হোৱাৰ পাছত বলিউডৰ ফ্লিম চিটিৰ তৰফৰ পৰা থাইলেণ্ডলৈ যাবলৈ সুযোগ লাভ কৰিছে শিল্পী শিখাই। সৌন্দৰ্য প্ৰতিযোগিতাৰ লগতে শিক্ষা জীৱনৰো যাত্ৰা অব্যাহত ৰাখিছে শিল্পী শিখাই। কন্যাৰ এই যাত্ৰাত মাকুম সমষ্টিৰ বিজেপিৰ মনোনীত প্ৰাৰ্থী সঞ্জয় কিষাণ, শদিয়া সমষ্টিৰ বিজেপি মনোনীত প্ৰাৰ্থী বলীন চেতিয়া আৰু সদৌ মৰাণ ছাত্ৰ সন্থাই যথেষ্ট সহায় কৰিছিল বুলি মাতৃ কুঞ্জলতা মৰাণে অশ্ৰুসিক্ত নয়নেৰে সংবাদ মাধ্যমৰ আগত মত প্ৰকাশ কৰে।

# বকতাত কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ আয়োজন

**অসম বাৰ্তা, বকতা, ১৬ এপ্ৰিল ঃ** বকতা বৰবিল যুৱ সমাজৰ উদ্যোগত আৰু বকতাবাসীৰ সহযোগত বকতা বৰবিল খেলপথাৰত অহা ১৮, ১৯ আৰু ২০ এপ্ৰিল তথা ৪, ৫ আৰু ৬ ব'হাগত প্ৰথম বাৰ্ষিক বকতা কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন আয়োজন কৰিছে। বকতা বৰবিল খেলপথাৰৰ শোভাৰাণী গোহাঁই বকল সোঁৱৰণী ক্ষেত্ৰত তিনিদিনীয়া কাৰ্যসূচীৰে প্ৰথম বাৰৰ বাবে আয়োজন কৰা ৰঙালী বিহু সন্মিলনখনৰ প্ৰথম দিনৰ কাৰ্যসূচীত কণী যুঁজ, পিঠা-পনা, ঢোলবাদন, পেঁপাবাদন আৰু মৌকুঁৱৰী প্ৰতিযোগিতা, দ্বিতীয় দিনা প্ৰাঞ্জল প্ৰতীম বড়া সোঁৱৰণী 'বকতা ৰাণী' শীৰ্ষক বৰ-বিহুৱতী আৰু ধীৰেন নাথ সোঁৱৰণী বিহু-হুঁচৰি প্ৰতিযোগিতা আৰু তৃতীয় দিনা জাতীয় সাজ-পাৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। উদ্‌যাপন সমিতিয়ে বিহু-হুঁচৰি আৰু বৰ বিহুৱতী প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ১,১১,১১১ টকা, দ্বিতীয় পুৰস্কাৰ ৭৫,০০১ টকা আৰু তৃতীয় পুৰস্কাৰ ৫০,০০১ টকাকৈ প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰিছে। তেনেধৰণে মৌকুঁৱৰী প্ৰতিযোগিতাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ হিচাপে ক্ৰমে দহ হাজাৰ, সাত হাজাৰ আৰু পাঁচ হাজাৰ টকা ঘোষণা কৰাৰ সমান্তৰালকৈ ঢোল বাদন, পেঁপা বাদন, কণী যুঁজ আৰু পিঠা-পনা প্ৰতিযোগিতাৰ ৫০০১ টকা প্ৰথম, ৩০০১ টকা দ্বিতীয় আৰু ২০০১ টকা তৃতীয় পুৰস্কাৰ হিচাপে প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰিছে। প্ৰথম দিনৰ সাংস্কৃতিক অনুষ্ঠান অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ সোঁৱৰণত উছৰ্গা কৰাৰ উপৰি দ্বিতীয় দিনা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ সোঁৱৰণত আৰু তৃতীয় দিনা গণশিল্পী ৰাজীৱ শদিয়াৰ সোঁৱৰণত উছৰ্গা কৰা হৈছে। তদুপৰি সন্মিলনৰ কাৰ্যসূচী অনুযায়ী জুবিন গাৰ্গৰ স্মৃতিত ১০০টা নাহৰ পুলি ৰোপণ, জ্যেষ্ঠ নাগৰিকলৈ সেৱা নিবেদন, মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠান, জনগোষ্ঠীয় সাংস্কৃতিক অনুষ্ঠান আদি অনুষ্ঠিত হ'ব।

# মাকুম জ্যোতিনগৰ বিংশতম বাৰ্ষিক ব'হাগী মেলা উদ্‌যাপন

**অসম বাৰ্তা, মাকুম, ১৬ এপ্ৰিল ঃ** ২০০৬ চনৰ পৰা বাপতি সাহোন ৰঙালী বিহুৰ গৰু বিহু দিনা অনুষ্ঠিত কৰি অহা মাকুম জ্যোতিনগৰ বহাগী মেলা এইবাৰ বিংশতম বাৰ্ষিক ব'হাগী মেলা উদ্‌যাপন কৰা হয়। বিগত বৰ্ষৰ দৰে পুৱা ৬.৩০ বজাত হৰিধ্বনিৰে বনগঞা সত্ৰৰ সত্ৰাধিকাৰ শান্তনু গোস্বামী দ্বাৰা অনুষ্ঠান আৰম্ভ কৰি চাত মাৰি প্ৰদৰ্শন, আৰু মূল কাৰ্যসূচী জ্যোতিনগৰ খেলপথাৰত কাষতে লাগি থকা টিংৰাই নৈৰ ঘাটত বিহু দল সমূহৰ উপস্থিতিত সমূহীয়া গৰু গা-ধুওৱা পৰ্ব সম্পন্ন কৰা হয়। তাৰপাছতে বিহুৰ পতাকা আৰু স্মৃতি তৰ্পণ কৰে উদ্‌যাপন সমিতিৰ সভাপতি সমীৰণ বৰগোঁহাই আৰু সম্পাদক সিদ্ধাৰ্থ শংকৰ দত্তই। পৰৱৰ্তী পৰ্যায়ত প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত সম্পন্ন কৰি মাকুম অঞ্চলৰ বয়োজ্যেষ্ঠ নাগৰিকক সম্বৰ্ধনা, সমূহীয়াকৈ বিহুৰ জলপান গ্ৰহণ কৰা, বিহু নাচ, বিহুগীত, কণী যুঁজ, ঢোল বাদন মিউজিকেল শ্বেয়াৰ আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰি বিয়লি ভাগলৈ বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

# বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাৰ বিশিষ্ট নাট্যকাৰ, পৰিচালক তথা অভিনেতা পবিত্ৰ ৰাভাক "বৰপেটা বঁটা" প্ৰদান

**অসম বাৰ্তা, বৰপেটা সদৰ, ১৬ এপ্ৰিল ঃ** বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাই আজি পহিলা ব'হাগৰ দিনা বৰপেটা পৌৰসভাৰ খেলপথাৰত অনুষ্ঠিত কৰিছে ৰঙালী বিহু। ৰঙালী বিহু উদ্‌যাপনৰ লগত সংগতি ৰাখি প্ৰদান কৰিলে বৰপেটা বঁটা। এই বাৰ বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাই ১৫সংখ্যক "বৰপেটা বঁটা" প্ৰদান কৰিলে বিশিষ্ট নাট্যকাৰ পৰিচালক তথা অভিনেতা পবিত্ৰ ৰাভাক। পূৰ্বৰ দৰে পহিলা বহাগৰ দিনা বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাই এই বটাঁ প্ৰদান কৰি আহিছে। অভিনেতা, নাট্যকাৰ, পৰিচালক তথা সমাজক নতুন দিশৰ পথ দেখুৱা পবিত্ৰ ৰাভাক এই বটাঁ প্ৰদান কৰিলে আঞ্চলিক ছাত্ৰ সন্থাই। বটাঁৰ লগত পবিত্ৰ ৰাভালৈ আগবঢ়ালে গামোচা, চেলেং চাদৰ, জাপি, শৰাই আৰু দহ হাজাৰ নগদ টকা। বৰপেটা বটাঁ গ্ৰহণ কৰি পবিত্ৰ ৰাভাই সংবাদ মাধ্যমৰ আগত বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাৰ লগতে বৰপেটাবাসীক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। কথা প্ৰসংগত অসমৰ হাৰ্টথ্ৰব জুবিন গাৰ্গক নোহোৱা হৈছে বুলি ক'ব নোৱাৰি আমি সকলোৱে জুবিন গাৰ্গক জীয়াই ৰাখিব লাগিব, জুবিন থাকিব, জুবিন নোহোৱা নহয়। জীৱনৰ বাকী সময়ত কাম কৰি যাব লাগিব সমাজৰ বাবে বুলিও ৰাভাই কয়। ভৱিষ্যতে আৰু কৰিবলগীয়া কাম বহুত আছে বুলি নিজৰ মন্তব্য আগবঢ়ায় শিল্পী গৰাকীয়ে। উল্লেখ্য যে ২০১৩ চনৰ পৰাই বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাই সমাজৰ বাবে সুন্দৰ চানেকি বহন কৰি অহা ব্যক্তিক "বৰপেটা বটাঁ" প্ৰদান কৰি আহিছে। বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাই আয়োজন কৰা ৰঙালী বিহু উদ্‌যাপনৰ সাংস্কৃতিক সন্ধিয়াত ভাস্কৰ অপ্সাৰেল আৰু কৰিশ্মা দেৱীৰ লগতে কেবাগৰাকীও বিশিষ্ট কণ্ঠশিল্পীৰ গীতৰ অনুষ্ঠান অনুষ্ঠিত হয়।

# গোসাঁইগাঁৱত প্ৰথম বহাগৰ দিনা কেন্দ্ৰীয় ৰঙালী বিহু উদ্‌যাপন সমিতিৰ দ্বাৰা বিহু উদ্‌যাপন

**অসম বাৰ্তা, গোসাঁইগাঁও, ১৬ এপ্ৰিল ঃ** গোসাঁইগাঁও কেন্দ্ৰীয় ৰঙালী বিহু উদ্‌যাপন সমিতিৰ উদ্যোগত স্থানীয় কমল নাথ ক্লাৱ কাম্ লাইব্ৰেৰীৰ বাকৰিত আজি ব'হাগৰ প্ৰথমটো দিনত অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুটি দিনজোৰা কাৰ্য্যসূচীৰে উলহ-মালহেৰে পালন কৰা হয়। প্ৰতিকূল বতৰৰ মাজতে উদযাপন সমিতিৰ সভাপতি ড° দীনেশ দাসে বিহু পতাকা উত্তোলনেৰে অনুষ্ঠানৰ পাতনি মেলে। পতাকা উত্তোলনৰ লগে লগে শিল্পী ৰাখী সৰকাৰ আৰু সংগী বৃন্দই পৰিৱেশন কৰে শ্ৰীময়ী অসমীৰ.... শীৰ্ষক বৃন্দ গীতটি। ইয়াৰ পিছতে ন গৰাকী জ্যেষ্ঠ ব্যক্তিক ফুলাম গামোচাৰে সম্বৰ্দ্ধনা জনোৱা হয় আৰু পৰম্পৰা অনুযায়ী কনিষ্ঠ সকলে জ্যেষ্ঠ সকলক সেৱা লৈ আশীৰ্বাদ গ্ৰহণ কৰে। পৰৱৰ্ত্তী কাৰ্য্যসূচীত উদযাপন সমিতিৰ বিহু দলৰ দলপতি সঞ্জীৱ কোঁৱৰ আৰু সহযোগী সকলৰ পৰিচালনাত অনুষ্ঠিত হয় মুকলি বিহু। নটৰাজ ডেন্স একাডেমীৰ ছাত্ৰী সকলৰ দলীয় বিহু নৃত্য মিলাক্ষি কলিতাৰ বিহু সুৰীয়া গীত কণমানিদ্বয় ক্ৰমে মৃগাংক ৰায় আৰু শ্ৰেয়সী দেৱনাথৰ কণ্ঠত জুবিনৰ গীতে উপস্থিত ৰাইজক বিমোহিত কৰে। আনহাতে অসম সাহিত্য সভাই প্ৰেৰণ কৰা ওলগনি পত্ৰ গোসাঁইগাঁও স্বৰ্ণ দল সাহিত্য সভাৰ সভাপতি খনীন্দ্ৰ নাথ দাসে কেবাগৰাকীও ব্যক্তিক অনুষ্ঠান টিতে অৰ্পণ কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি বিভিন্ন খেল-ধেমালিৰো আয়োজন কৰা হয়। উল্লেখ্য যে অহা ২৮ আৰু ২৯ এপ্ৰিলত দুই দিনীয়া বিস্তৃত আৰু বৰ্ণাঢ্য কাৰ্য্যসূচীৰে বিহুখনৰ ৰূপালী জয়ন্তী বৰ্ষ কমল নাথ ক্লাৱৰ বাকৰিত উদ্‌যাপন কৰা হ'ব বুলি উদ্যোক্তা সকলে জানিবলৈ দিয়ে।

# ৰঙিয়াৰ ৰণদিয়া শতদল সাহিত্য সভাই উদ্‌যাপন কৰিলে 'নিজৰ দিন'

**অসম বাৰ্তা, ৰঙিয়া, ১৬এপ্ৰিল ঃ** অসম সাহিত্য সভাই প্ৰতিবছৰে পহিলা ব'হাগৰ দিনটোত জাতীয় জীৱনলৈ অৱদান আগবঢ়াই অহা ৬৫ উৰ্দ্ধৰ ব্যক্তি সকলক শাখা সাহিত্য সভা সমূহৰ দ্বাৰা সম্বৰ্ধনা জ্ঞাপন কৰি আহিছে। সেইমৰ্মে ৰণদিয়া শতদল সাহিত্য সভাই আজি ৰঙিয়াৰ স্থানীয় কেবাগৰাকীও জাতীয় জীৱনলৈ অৱদান আগবঢ়াই অহা জ্যেষ্ঠ ব্যক্তিক সাহিত্য সভাৰ দ্বাৰা প্ৰেৰণ কৰা সম্বৰ্ধনা পত্ৰ, একোখনকৈ ফুলাম গামোচা, এটি নাহৰ পুলিৰে সম্বৰ্ধনা জনোৱা হয়। ৰণদিয়া শতদল সাহিত্য সভাৰ সম্পাদক চৈয়দ মোস্তাফা আহমেদে আঁত ধৰা অনুষ্ঠানটো পৰিচালনা কৰে সভাপতি পঙ্কজ পল্লৱ শৰ্মাই। সভাৰ প্ৰতিষ্ঠাপক সম্পাদক হেমন্ত কলিতাই উপস্থিত আটাইকে ধন্যবাদ তথা অসমীয়া নৱবৰ্ষ আৰু ৰঙালী বিহুৰ শুভেচ্ছা জনায়। কামৰূপ জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক জয়ন্ত জিত কলিতাই অনুষ্ঠানৰ সাৰমৰ্ম ব্যাখ্যা কৰে। জেষ্ঠ অধিবক্তা হিৰণ্য কুমাৰ চৌধুৰী, সমাজকৰ্মী বৰহান আলি, নুৰুননেচা বেগম, ধাৰেশ্বৰ লহকৰ, অৱসৰ প্ৰাপ্ত শিক্ষক জ্ঞানেন্দ্ৰ নাথ মহন্ত আজন্ম শিল্পী অকণ কলিতা, চৰকাৰী পুৰস্কাৰ প্ৰাপ্ত শিক্ষক কন্দৰ্পেশ্বৰ শৰ্মা, সমাজকৰ্মী সত্যনাথ মজুমদাৰক সম্বৰ্ধনা জনোৱা হয়। সভাত ৰণদিয়া শতদল সাহিত্য সভাৰ উপ-সভাপতি সবিতা বৰ্মন, পত্ৰিকা সম্পাদক ফাৰুক হুছেইন, ডিম্বেশ্বৰ কলিতা, ভবেশ ডেকা, চম্পাৱতী ডেকা বিশিষ্ট ব্যক্তি সকল উপস্থিত থাকি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। শলাগৰ শৰাই আগবঢ়ায় সম্পাদক চৈয়দ মোস্তাফা আহমেদে।

**থেছপিয়ান গোষ্ঠীৰ নৃত্যত মোহিত নলবাৰীবাসী**

# নলবাৰীৰ শ্বহীদ ভৱনত ৰঙালী বিহুৰ ৰঙ

**অসম বাৰ্তা, নলবাৰী, ১৬ এপ্ৰিল ঃ** পহিলা ব'হাগ উপলক্ষে নলবাৰী আঞ্চলিক ছাত্ৰ সন্থা আৰু নলবাৰী নগৰ উন্নতি সভাৰ উদ্যোগত শ্বহীদ ভৱন বাকৰিত অনুষ্ঠিত "নাচিব লাগিব ব'হাগ বিহু বুলি" শীৰ্ষক মুকলি বিহু অনুষ্ঠান এইবাৰো উলহ-মালহেৰে অনুষ্ঠিত কৰা হয়। ৰঙালী বিহুৰ এই বিশেষ আয়োজনত দিনযোৰা সাংস্কৃতিক কাৰ্যসূচীয়ে সমগ্ৰ পৰিৱেশক উৎসৱমুখৰ কৰি তোলে। অনুষ্ঠানৰ আৰম্ভণি সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলনেৰে কৰা হয়। তাৰ পিছতে একেৰাহে বিহু নৃত্য, গীত আৰু বিভিন্ন লোক-সংস্কৃতিৰ অনুষ্ঠান পৰিৱেশন কৰা হয়। জ্যেষ্ঠ ব্যক্তি আৰু সমাজ জীৱনৰ লগত জড়িত বিশিষ্ট লোকসকলৰ লগতে সংবাদ সেৱাৰ লগত জড়িত প্ৰতিগৰাকী ব্যক্তিক বিহুৱান যাচি সন্মান জনোৱা হয়। তেজপুৰৰ থেছপিয়ান গোষ্ঠীৰ চমৎকাৰ নৃত্য প্ৰদৰ্শনে বিশেষভাৱে দৰ্শকৰ মন জয় কৰে। তেওঁলোকৰ সজীৱ পৰিৱেশনে উপস্থিত ৰাইজক তালে তালে নাচিবলৈ বাধ্য কৰে। বিভিন্ন জনগোষ্ঠীৰ নৃত্যৰ সমন্বয়ে অনুষ্ঠানখনক অধিক ৰঙীন কৰি তোলে। অনুষ্ঠানত উপস্থিত জনপ্ৰিয় কণ্ঠশিল্পী দিপলীনা ডেকাই সংগীত পৰিৱেশন কৰাৰ লগতে ভাষণ প্ৰদান কৰি কয় যে, এইবাৰ ৰঙালী বিহু এটা বেদনাময় অনুভৱেৰে উদযাপন কৰা হৈছে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অনুপস্থিতিয়ে অসমৰ প্ৰতিজন লোকৰ হৃদয় স্পৰ্শ কৰিছে। তেওঁ সকলোকে জুবিন গাৰ্গৰ আদৰ্শৰে আগুৱাই যাবলৈ আহ্বান জনায় আৰু তেওঁৰ স্মৃতিতেই নিজৰ সংগীত যাত্ৰা অব্যাহত ৰাখিব বুলি উল্লেখ কৰে। তেওঁ লগতে জুবিন গাৰ্গৰ সৈতে জড়িত ঘটনাৰ স্পষ্টতা ৰাইজৰ আগত উন্মোচন কৰাৰ প্ৰয়োজনীয়তাৰ কথাও উল্লেখ কৰে। ইফালে ছাত্ৰ সন্থাৰ উপসভাপতি ভৱজিৎ বেজবৰুৱাই বিহুৰ শুভেচ্ছা জ্ঞাপন কৰি অসমীয়া সমাজক ঐক্যবদ্ধ হৈ নিজৰ পৰিচয় আৰু স্বাভিমান ৰক্ষা কৰাৰ আহ্বান জনায়। অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন ক্ষেত্ৰৰ বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে আৰু শেষত সকলোৱে মিলি বিহুগীত গাই আৰু নাচি ৰঙালী বিহুক সাদৰ সম্ভাষণ জনায়। ছাত্ৰ সন্থাৰ বিষয়ববীয়াই জনায় যে, ৰাইজৰ অব্যাহত সহায়-সহযোগিতাৰে এনে সাংস্কৃতিক অনুষ্ঠান আগলৈও অধিক বিস্তৃত ৰূপত আয়োজন কৰাৰ লক্ষ্য ৰাখিছে।

# পহিলা বহাগত জাঁজী শাখা সাহিত্য সভাই সম্বৰ্ধনা জনালে বয়োজ্যেষ্ঠ বিশিষ্ট সমাজকৰ্মীক

**অসম বাৰ্তা, জাঁজী, ১৬ এপ্ৰিল ঃ** পহিলা ব'হাগৰ দিনটো অসম সাহিত্য সভাই 'নিজৰ দিন' হিচাপে উদ্‌যাপন কৰে। এই দিনটোত অসমৰ প্ৰতিখন শাখা সাহিত্য সভাই নিজ নিজ এলেকাত বিশেষভাৱে মনোনীত কৰা কেইজনমান বয়োজ্যেষ্ঠ সন্মানীয় ব্যক্তিৰ গৃহলৈ গৈ ফুলাম গামোচা আৰু ওলগনি পত্ৰ প্ৰদান কৰে। এই উপলক্ষে জাঁজী শাখা সাহিত্য সভাৰ দ্বাৰাও পহিলা ব'হাগৰ দিনটোত জাঁজী অঞ্চলৰ ছয়জন জ্যেষ্ঠ ব্যক্তিৰ ঘৰলৈ গৈ তেওঁলোকক বিহুৱান উপহাৰ দিয়াৰ লগতে ওলগনি-পত্ৰ প্ৰদান কৰি সকলোৰে সুস্বাস্থ্য তথা সমৃদ্ধি কামনা কৰা হয়। স্থানীয় সমাজ হিতৈষী ব্যক্তি অনিল চন্দ্ৰ বৰুৱা, গোপাল বৰুৱা, মাণিক চন্দ্ৰ বৰুৱা, ভবেন চেতিয়া, বীণা দত্ত আৰু ঈশ্বৰ কটকীক এই ওলগনি পত্ৰ প্ৰদান কৰা হয়। এই কাৰ্যসূচীত জাঁজী শাখা সাহিত্য সভাৰ সভাপতি প্ৰতাপ কুমাৰ বৰুৱা, সম্পাদক প্ৰসেনজিৎ গগৈ, উপদেষ্টা বীণা বৰুৱা, কাৰ্যনিৰ্বাহক সদস্য বিজু বৰঠাকুৰ আৰু অনন্যা গগৈ শইকীয়াই অংশ গ্ৰহণ কৰে।

❑ প্ৰায় পাঁচ হাজাৰ জ্যেষ্ঠ ব্যক্তিক ঘৰে-ঘৰে গৈ জনালে সন্মান ❑

# পহিলা ব'হাগত অসম সাহিত্য সভাই উদ্‌যাপন কৰিলে 'নিজৰ দিন'

**অসম বাৰ্তা, সোণাপুৰ, ১৬ এপ্ৰিল ঃ** "২০০৫ বৰ্ষৰ পৰা 'নিজৰ দিন' আয়োজন কৰি অসম সাহিত্য সভাই স্বকীয় বৈশিষ্ট্যৰে সাংগঠনিক ভেটি সুদৃঢ় কৰি আহিছে। এই 'নিজৰ দিনে' মানুহৰ মনৰ কলুষতা নিঃশেষ কৰি নিয়ে। সুন্দৰ মনৰ আৰ্বিভাৱৰ ফলত নতুন সমাজবোৰ সুন্দৰ হৈ পৰে।" কালি অসম সাহিত্য সভাৰ উদ্যোগত গুৱাহাটীত 'নিজৰ দিন'ৰ সম্বৰ্ধনা গ্ৰহণ কৰি অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট লেখক-সাংবাদিক কনকসেন ডেকাই এইদৰে কয়। ইফালে 'নিজৰ দিন'ৰ সম্বৰ্ধনা গ্ৰহণ কৰি সভাৰ প্ৰাক্তন সভাপতি ড° ধ্ৰুৱজ্যোতি বৰাই কয়- "সকলো শক্তি প্ৰয়োগ কৰি হ'লেও সাহিত্য সভাক আমি সবল কৰি ৰাখিবই লাগিব।" সভাৰ প্ৰধানসম্পাদক দেৱজিৎ বৰাই কাকতলৈ প্ৰেৰণ কৰা এক সংবাদ বিজ্ঞপ্তিত জানিবলৈ দিয়া মতে- অসম সাহিত্য সভাই ৩৩খন জিলা সভা আৰু হাজাৰোধিক শাখা সভাৰ যোগেদি অসমীয়া ভাষা-সাহিত্য, কৃষ্টি-সংস্কৃতিৰ বিকাশ-বিস্তৃতিৰ বাবে কাম কৰি থকা আৰু জাতীয় জীৱনলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা পাঁচ হাজাৰ ব্যক্তিক পহিলা ব'হাগৰ দিনা এই সম্বৰ্ধনা জ্ঞাপন কৰে। কালি অৰ্থাৎ ১৫ এপ্ৰিলত সাহিত্য সভাই গুৱাহাটীত কামৰূপ মহানগৰ জিলা সভাৰ সহযোগত মূল সভাৰ একাংশ বিষয়ববীয়াৰ লগতে ভিন্ন জিলা সভা আৰু শাখা সভাৰ কৰ্মকৰ্তাসকলে থুৰীয়া তামোল-পাণেৰে সেৱা ধৰি সন্মানিত কৰে। কালি গুৱাহাটীত সম্বৰ্ধনা জনোৱা ব্যক্তিসকল হৈছে- অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতিসকল ক্ৰমে কনকসেন ডেকা, ড° ধ্ৰুৱজ্যোতি বৰা, ড° পৰমানন্দ ৰাজবংশী, ড° কুলধৰ শইকীয়া, ড° সূৰ্য হাজৰিকা, উপসভাপতিদ্বয় ক্ৰমে কনক চন্দ্ৰ শৰ্মা আৰু মৃণালিনী দেৱী, প্ৰাক্তন প্ৰধানসম্পাদক ড° জগদীশ পাটগিৰি, জাতীয় কবি আনিছ উজ জামান, কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰিজু হাজৰিকা, প্ৰাক্তন উপ-সভাপতি হেমেন তালুকদাৰকে ধৰি বহু সংখ্যক লোক। উল্লেখ্য যে ৰাজ্যখনৰ পাহাৰে-ভৈয়ামে শান্তি-সম্প্ৰীতিৰে বসবাস কৰি থকা এই ব্যক্তিসকলৰ উপৰিও ভাৰতবৰ্ষৰ বাংগালুৰু, আহমেদাবাদ, দিল্লী, উৰিষ্যা, ভুৱনেশ্বৰ, অৰুণাচল, ইটানগৰ, পাছিঘাটকে ধৰি লণ্ডন, ৰাছিয়া, উত্তৰ আমেৰিকা আদি স্থানতো কালি 'নিজৰ দিন' উপলক্ষে ৬৫ বছৰ বয়সৰ ব্যক্তিসকলক ঘৰে-ঘৰে গৈ সন্মান প্ৰদৰ্শন কৰে। আনহাতে সভাৰ তেত্ৰিশখন জিলা সভাই সভাৰ নেতৃস্থানীয় ব্যক্তিসকলক বিশেষকৈ সভাৰ প্ৰাক্তন বিষয়ববীয়াসকল, আজীৱন সভ্যসকলক সন্মানিত কৰে। শিৱসাগৰ জিলা সাহিত্য সভাই কালি মূল সভাৰ প্ৰাক্তন সভাপতি ইমৰান শ্বাহ আৰু প্ৰাক্তন প্ৰধানসম্পাদক নাহেন্দ্ৰ পাদুনক নিজৰ নিজৰ বাসগৃহলৈ গৈ সম্বৰ্ধনা জ্ঞাপন কৰে। দৰং জিলা সাহিত্য সভাই মূল সভাৰ প্ৰাক্তন উপ-সভাপতি ইদ্ৰিছ আলীক, লক্ষ্মীমপুৰ জিলা সাহিত্য সভাই প্ৰাক্তন উপসভাপতি ড° হেমন্ত কুমাৰ বৰুৱা, শোণিতপুৰ জিলাত প্ৰাক্তন প্ৰধানসম্পাদক যাদব চন্দ্ৰ শৰ্মাক সম্বৰ্ধনা জ্ঞাপন কৰে। ইফালে 'নিজৰ দিন'ৰ কাৰ্যসূচী সফলভাৱে ৰূপায়ণ কৰাৰ বাবে সভাৰ সকলো সক্ৰিয় জিলা সভা, সকলো সক্ৰিয় শাখা সভাক ধন্যবাদ জ্ঞাপন কৰে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই।

প্ৰাক্তন বিজেপি নেতা জয়ন্ত দাস, অজাপৰ প্ৰাৰ্থী জীৱন চুতীয়াৰ আগমনক লৈ চৰ্চা

# মৃণাল শইকীয়াৰ উদ্যোগত অনুষ্ঠিত খুমটাই ব'হাগী উৎসৱত লোকাৰণ্য পৰিৱেশ

## বিহু গাবলৈ, চাবলৈ, খাবলৈ আহিল হেজাৰ হেজাৰ লোক; বিশ সহস্ৰাধিক জনতাই খালে বিহুভাত



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৬ এপ্ৰিল ঃ** বিধানসভা নিৰ্বাচনত প্ৰচাৰ কালত ব্যতিক্ৰমীভাৱে ৰাইজৰ মাজলৈ যোৱা খুমটাইৰ বিজেপি প্ৰাৰ্থী মৃণাল শইকীয়াই গাঁৱে-গাঁৱে সমষ্টিবাসীক বিহু খাবলৈ জনাই ছিল আমন্ত্ৰণ। সেই উদ্দেশ্যে ব'হাগৰ পহিলা দিনটোত মৃণাল শইকীয়াৰ উদ্যোগত আয়োজিত 'খুমটাই ব'হাগী উৎসৱ'ত হৈ পৰিল লোকাৰণ্য। খুমটাইৰ যোগিবাৰী গ্ৰাম্য পৰ্যটন প্ৰকল্পত আয়োজিত ব'হাগী উৎসৱটিত পুৱাৰে পৰা লানি নিচিগা সোঁত বয় ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ শ শ হুঁচৰি দলৰ লগতে ৰাইজৰ। পুৱাৰে পৰা নিশালৈকে প্ৰায় ডেৰ শতাধিক হুঁচৰি দলে প্ৰদৰ্শন কৰে বিহু। তদুপৰি খুমটাই সমষ্টিৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বিশ হেজাৰোধিক জনতাক মাছে-মঙহে বিহুভাত খুৱালে বিধায়ক মৃণাল শইকীয়াই। সম্পূৰ্ণ শৃংখলাৱদ্ধতাৰে ৰূপায়িত উৎসৱটিত 'গ্ৰীণ খুমটাই'ৰ এটা বৃহৎ দলে আপ্যায়ন কৰে অতিথিসকলক। 'খুমটাই ব'হাগী উৎসৱ'ত বিশেষ আকৰ্ষণ হৈ পৰে দিছপুৰ সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী তথা প্ৰাক্তন বিজেপি নেতা জয়ন্ত দাস, অসম জাতীয় পৰিষদৰ সৰুপথাৰ সমষ্টিৰ প্ৰাৰ্থী তথা প্ৰাক্তন বিজেপি নেতা জীৱন চুতীয়া আৰু অসম জাতীয় পৰিষদৰ সম্পাদক ৰাজু ফুকন। ভিন ভিন ক্ষেত্ৰৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ পিছতো বিহুৰ বাকৰিত উপস্থিত হৈ সকলোৰে জনাই বিহুৰ ওলগ। খুমটাইৰ বিধায়ক মৃণাল শইকীয়াই বিহুৱান যাঁচি আদৰণি জনাই বিহুতলীলৈ। ৰাজনৈতিকভাৱে ভিন্ন আদৰ্শৰ যদিও ব্যক্তিগতভাৱে মধুৰ সম্পৰ্কৰ বাবেই বিহুলৈ অহা বুলি মন্তব্য জয়ন্ত দাস আৰু জীৱন চুতীয়াৰ। আটাইকেইজনৰে শিপা বিজেপি আৰু তিনিওজনেই ভাজপাৰ পুৰণি সতীৰ্থ বুলি উল্লেখ কৰি ভৱিষ্যতৰ দিনত এটা বিশেষ শক্তিৰ বিৰুদ্ধে যুঁজ দিয়াৰ ইংগিত জয়ন্ত দাসৰ। খুমটাই ব'হাগী উৎসৱত জয়ন্ত দাস আৰু জীৱন চুতীয়াৰ উপস্থিতিক লৈ সৰৱ চৰ্চা ৰাজ্যৰ ৰাজনৈতিক মহলত। ব'হাগী উৎসৱটিৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা Green Khumtaiৰ সদস্যসকলৰ লগতে সকলোকে কৃতজ্ঞতা জনাইছে বিধায়ক মৃণাল শইকীয়াই। অতি শৃংখলাবদ্ধভাৱে বিহুৰ এক সুন্দৰ আয়োজনৰ বাবে মৃণাল শইকীয়াৰ শলাগ লৈছে সকলোৱে।

# পহিলা ব'হাগত চেলেংহাট প্ৰেছ ক্লাৱৰ ভকত সেৱা

**অসম বাৰ্তা, চেলেংহাট, ১৬ এপ্ৰিল ঃ** চেলেংহাট অঞ্চলৰ সংবাদ সেৱী সকলৰ উমৈহতীয়া মঞ্চ চেলেংহাট প্ৰেছ ক্লাৱে পূৰ্বৰ বছৰবোৰৰ দৰে এইবাৰো পহিলা ব'হাগৰ দিনা অঞ্চলটোৰ সমাজ জীৱনলৈ বিভিন্ন ক্ষেত্ৰত নিজা কৰ্মৰাজীৰে বহুমূলীয়া অৰিহনা আগবঢ়োৱা কেইজনমান নেপথ্যৰ জ্যেষ্ঠ ব্যক্তিক ৰাজহুৱাভাৱে সেৱা আৰু সম্বৰ্ধনা জনায়। এই উপলক্ষে এই বৰ্ষত চেলেংহাট অভয়পুৰীয়া গাঁৱৰ ভলকচুক নামঘৰত তিনিজন বয়োজেষ্ঠ ব্যক্তিক সেৱা আৰু সম্বৰ্ধনা জ্ঞাপন কৰে। প্ৰেছ ক্লাবৰ সভাপতি মদন মোহন পাগবন্ধাই আঁত ধৰা অনুষ্ঠানটোত ভলকচুক গাঁৱৰ ক্ৰমে হৰেন বৰা, দেৱেশ্বৰ বৰা আৰু গংগাধৰ বৰাক ৰাজহুৱাভাৱে সেৱা আৰু সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত চেলেংহাট প্ৰেছ ক্লাৱৰ সম্পাদক অনুৰাগ শইকীয়া, সহঃ সম্পাদক দেৱবিকাশ দত্ত, সমাজকৰ্মী বিপিন বৰাকে ধৰি ভলকচুক নামঘৰ পৰিচালনা সমিতিৰ সভাপতি সম্পাদক আৰু বহু কেইজন জ্যেষ্ঠ ভকত বৈষ্ণৱ তথা গণ্য মান্য ব্যক্তি উপস্থিত থাকে।

**মুকালমুৱাৰ টেঘেৰিয়াট্টাৰী গাঁৱৰ জাগৃতিয়ে সমাজ বিজ্ঞানত লাভ কৰিলে ১০০ শতাংশ নম্বৰ**

# চি.বি.এছ.ইৰ দশম শ্ৰেণীৰ পৰীক্ষাত ৯৬ শতাংশ নম্বৰেৰে উজলিল জাগৃতি মেধি

**অসম বাৰ্তা, দৌলাশাল, ১৬ এপ্ৰিল ঃ** কালি ঘোষিত চি.বি.এছ.ইৰ দশম শ্ৰেণীৰ পৰীক্ষাৰ ফলাফলত উজলি উঠিছে মুকালমুৱাৰ জাগৃতি মেধি। নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত টেঘেৰিয়াট্টাৰী গাঁৱৰ নিবাসী তথা ধাৰাপুৰস্থিত পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° নৃপেন্দ্ৰনাথ মেধি আৰু জুতিকা মেধিৰ জ্যেষ্ঠ কন্যা জাগৃতি মেধিয়ে চি.বি.এছ.ইৰ দশম শ্ৰেণীৰ পৰীক্ষাত ৯৬.৪ শতাংশ নম্বৰেৰে সুখ্যাতি লাভ কৰিছে। গুৱাহাটীৰ গীতামন্দিৰস্থিত গুৰুকুল গ্ৰামাৰ চিনিয়ৰ চেকেণ্ডাৰীৰ ছাত্ৰী জাগৃতিয়ে সমাজ বিজ্ঞানত ১০০, অসমীয়াত ৯৭, বিজ্ঞানত ৯৬, ইংৰাজীত ৯৫, তথ্য প্ৰযুক্তি বিষয়ত ৯৪ সহ মুঠ ৪৮২ নম্বৰ লাভ কৰি সুখ্যাতি অৰ্জন কৰিছে। মেধাৱী ছাত্ৰীগৰাকীৰ সাফল্যত পিতৃ-মাতৃসহ পৰিয়ালটোৰ মাজত আনন্দ-উল্লাস দেখিবলৈ পোৱা গৈছে। ছাত্ৰীগৰাকীৰ সফলতা টেঘেৰিয়াট্টাৰী গাঁৱৰ লগতে বৰক্ষেত্ৰীৰ শৈক্ষিক মহলত ব্যাপক চৰ্চা লাভ কৰিছে। জাগৃতিৰ এই সফলতাত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ তথ্য আৰু যোগাযোগ বিভাগৰ সচিব মৃণাল বৰ্মন, এছএফআইৰ নলবাৰী জিলা সমিতিৰ প্ৰাক্তন সম্পাদক গাজিউৰ ৰহমান চৌধুৰীকে প্ৰমুখ্য কৰি বিভিন্নজন ব্যক্তিয়ে শুভেচ্ছা জ্ঞাপন কৰিছে। জাগৃতিয়ে বিজ্ঞান শাখাত নামভৰ্তি কৰি ভৱিষ্যতে এগৰাকী সুচিকিৎসক হোৱাৰ সপোন মনত পুহি ৰাখিছে বুলি জানিবলৈ দিয়ে।

# দবা খেলত চেম্পিয়নশ্বিপ অৰ্জন চাহিদা আঞ্জুমৰ

**অসম বাৰ্তা, বৰপেটাসদৰ, ১৬ এপ্ৰিল ঃ** বৰপেটাৰ কিংছগাম্বিত একাডেমীৰ সৌজন্যত ৯১৮ নং মেটুৰাকুছি প্ৰাথমিক বিদ্যালয়ত ১২ এপ্ৰিলত অনুষ্ঠিত হোৱা ১৭ বছৰৰ অনুৰ্ধৰ দবা খেল প্ৰতিযোগিতাত ছোৱালী শাখাত চেম্পিয়নশ্বিপ অধিকাৰ কৰে চাহিদা আঞ্জুমে। চেণ্ট টেৰেছা ইংলিছ মিডিয়াম স্কুলৰ অষ্টম শ্ৰেণীৰ মেধাৱী ছাত্ৰী চাহিদা আঞ্জুমে অসমৰ বিভিন্ন ঠাইত দবা খেলি পুৰস্কাৰ লাভ কৰাৰ উপৰিও শাস্ত্ৰীয় সংগীত, নৃত্য, আবৃত্তি আদি বিভিন্ন প্ৰতিযোগিতাত সফলতাৰে পুৰস্কাৰ লাভ কৰি আহিছে। চাহিদা আঞ্জুম মাতৃ আনোৱাৰা ৰছুল আৰু পিতৃ ৰাণাউদ্দিন আহমেদৰ একমাত্ৰ সন্তান। তেওঁৰ সফলতাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিছে তেওঁ প্ৰশিক্ষণ লৈ থকা কিংছগাম্বিত দবা একাডেমীৰ ধ্ৰুৱজ্যোতি তালুকদাৰ (ৰাষ্ট্ৰীয় প্ৰশিক্ষক), বৰপেটা জিলা দবা সন্থা, তেওঁ অধ্যায়নৰত বৰপেটা চেণ্ট টেৰেছা ইংলিছ মিডিয়াম স্কুল কৰ্তৃপক্ষ, লগতে বৰপেটা জিলাৰ বিভিন্ন প্ৰান্তৰ বিভিন্নজনে। প্ৰতিযোগিতাখন পৰিচালনা কৰে ৰাষ্ট্ৰীয় আৰ্বিতৰ যথাক্ৰমে হোমেন চন্দ্ৰ ৰাভা, চন্দনা তালুকদাৰ আৰু উৎপল বৈশ্য। বঁটা বিতৰণীত উপস্থিত থাকে জ্যেষ্ঠ প্ৰশিক্ষক দ্বিজেন্দ্ৰ নাথ দাস, দক্ষ খেলুৱৈ চন্দন কুমাৰ দাস আৰু ৯১৮ নং মেটুৰাকুছি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক পৰন্তপ সূত্ৰধৰ। অসমৰ বিভিন্ন জিলাৰ ক্ৰমে বৰপেটা, নলবাৰী, বঙাইগাঁও, কামৰূপ আদি মুঠ ৯১ গৰাকী দবা খেলুৱৈ অংশ গ্ৰহণ কৰে। প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি স্থান লাভ কৰা খেলুৱৈ সকলক নগদধন, ট্ৰেফি, মেডেল আৰু মানপত্ৰ প্ৰদান কৰে।

# নৱাৰুণ সাহিত্য সভাৰ উদ্যোগত পহিলা ব'হাগত ৫ বয়োজ্যেষ্ঠক বিহুৰ ওলগ

**অসম বাৰ্তা, মিৰ্জা, ১৬ এপ্ৰিল ঃ** অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাই প্ৰতিবছৰে পহিলা ব'হাগৰ দিনটো 'নিজৰ দিন' হিচাপে উদযাপন কৰি আহিছে। এই অনুষ্ঠানৰ জৰিয়তে অসম সাহিত্য সভাই অসমীয়াৰ কৃষ্টি-সংস্কৃতিৰ বিকাশ আৰু জাতীয় জীৱনত গুৰুত্বপূৰ্ণ অৱদান ৰখা ব্যক্তিসকলক সন্মানীত কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। পহিলা ব'হাগত 'নিজৰ দিন' অনুষ্ঠানটিৰ অংশ হিচাপে অসম সাহিত্য সভাৰ স্বীকৃতিপ্ৰাপ্ত শতদল শাখা নৱাৰুণ সাহিত্য সভাই আমৰাঙা-বৰিহাট অঞ্চলৰ ৬৫ বছৰ বয়সৰ উৰ্দ্ধৰ জাতীয় জীৱনৰ লগত সম্পৃক্ত হৈ থকা পাচগৰাকী ব্যক্তিৰ বাসগৃহত গৈ সন্মান প্ৰদৰ্শন তথা বিহুৰ শুভেচ্ছা জ্ঞাপন কৰিছে। যোৱা ১৫ এপ্ৰিলত কামৰূপ জিলা সাহিত্য সভাৰ অন্তৰ্গত



সাহিত্যানুষ্ঠানটোৰ প্ৰতিনিধি দলে বৃহত্তৰ আমৰাঙা-বৰিহাট অঞ্চলৰ উৰপুতৰ জগত চন্দ্ৰ কলিতা, আমৰাঙাৰ নগেন্দ্ৰ নাথ দাস, খৰাপাৰাৰ দেৱেশ্বৰ মেধি, ধোপগুৰিৰ সুৰেন শৰ্মা আৰু বৰফুলগুৰিৰ হৰেন চন্দ্ৰ দাসক সম্ভাষণ জনাই। প্ৰতিনিধিসকলে গামোচা, গ্ৰন্থৰ টোপোলা, ওলগনি পত্ৰ আৰু তামোল পানেৰে সেৱা জনাই বিহুৰ ওলগ যাচে। সভাপতি উপেন্দ্ৰ নাথ ঠাকুৰীয়াৰ নেতৃত্বত যোৱা দলটোত উপ সভাপতি ৰামচৰন দাস, সম্পাদক মিতুমনি দাস, সহকাৰী সম্পাদকদ্বয় অনন্ত কলিতা, প্ৰাণেশ্বৰ কলিতা, প্ৰাক্তন সভাপতি ক্ৰমে কিৰণ কলিতা, ভদ্ৰেশ্বৰ দাস, ক্ষীৰোদ বৰুৱাকে প্ৰমুখ্য কৰি প্ৰাক্তন তথা বৰ্তমানৰ বিষয়ববীয়া আৰু সদস্য-সদস্যাসকল উপস্থিত থাকে।

# তিনিচুকীয়াৰ জ্যেষ্ঠ সাংবাদিক হীৰালাল শৰ্মাৰ দেহাৱসান; সাংবাদিক মহলত শোকৰ ছাঁ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ১৬ এপ্ৰিল ঃ** বাপতি সাহোন ৰঙালী বিহুৰ আনন্দ-উল্লাসৰ মাজতে এটি দুঃখবৰ। পহিলা ব'হাগৰ দিনাই তিনিচুকীয়া জিলাৰ জ্যেষ্ঠ সাংবাদিক হীৰালাল শৰ্মাৰ দেহাৱসান। মৃত্যুৰ সময়ত তেখেতৰ বয়স হৈছিল ৬০ বছৰ। যোৱা কিছুদিন ধৰি অসুস্থ হৈ থকা, তিনিচুকীয়া জিলাৰ এগৰাকী জ্যেষ্ঠ সাংবাদিক, তিনিচুকীয়াৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত সৰ্বৰহী ব্যক্তি তথা বিশিষ্ট সমাজকৰ্মী হীৰালাল শৰ্মাৰ মৃত্যুত জিলাখনৰ সাংবাদিক মহলৰ উপৰি তিনিচুকীয়াত যথেষ্ট শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে, তিনিচুকীয়াত সকলোৰে মাজত 'হীৰা ভাই' ৰূপে পৰিচিত, জ্যেষ্ঠ সাংবাদিক হীৰালাল শৰ্মাই নেচনেল চেম্বাৰ অৱ কমাৰ্চ, তিনিচুকীয়াৰ দুটা কাৰ্যকালৰ সভাপতিৰ আসন অলংকৃত কৰা উপৰি তিনিচুকীয়া ব্ৰাহ্মণ সমাজৰ সভাপতি, তিনিচুকীয়া প্ৰেছক্লাবৰ কাৰ্যনিৰ্বাহক সদস্য, মাৰোৱাৰী পঞ্চায়তী ধৰ্মশালা, শ্ৰী হনুমান মন্দিৰ সমিতি, ডি এম লোহিয়া ৰোড ট্ৰেডছ এচোচিয়েচনৰ সৈতে ওত:প্ৰোতভাৱে জড়িত আছিল। জ্যেষ্ঠ সাংবাদিকগৰাকীৰ মৃত্যুৰ খবৰ বিয়পি পৰা লগে লগে তিনিচুকীয়া পৌৰসভাৰ পৌৰপতি পুলক চেতিয়া, তিনিচুকীয়া সমষ্টিৰ বিজেপি প্ৰাৰ্থী পুলক গোহাঁই, তিনিচুকীয়া প্ৰেছ ক্লাৱৰ সভাপতি কমল তালুকদাৰকে ধৰি আন আন বিষয়ববীয়া/সদস্য, তিনিচুকীয়া আইন মহাবিদ্যালয়ৰ অধ্যক্ষ সঞ্জয় খৈতান, বিশিষ্ট সমাজকৰ্মী ৰামজীৱন সুৰেকা, তিনিচুকীয়া নেচনেল চেম্বাৰ অৱ কমাৰ্চ, ব্ৰাহ্মণ সভা, জাগৃতি শাখা, পাৰিক সভা, মাৰোৱাৰী সন্মিলন, মাৰোৱাৰী যুৱ মঞ্চ, মায়ুম প্ৰগতি শাখা, আগৰৱালা সন্মিলন, জৈন সমাজ, তিনিচুকীয়া সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পুৰঞ্জয় বৰাসহ বিভিন্নজনে এক শোকাকুল পৰিৱেশত জ্যেষ্ঠ সাংবাদিক গৰাকীক শ্ৰদ্ধাঞ্জলি যাচে। সাংবাদিক হীৰালাল শৰ্মাই মৃত্যুৰ সময়ত পত্নী আৰু একমাত্ৰ পুত্ৰক ইহসংসাৰত এৰি থৈ যায়। বিয়লি বিভিন্ন ভাষা-ভাষী লোকৰ উপস্থিতিত তিনিচুকীয়াৰ সৰ্বজনীন শ্মশানত জ্যেষ্ঠ সাংবাদিকগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। হীৰা ভাইৰ মৃত্যুত আসাম প্ৰেছ কৰেছপণ্ডেণ্টছ ইউনিয়ন (আপকু)ৰ তিনিচুকীয়া জিলা সমিতি, জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আসাম (জুৱা)ৰ তিনিচুকীয়া জিলা সমিতি, তিনিচুকীয়া জিলা সাংবাদিক সন্থা, বৃহত্তৰ তিনিচুকীয়া সাংবাদিক সন্থা, তিনিচুকীয়া প্ৰেছ ক্লাব, মাকুম প্ৰেছ ক্লাব, ডুমডুমা প্ৰেছক্লাব, ছৈখোৱা প্ৰেছ ক্লাব, বৃহত্তৰ কাকপথাৰ প্ৰেছ ক্লাব, কাকপথাৰ প্ৰেছক্লাব, শদিয়া প্ৰেছক্লাব আদিয়ে শোক প্ৰকাশ কৰিছে।

**ৰামধনু শতদল শাখা সাহিত্য সভাই ঘৰে-ঘৰে গৈ ওলগনি**

# মাজুলীত পহিলা বহাগত অসম সাহিত্য সভাৰ নিজৰ দিন পালন

**অসম বাৰ্তা, উজনী মাজুলী, ১৬ এপ্ৰিল ঃ** অসম সাহিত্য সভাৰ নিৰ্দেশনা অনুসৰি মাজুলী জিলা সাহিত্য সভাৰ অন্তৰ্গত প্ৰতিটো শাখাই সমাজৰ বিভিন্ন দিশলৈ বৰঙনি যোগোৱা ব্যক্তি সকলক পহিলা বহাগৰ দিনা নিজা নিজা গৃহত গৈ ওলগনি পত্ৰ গ্ৰন্থৰ টোপোলা অংগোবস্ত্ৰৰে আদৰণি জনায়। মাজুলীৰ অন্যতম শাখা সাহিত্য সভা ৰামধনু শতদল সাহিত্য সভায়ো শাখাৰ অন্তৰ্গত চাৰিগৰাকী ব্যক্তিক গৃহে-গৃহে গৈ সম্বৰ্ধন জনায়। এই বছৰ সোণালীজয়ন্তী বৰ্ষৰ আয়োজন কৰা ৰামধনু শতদল শাখাসাহিত্য সভাৰ সভাপতি সম্পাদক ক্ৰমে ডিম্বেশ্বৰ দত্ত আৰু সমিৰণ গোস্বামীৰ নেতৃত্বত যোৱা এটি দলে শাখা প্ৰাক্তন সভাপতি অৱসৰি শিক্ষা বিষয়া সমাজকৰ্মী জগন্নাথ দুৱৰীয়া, মাজুলী মহাবিদ্যালয়ৰ অৱসৰি ভাৰপ্ৰাপ্ত অধ্যক্ষ, ৰামধনু শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সাংস্কৃতিক কৰ্মী ডঃ আনন্দ হাজৰিকা, মাজুলী সামাজিক জীৱনৰ এগৰাকী পৰিচিত মহিলা বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত অশিতিপৰ সৰোজ দত্ত আৰু জলসম্পদ বিভাগৰ অৱসৰি অভিযন্তা বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত মাজুলী মিলন সংঘৰ অক্লান্ত কৰ্মী ৰাজেন বৰুৱাক একোখনি মানপত্ৰ গ্ৰনথৰ সম্বৰ্ধনা জনায়। বহাগৰ পহিলা দিনটোতে সাহিত্য সভাৰ ব্যক্তি সকলগৈ ওলগনি জনোৱা প্ৰতিগৰাকী ব্যক্তিৰ পৰিয়াল বৰ্গ লোক সকলক আদৰিনি অসমীয়াৰ স্বভিমান স্বৰূপ একোখনি গামোচাৰে শুভেচ্ছা জনোৱাৰ উপৰি গুৱাপানেৰ শৰাইৰে সেৱা নিবেদন কৰে। সাহিত্য সভা দলটিত ৰামধনুৰ সভাপতি সম্পাদকৰ উপৰি উপদেষ্টা নৰেনচন্দ্ৰ ঠাকুৰীয়া কৃষ্ণকমল শইকীয়া আৰতি বৰা ডলী বৰুৱা ধ্ৰুৱজ্যোতি বৰা অমৰজ্যোতি বৰাই অংশগ্ৰহণ কৰে।

# ৰূপহীহাটৰ বৰঘাটৰ আদৰ্শ শিক্ষক নুৰ আহমেদৰ বিয়োগ, অঞ্চলজুৰি শোক

**অসম বাৰ্তা, ৰূপহীহাট, ১৬ এপ্ৰিল ঃ** কোনো দিন বিদ্যালয় ক্ষতি নকৰা, চাকৰি কালত কোনো দিন ছুটি নোলোৱা এগৰাকী আদৰ্শ শিক্ষকৰ আজি পৰলোকপ্ৰাপ্তি ঘটাত ৰূপহীহাটত শোকৰ ছাঁ পৰিছে। বৰঘাট গাঁৱৰ বাসিন্দা আদৰ্শ শিক্ষক নুৰ আহমেদে বৰঘাট মধ্য ইংৰাজী বিদ্যালয়ত চাকৰি জীৱনৰ পাতনি মেলি পাছত অন্যান্য বিদ্যালয়ত দায়িত্ব পালন কৰিছিল। শিক্ষকতা কালৰ অধিক সময়েই বৰঘাট মধ্য ইংৰাজী বিদ্যালয়ত অতি নিষ্ঠাৰে নিজৰ দায়িত্ব পালন কৰিছিল। ইয়াৰ পাছত বালিকা আৰু দক্ষিণ জিউমাৰী হাইমাদ্ৰাছাৰ পৰা প্ৰধান শিক্ষক হিচাপে ২০২২ চনত অৱসৰ গ্ৰহণ কৰিছিল। কৃতী শিক্ষক নুৰ আহমেদে শিক্ষকতা জীৱনত অকল শৈক্ষিক অনুষ্ঠানতে সীমিত দায়িত্ব পালনতে সীমাবদ্ধ নাথাকি গ্ৰামাঞ্চলত শিক্ষাৰ প্ৰতি সজাগতা সৃষ্টিৰ বাবেও প্ৰয়াস কৰিছিল। চাকৰি জীৱনত কোনো দিন বিদ্যালয় ক্ষতি নকৰা আৰু ছুটি নোলোৱাৰ বাবে সমগ্ৰ জিলাখনতে শৈক্ষিক মহলত তেখেতৰ দায়িত্ব নিষ্ঠাই চৰ্চা লাভ কৰিছিল। আজি সেই গৰাকী মহান শিক্ষকৰ ৬৯ বছৰ বয়সত পৰলোকপ্ৰাপ্তি ঘটে। প্ৰয়াত শিক্ষক গৰাকীয়ে আদৰ্শৱান শিক্ষকৰ নিদৰ্শন দাঙি ধৰা বাবে ২০২১ বৰ্ষত এ এন নিউজ চেনেলৰ তৰফৰ পৰা "আদৰ্শ শিক্ষকৰ সন্মান" লাভ কৰিছিল। শিক্ষকতাৰ মাজতে কিছু বছৰ চিআৰচিচি হিচাপেও দায়িত্ব পালন কৰা প্ৰয়াত আহমেদ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ দ্বাৰাও সন্মানিত আৰু সম্বৰ্ধিত হৈছিল। শিক্ষকতাক এৰি থাকিব নোৱাৰা প্ৰয়াত আহমেদে অৱসৰ লোৱাৰ পাছতো কেইবাখনো ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ সৈতে জড়িত হৈ শিক্ষাৰ পোহৰ বিলাইছিল। আজি তেখেতৰ মৃত্যুৰ লগে-লগে বিভিন্ন জনে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত কৃতী শিক্ষক নুৰ আহমেদে পুত্ৰ-কন্যাসহ কেইবাগৰাকী আত্মীয়ক এৰি থৈ যায়। চিৰ জীৱন শিক্ষাৰ নামত উচৰ্গিত কৰা শিক্ষকগৰাকীৰ আজি দুপৰীয়া ২ বজাত বৰঘাট মধ্য ইংৰাজী বিদ্যালয় আৰু বৰঘাট ঈদগাহ মাঠত জানাজা নামাজ সম্পন্ন কৰা হয়।

# বিশ্বনাথৰ ৪৪১ বছৰীয়া গোহাঁই বিহুৰ পৰম্পৰা উদ্‌যাপন

**অসম বাৰ্তা, বিহালী, ১৬ এপ্ৰিল ঃ** আজি গোসাঁই বিহু। আজিৰ দিনটোত গুপ্তকাশী বিশ্বনাথ ঘাটত অনুষ্ঠিত হয় গোঁসাই ফুৰোৱা উৎসৱ। ১৬৮৪ চনত আহোম ৰজা গদাধৰ সিংহই আৰম্ভ কৰিছিল গোসাঁই ফুৰুৱা উৎসৱ। বিশ্বনাথ দেৱালয়ৰ পৰা ৫ কিলোমিটাৰ খোজকাঢ়ি গোসাঁইক কান্ধত উঠাই ভিৰগাৱঁলৈকে নি কাইধাপত দিনটোৰ বাবে প্ৰতিষ্ঠা কৰা হয় আৰু পুনৰ বিয়লি গোসাইক দেৱালয়লৈ ওভতাই অনা হয়। প্ৰতিবছৰে এই উৎসৱত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা লোকে কৰেহি ভিৰ। এই পৰম্পৰা চলি আহিছে আজিৰ পৰা প্ৰায় ৩৪২ বছৰ পূৰ্বে আহোম যুগৰ পৰা। মঠ-মন্দিৰ দেৱালয় সমৃদ্ধ তথা বুৰঞ্জীপ্ৰসিদ্ধ ঐতিহাসিক গুপ্তকাশী বিশ্বনাথ ঘাটৰ প্ৰায় ২৭খন দেৱালয়ৰ ভিতৰত অন্যতম প্ৰধান বিশ্বনাথ দেৱালয়ত গোসাঁই বিহুৰ দিনাখন বিশ্বনাথৰ বিভিন্ন প্ৰান্তৰ অগণণ ভক্তৰ সমাগম দেখা যায়। গোসাঁই বিহুৰ দিনটোত বিশ্বনাথ দেৱালয়ৰ পৰা গোসাইক গুপ্তকাশী বিশ্বনাথ ঘাটৰ উত্তৰ দিশে অৱস্থিত ভিৰগাৱত চলি অহা পৰম্পৰা অনুসৰি গোঁসাইক দোলাত বহুৱাই লৈ যোৱা হয় অস্থায়ী উপাসনাস্থলীলৈ আৰু নিশাৰ ভাগত পুনৰ গোসাইক পূৰ্বৰ স্থান অৰ্থাৎ বিশ্বনাথ দেৱালয়লৈ লৈ অনা হয়। গোসাইৰ যাত্ৰা পথত প্ৰতি ঘৰ গৃহস্থীয়ে সেৱা জনাই বছৰটোৰ কুশল মংগলৰ বাবে আশীৰ্বাদ লয়।

# মাণিকপুৰ গেৰুকাবাৰীত ড্ৰাগচসহ দুগৰাকী সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, মাণিকপুৰ, ১৬ এপ্ৰিল ঃ** বঙাইগাঁও জিলাৰ মাণিকপুৰ আৰক্ষী থানাৰ অন্তৰ্গত গেৰুকাবাৰী অঞ্চলত বৃহস্পতিবাৰে আৰক্ষীয়ে এক সফল অভিযান চলাই বৃহৎ পৰিমাণৰ সন্দেহযুক্ত হেৰইন জব্দ কৰিবলৈ সক্ষম হয়। এই অভিযানত গেৰুকাবাৰী তহলদাৰী আৰক্ষীৰ লগতে RFT Lower Assamৰ দলেও অংশগ্ৰহণ কৰে। আৰক্ষীৰ সূত্ৰে জানিব পৰা মতে, গোপন তথ্যৰ ভিত্তিত গেৰুকাবাৰী চাৰিআলিৰ সমীপত এই যুটীয়া অভিযান চলোৱা হৈছিল। অভিযান চলোৱাৰ সময়তে আৰক্ষীয়ে AS 01FW2487 নম্বৰৰ এখন স্কুটী আটক কৰি তল্লাচী চলায়। তল্লাচীৰ সময়ত স্কুটীখনৰ নম্বৰ প্লেটৰ ভিতৰত অতি কৌশলে লুকুৱাই ৰখা ৫০টা কণ্টেইনাৰ উদ্ধাৰ কৰা হয়। এই কণ্টেইনাৰসমূহত সন্দেহযুক্ত হেৰইন ভৰ্তি আছিল বুলি আৰক্ষীয়ে জনায়। জব্দ কৰা হেৰইনৰ মুঠ ওজন প্ৰায় ৬১.৩২ গ্ৰাম বুলি নিশ্চিত কৰা হৈছে। এই ঘটনাৰ সৈতে জড়িত অভিযোগত আৰক্ষীয়ে চিৰাঙ জিলাৰ বৰতোলৰা নিবাসী ৰেজাউল ৰহমান (২৮) আৰু ফাৰুক আহমেদ (২৫) নামৰ দুজন লোকক আটক কৰে। তেওঁলোকে এই হেৰইনখিনি স্কুটীৰ নম্বৰ প্লেটৰ ভিতৰত লুকুৱাই লৈ যোৱাৰ সময়তে আৰক্ষীৰ জালত পৰে। আৰক্ষীয়ে দুয়ো অভিযুক্তক নিজৰ জিম্মাত ৰাখি অধিক তথ্য উদ্ধাৰৰ বাবে সোধ-পোছ অব্যাহত ৰাখিছে। লগতে এই ড্ৰাগছ সৰবৰাহ চক্ৰৰ সৈতে আৰু কাক কাক জড়িত আছে সেই বিষয়ে তদন্ত চলাই থকা হৈছে বুলি আৰক্ষী সূত্ৰে প্ৰকাশ পাইছে। এই ঘটনাই অঞ্চলটোত ড্ৰাগছ সৰবৰাহৰ বিৰুদ্ধে আৰক্ষীৰ কঠোৰ ব্যৱস্থা আৰু সজাগতাৰ এক স্পষ্ট দৃষ্টান্ত আগবঢ়ালে। উল্লেখযোগ্য যে, অসম আৰক্ষীয়ে শেহতীয়াকৈ ড্ৰাগছৰ বিৰুদ্ধে ৰাজ্যজুৰি ব্যাপক অভিযান অব্যাহত ৰাখিছে আৰু এনে সফল অভিযানসমূহে এই অবৈধ ব্যৱসায় ৰোধত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে বুলি ৰাইজৰ মাজত আশা প্ৰকাশ পাইছে।

# ৰূপহীহাটত গ্ৰেপ্তাৰ ডকাইত

**অসম বাৰ্তা, ৰূপহীহাট, ১৬ এপ্ৰিল ঃ** ৰূপহীহাট আৰক্ষীয়ে য়োৱানিশা অভিযান চলায় এজন ডকাইত গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ডকাইতজনৰ নাম মুকছিদুল ইছলাম ওৰফে মুশু। যোৱা ৫ এপ্ৰিলৰ নিশা কাঠপাৰাত সংঘটিত হোৱা ভয়ংকৰ ডকাইতি কাণ্ডৰ মূল মাষ্টাৰ মাইণ্ড আছিল ধৃত ডকাইতটো। কাঠপাৰাৰ মোজাম্মিল হক চৌধুৰী নামৰ লোকজনৰ ঘৰত ১০-১২ জনীয়া ডকাইতৰ দলে চলাইছিল লুট-পাত। ৰাইজৰ প্ৰহাৰৰ বলি হৈ চিকিৎসালয়ত মৃত্যু হৈছিল তিনি ডকাইতৰ তাৰে কেইবাজনো ডকাইত ৰাইজৰ বেহু ফালি পলায়ন কৰিছিল। যোৱা সোমবাৰে একেটা ডকাইতি কাণ্ডৰ লগত জড়িত থকাৰ অভিযোগত আমবাগান আৰক্ষীয়ে ইজাজুল হক নামৰ ডকাইতটোক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিছিল। উক্ত ডকাইতি কাণ্ডত জড়িত থকাৰ অভিযোগত আজি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি মুকছিদুলক জেল হাজোতলৈ প্ৰেৰণ কৰে।

সম্পাদকীয়

# লোকসভাৰ আসন বৃদ্ধিৰ প্ৰস্তাৱ আৰু মহিলা সংৰক্ষণৰ পথ

কেন্দ্ৰীয় চৰকাৰে লোকসভাৰ আসন সংখ্যা বৰ্তমানৰ ৫৪৩খনৰ পৰা ৮৫০খনলৈ বৃদ্ধি কৰাৰ এক গুৰুত্বপূৰ্ণ প্ৰস্তাৱ আগবঢ়াইছে। এই পদক্ষেপক চৰকাৰে মহিলা সংৰক্ষণ আইন কাৰ্যকৰী কৰাৰ বাবে এক অতি প্ৰয়োজনীয় চৰ্ত হিচাপে উত্থাপন কৰিছে। প্ৰস্তাৱ অনুসৰি, আসন বৃদ্ধিৰ পিছত ৮১৫খন আসন ৰাজ্যসমূহক আৰু ৩৫খন কেন্দ্ৰীয় শাসিত অঞ্চলক আবণ্টন কৰা হ'ব। ২০২৯ চনৰ নিৰ্বাচনৰ পৰা এই ব্যৱস্থা কাৰ্যকৰী হ'ব বুলি আশা কৰা হৈছে। কিন্তু এই বৃহৎ পৰিৱৰ্তনে সমাজৰ বিভিন্ন স্তৰত প্ৰশ্ন আৰু উদ্বেগৰ সৃষ্টি কৰিছে।

প্ৰথমতে, মহিলা সংৰক্ষণ আইনৰ পথ মুকলি হোৱাটো নিঃসন্দেহে এক আদৰণীয় পদক্ষেপ। সংসদ আৰু ৰাজ্যিক বিধানসভাত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণৰ দাবী দশক দশক ধৰি উত্থাপিত হৈ আহিছে। এই আইন কাৰ্যকৰী হ'লে মহিলাৰ ৰাজনৈতিক অংশগ্ৰহণ উল্লেখযোগ্যভাৱে বৃদ্ধি পাব আৰু সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত লিংগ সমতা সুস্থিৰ হ'ব বুলি আশা কৰিব পাৰি। কিন্তু সন্দেহৰ আঁৰ নাই - আসন বৃদ্ধি নোহোৱাকৈ বৰ্তমানৰ সীমিত সংখ্যক আসনৰ ভিতৰতে মহিলা সংৰক্ষণ কাৰ্যকৰী কৰিলে বৰ্তমানৰ বহু পুৰুষ সাংসদৰ আসন সংকুচিত হোৱাৰ আশংকা আছে। সেই কাৰণেই চৰকাৰে আসন বৃদ্ধিৰ যোগেৰে এটা 'নতুন পাই' সৃষ্টি কৰি সংৰক্ষণ প্ৰণালীক সহজ কৰি তোলাৰ চেষ্টা কৰিছে।

কিন্তু সাধাৰণ নাগৰিকৰ মনত বহু প্ৰশ্নৰ উত্থাপন হৈছে। প্ৰথম প্ৰশ্ন — ২০১১ চনৰ লোকপিয়লৰ তথ্যৰ ভিত্তিত সমষ্টি পুনৰনিৰ্ধাৰণ কৰাটো কিমান যুক্তিসংগত? ২০২১ চনৰ লোকপিয়লৰ তথ্য ইতিমধ্যে উপলব্ধ, কিন্তু চৰকাৰে কিয় সেই তথ্য আওকাণ কৰি পুৰণি তথ্য ব্যৱহাৰ কৰিব বিচাৰিছে? বিৰোধী দলসমূহৰ এই প্ৰশ্ন বৈধ। জনসংখ্যাৰ বিতৰণ দ্ৰুতগতিত সলনি হৈছে, বিশেষকৈ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত জনসংখ্যা নিয়ন্ত্ৰণৰ সফলতাৰ বাবে তাত আসনৰ সংখ্যা তুলনামূলকভাৱে হ্ৰাস পাব পাৰে। আনহাতে, উত্তৰ প্ৰদেশ, বিহাৰ আদি ৰাজ্যৰ আসন বৃদ্ধি পাব। এই ক্ষেত্ৰত অসমৰ দৰে ৰাজ্যই লোকসভাত নিজৰ প্ৰতিনিধিত্ব হেৰুওৱাৰ আশংকা কৰাটো স্বাভাৱিক।

দ্বিতীয়তে, 'সংৰক্ষণৰ ভিতৰত সংৰক্ষণ'ৰ দাবীটো জোৰ শব্দ হৈ উঠিছে। পিছপৰা শ্ৰেণী (OBC)ৰ মহিলাসকলে অনুসূচিত জাতি আৰু জনজাতিৰ মহিলাৰ দৰেই পৃথক কোটা দাবী কৰিছে। চৰকাৰে এই সন্দৰ্ভত এতিয়ালৈকে স্পষ্টীকৰণ দিয়া নাই। যদি কেৱল সাধাৰণ মহিলা সংৰক্ষণ কাৰ্যকৰী কৰা হয়, তেন্তে অগ্ৰণী শ্ৰেণীৰ মহিলাসকলেহে বেছি লাভান্বিত হোৱাৰ সম্ভাৱনা আছে, যিটো সামাজিক ন্যায়ৰ বিৰুদ্ধে যাব।

তৃতীয়তে, সময়সূচীটোৱে প্ৰশ্ন উত্থাপন কৰিছে। কেইবাখনো ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ মাত্ৰ মাহ এটা আগতে এই জৰুৰী অধিৱেশনৰ আয়োজন। বিৰোধী দলসমূহে সন্দেহ কৰিছে যে চৰকাৰে নিৰ্বাচনীৰ বাবে এই দিশ সামৰি লৈছে। আনহাতে, সংবিধান সংশোধনীৰ বাবে চৰকাৰক সংসদত দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতাৰ প্ৰয়োজন, যিটো বিজেপিৰ এককভাৱে নাই। সেয়ে বিৰোধীৰ সমৰ্থন অবিহনে এই প্ৰস্তাৱ ৰূপায়ণ কৰাটো অসম্ভৱ। বিৰোধী দলসমূহে এই সুযোগতে নিজৰ দাবীসমূহ আগবঢ়াই অধিক স্পষ্টতা বিচাৰি আছে — যিটো গণতান্ত্ৰিক প্ৰক্ৰিয়া।

শেষত, সাধাৰণ মানুহৰ মনত এটা প্ৰশ্ন থকাটো স্বাভাৱিক - লোকসভাৰ আসন সংখ্যা বৃদ্ধি কৰিলে প্ৰশাসনিক খৰচ, সাংসদৰ ভাতা-ভূত্তি, আৰু সংসদৰ স্থান সংকুলানৰ সমস্যা কেনেকৈ সমাধান কৰা হ'ব? ইয়াৰ উত্তৰ চৰকাৰে আগতেই দিব লাগিব। মহিলা সংৰক্ষণ এক যুগান্তকাৰী পদক্ষেপ হ'ব পাৰে, কিন্তু ইয়াৰ সৈতে জড়িত সমষ্টি পুনৰনিৰ্ধাৰণ, তথ্যৰ ভিত্তি, আৰু সংৰক্ষণৰ অন্তৰ্বিন্যাসৰ দৰে সূক্ষ্ম বিষয়সমূহৰ ব্যাপক আৰু স্বচ্ছ আলোচনা প্ৰয়োজন। চৰকাৰে বিৰোধী আৰু সমাজৰ প্ৰতিনিধিসকলক সাঙুৰি লৈ এক সৰ্বসন্মত সমাধান বিচাৰি উলিওৱাটোৱেই হ'ব বুদ্ধিমত্তাৰ কাম। তেতিয়াহে এই প্ৰস্তাৱ সঁচা অৰ্থত মহিলাৰ শক্তিকৰণৰ বাট মুকলি কৰিব। অন্যথা, ই নতুন বিভাজনৰো সৃষ্টি কৰিব পাৰে।



বিহু নৃত্য-গীতৰ সৰ্বজনীন আবেদনে নানা জাতি-জনগোষ্ঠীৰ হাজাৰ-হাজাৰ লোকক একোখন বিহুতলীত সমবেত কৰে। অসমৰ নিচিনা জটিল জন-গাঁথনিৰ ৰাজ্য এখনত এনেকুৱা এক সমন্বয় অৱশ্যে আদৰণীয়। কিয়নো বিহুৰ আন এক উজ্জ্বল দিশ হ'ল ইয়াৰ ধৰ্মনিৰপেক্ষ ৰূপ। বিশেষকৈ ব'হাগ বিহু উদ্‌যাপনৰ ক্ষেত্ৰত ধৰ্মীয় উপাদান নিচেই সীমিত। এতিয়া বিহু উদ্‌যাপন মঞ্চ প্ৰধান হৈ পৰাৰ ফলত ধৰ্মীয় উপাদানবোৰ একেবাৰে নগণ্য হৈ পৰিছে। ফলত হিন্দু, মুছলমান, খ্ৰীষ্টান আদিকে কৰি ভিন্ন ধৰ্মাৱলম্বীলোক সমন্বিতে সকলোৱে এই উৎসৱক নিজৰ বুলি আঁকোৱালি লোৱাত সহায়ক হৈছে। সহায়ক হৈছে বিহু উৎসৱটিক নিজৰ বুলি নিঃসন্দেহে, নিঃসংকোচে আঁকোৱালি লোৱাত। সমন্বয়ৰ প্ৰতীক, অসমীয়া জাতিৰ স্বাভিমান ৰঙালী বিহু অসমীয়া জাতিৰ সঞ্জীৱনী শক্তি স্বৰূপ এই বিহুৰ সময়ৰ লগে-লগে বহু পৰিৱৰ্তন ঘটিল।

# বিহু মঞ্চৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব

নিবেদিতা হাজৰিকা

যিবোৰ বিশেষত্বই অসমীয়া জাতিক অনন্যতা প্ৰদান কৰিছে তাৰ ভিতৰত বিহু অন্যতম। অসমৰ পুৰণি অধিবাসী, বিভিন্ন ভাষা-দোৱানেৰে সমৃদ্ধ জনজাতিসকলৰো বুকুৰ কুটুম এই বিহু। এই বিহু উৎসৱৰ ভিতৰত আকৌ ব'হাগ বিহুৰ উছাহেই সুকীয়া। প্ৰকৃতিৰ নৰূপৰ লগতে এক অতুলনীয় ছন্দেৰে সমৃদ্ধ বিহুৰ নাচ-গানেই সকলো জাতি-জনগোষ্ঠীৰ লোককে স্বাভাৱিকতে আকৰ্ষণ কৰে।

বিহু হ'ল কৃষি ভিত্তিক উৎসৱ, সম্প্ৰীতিৰ উৎসৱ। বুৰঞ্জীয়ে ঢুকি নোপোৱা কালতে অসমত বিহু আৰু বিহু নামৰ উৎপত্তি হৈছিল। বিহু অসমীয়াৰ? সাংস্কৃতিক উৎসৱ। সংস্কৃতি যদি জাতীয় জীৱনৰ ধাৰা হয় তেন্তে বিহুৰ লগতো অসমীয়াৰ জাতীয় জীৱনৰ অঙ্গাংগী সম্পৰ্ক আছে বুলি, ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে বুলি অৱশ্যে ক'ব লাগিব। অসমৰ ইতিহাসত এক উজ্জ্বল সময় ৰূপে পৰিগণিত হোৱা আহোম সকলৰ ৰাজত্বৰ সময়খিনিতে বিহুৱে এক সুন্দৰ সামাজিক আৰু ৰজাঘৰীয়া স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছিল। বোপা ককাৰ দিনৰে পৰা মহাবাহু ব্ৰহ্মপুত্ৰৰ দুই পাৰৰ সেউজ অঞ্চলত ৰঙালী বিহু উদ্‌যাপন কৰা হৈছিল। সকলোৰে আদৰৰ, হেঁপাহৰ ৰঙালী বিহুটি অনাদি কালতে সৃষ্টি হোৱা অসম, প্ৰাগজ্যোতিষপুৰ, কামৰূপৰ কৃষ্টি বিহু পাৰ হৈ আহিছে বহুযুগীয়া পৰিৱৰ্তনৰ পথেৰে। বিহুৱলীয়া ডেকা-গাভৰুৰ বিহুতলিৰ সাজপাৰ চিহ্নিত কৰাৰ আৱশ্যকতা, বিহু নামত সংস্কাৰৰ প্ৰয়োজনীয়তা তথা বাদ্য-যন্ত্ৰৰ অপৰিহাৰ্যতাই বিহুক এক নতুন ৰূপত সজাই তুলিলে। সেয়ে বিহু হৈ পৰিল সকলোৰে আদৰণীয়, কমনীয় তথা মোহনীয়। কৃষিজীৱী সমাজৰ এক গুৰুত্বপূৰ্ণ উৎসৱ, অসমীয়া লোক-সংস্কৃতি জীপাল কৰি ৰখা এই ৰঙালী বিহু মানেই যেন ৰঙৰ উৎসৱ, আনন্দৰ উৎসৱ।

চ'ত মাহত উদ্‌যাপন কৰা বাবে চ'তৰ বিহুক ডেকা -গাভৰুৰ বিহু বা মুকলি বিহু বুলিও কোৱা হয়। পূৰ্বতে উজনি অসমত চ'ত মাহৰ শেষৰ দিন কেইটাত সমনীয়া ডেকা- গাভৰুৱে ডাঙৰ গছৰ তলত বা নদীৰ পাৰত মুকলিকৈ নাচ-গান কৰিছিল। গানৰ যোগেদিয়ে তেওঁলোকে প্ৰিয়জনক মনৰ কথা জানিবলৈ দিছিল। চ'তত উদ্‌যাপন কৰা বাবেই এই বিহু চ'তৰ বিহু হ'ল। তদুপৰি গছৰ তলত বিহু মৰাৰ বাবে এই বিহুৰ অন্য এটি নাম হ'ল 'গছ তলৰ বিহু'। আৰম্ভণিতে কেৱল গাভৰুসকলেহে চ'তৰ বিহু পালন কৰিছিল। ডেকাসকলৰ এই বিহু চোৱাৰো অনুমতি নাছিল। তথাপি একাংশ ডেকাই লুকাই- লুকাই চাইছিল এই বিহু। সময় বাগৰাৰ লগে-লগে ডেকাসকলেও সমান্তৰালকৈ গাভৰুসকলক জোকাই নাতিদূৰতে ডেকাসকলে বিহু পাতিছিল। এনেকৈয়ে ক্ৰমশঃ ওচৰ চাপি আহিল গাভৰু বিহু আৰু ডেকাৰ বিহু। এই ডেকা-গাভৰুৰ বিহুৱেই ৰূপান্তৰিত হৈ কুৰি শতিকাৰ মঞ্চলৈ আহিল আৰু মঞ্চ বিহুৰ নাম পালে।

সময়ৰ লগে-লগে বিহুৰ আদিম সৰলতা আৰু স্বতঃস্ফূৰ্ততা বহু পৰিমাণে হ্ৰাস পাইছে। যিটো উৎসৱৰ উৎস প্ৰধানত কৃষিকাৰ্য, সেই কৃষিকাৰ্যৰ সমাজত আধিপত্য হ্ৰাস পোৱাৰ লগে-লগে বিহু উৎসৱৰো ৰূপ পৰিৱৰ্তন হ'ব ধৰিছে। গ্ৰামাঞ্চলত পুঁজিবাদৰ দ্ৰুত সম্প্ৰসাৰণ, লেহেমীয়াকৈ হ'লেও যাতায়াত ব্যৱস্থাৰ উন্নয়ন, কৃষিৰ যান্ত্ৰিকীকৰণ, গাঁওবোৰৰ পৰা চহৰলৈ দ্ৰুত প্ৰব্ৰজন, কৃষি অৰ্থনীতিৰ সংকট আদিয়ে ব'হাগ বিহুৰো গাঁৱলীয়া মনোমোহা পৰম্পৰাবোৰ দ্ৰুত গতিত হৰণ কৰি আনিছে। এনেকুৱা এক পৰিৱেশত বিহুৰ নৃত্য-গীতবোৰো চহৰৰ মঞ্চকেন্দ্ৰিক হৈ পৰাটো অৱধাৰিত নিয়ম যেন হৈ পৰিল। এতিয়া মঞ্চ বিহুৰ অনুষ্ঠানবোৰক কেন্দ্ৰ কৰিয়েই উৎসৱ উদ্‌যাপনৰ ৰীতি এটা গঢ় লৈ উঠিব ধৰিছে। সুসজ্জিত ৰভাৰ তলত বা মঞ্চত ৰং-বিৰঙৰ পোহৰে নিমিষতে সপোনপুৰী সৃষ্টি কৰা বিহুমঞ্চত প্ৰতিযোগিতা চলে। নগদ মোটা ধনৰ উপৰিও সোণৰ আঙুঠি, ৰঙীন টিভি, ফেন, পাটৰ কাপোৰ, শৰাই আদিৰ দৰে আকৰ্ষণীয় তথা লোভনীয় বস্তু দিয়াৰ ধূম উঠিছে আৰু সেইবাবেই প্ৰতিযোগিতাৰ গুৰুত্ব বৃদ্ধি পোৱাটো পৰিলক্ষিত হৈছে। এনে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ দল বিলাকে এমাহ কি পযেক অনুশীলন কৰা দেখা যায়। পোছাক-পৰিচ্ছদৰ পৰা আৰম্ভ কৰি এক নিৰ্দিষ্ট পদ্ধতি বিহুৰ কৰ্মশালাত অনুকৰণ আৰু অনুশীলন কৰিবলৈ শিকোৱা হয়। বহু অভিভাৱকে এই ধৰণৰ কৰ্মশালা সমূহলৈ নিজ সন্তানক যেনেতেনে হ'লেও নিয়াৰ চেষ্টা কৰে। বিচাৰকক সন্তুষ্ট কৰাৰ চেষ্টা কৰে। অপ্ৰিয় হ'লেও সত্য যে আগৰ মুকলি বিহু, গছ তলৰ বিহু আহি মঞ্চত প্ৰৱেশ কৰাৰ লগে-লগে বিহু প্ৰতিযোগিতামুখী হৈ পৰিল।

ব'হাগী বিদায় উপলক্ষে আয়োজিত কৰা সাংস্কৃতিক অনুষ্ঠানত হেজাৰ-হেজাৰ টকা খৰচ কৰি গায়ক-গায়িকাক আমদানি কৰাটো এক প্ৰকাৰ নিয়মৰ দৰেই হৈ পৰিল। মুকলি পথাৰৰ আঁহত গছৰ তলৰ যি বিহু আহি এদিন মঞ্চ পালেহি। গছৰ তলত মুকলি মনেৰে আনন্দ কৰি পতা বিহু বৰ্তমান পেছাদাৰী শিল্পীৰ মঞ্চৰ বিহু হ'লহি। সেই বিহু যে এনে পৰিস্থিতিত মঞ্চৰ পৰাও বিলীন হৈ অসমীয়া জাতীয় জীৱনৰ পৰাই চিৰ বিদায় নল'ব সেই কথাত সন্দেহ নাই। অনাগত সময়ত হয়তো এনে দিন আহিব যেতিয়া বিহুৰ মঞ্চ শুৱনি কৰিব হিন্দী, ইংৰাজী, ভোজপুৰী, বাংলাদেশী পপ ৰেপ চঙে। আগৰ দিনত চেৰা বিহু অৰ্থাৎ সাত বিহুৰ দিনাৰ পৰা সাত বা এঘাৰ দিনৰ পাছৰ এদিনত গাঁৱৰ ডেকা-ডেকেৰী সকলে পথাৰৰ গছ এজোপাৰ তলত মনৰ হেঁপাহ পলুৱাই বিহু মাৰি শেষ কৰি গছৰ ডাললৈ ঢোলৰ মাৰিডাল নাইবা টকা এটা ভাঙি দলিয়াই দি পিছলৈ ঘূৰি নোচোৱাকৈ ঘৰলৈ ঘূৰি আহিছিল। অৰ্থাৎ বছৰটোলৈ বিহুক বিদায় দিছিল। কিন্তু আজি-কালি আহাৰ-শাওন মাহলৈকে বিহু পাতি সাংস্কৃতিক সন্ধিয়াৰ নামত কৰা অতপালিবোৰে বিহুৰ মৰ্যাদা হানি কৰা যেন হে অনুভৱ হয়।

অলপ দিন আগলৈকে বিহু চহা লোকৰ বাপতি সাহোন হৈ আছিল। কিন্তু পথাৰৰ বিহু মঞ্চ পোৱাৰ লগে-লগে ছবিখন ওলোটা হৈ পৰিল। মঞ্চ পোৱাৰ লগে-লগে বিহু জকমকীয়া হ'ল, জনপ্ৰিয় হ'ল। ইয়াৰ সুবাদতে বিহুৱে এতিয়া অসমীয়াই পৃথিৱীৰ আগত অসমীয়া জাতিৰ পৰিচয় দিবলৈ, গৌৰৱ কৰিবলৈ সক্ষম হৈ পৰিল। খ্যাতিমান অসমীয়া শিল্পী আৰু গায়ক-গায়িকাৰ পৰা আৰম্ভ কৰি দুখীয়া নিছলা চহা শিল্পীয়েও আজিকালি বিহুৰ সময়ত মঞ্চত প্ৰদৰ্শনৰ যোগেদি মাননি লাভ কৰাৰ লগতে নিজা এক চিনাকি গঢ়ি তোলাৰ সুযোগ লাভ কৰে। ৰাইজৰ সন্মুখত নিজৰ নৈপুণ্য দেখুওৱাৰ সুযোগ দিছে কেৱল মাত্ৰ 'মঞ্চ বিহুৰ' মঞ্চখনে। এই সমূহ মঞ্চ বিহুৰ এক যোগাত্মক দিশ। আমাৰ বাপতি সাহোন জাতীয় জীৱনৰ মহা অংগ ৰঙালী বিহুটিত আধুনিকতাৰ পৰশ পৰিছে। গছ তলৰ বিহু গৈ মঞ্চত প্ৰৱেশ কৰিছে। এচাম তথাকথিত প্ৰগতিবাদী শিল্পীয়ে কেৱল ধন অৰ্জন কৰা, নাম-যশস্যা বঢ়োৱাৰ আশাত বিহুৰ নাচ, গানক পন্য লৈ ৰূপান্তৰ কৰিছে। মঞ্চ বিহু পালনৰ ধুম উঠিছে।

বিহু হৈছে অসমীয়াৰ জাতীয় জীৱনৰ প্ৰাণ। সেয়েহে বিহুত অসমীয়াৰ জাতীয় জীৱন, জীৱনশৈলী আদি প্ৰকাশ পোৱা উচিত। অসমৰ মানুহৰ অৰ্থনীতিৰ ভেঁটিৰ ওপৰত আমাৰ সমাজ জীৱন একান্তই নিৰ্ভৰশীল। সেয়ে অসমৰ জাতীয় অৰ্থনীতিৰ ভেঁটি সুদৃঢ় কৰিবৰ বাবে অসমৰ গএগ কৃষিজীৱি মানুহখিনিক কৃষি কৰ্ম বিকাশৰ ক্ষেত্ৰত, গএগ সংস্কৃতি সুৰক্ষাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা উচিত। কৰ্ষণৰ মাজেদি হোৱা সৃষ্টিয়েই হ'ল অসম আৰু অসমীয়াৰ জাতীয় কৃষ্টি-সংস্কৃতি। বিহু অসমৰ প্ৰাণ, আমাৰ মান। নতুনত্ব আমাৰ সকলোৰে কাম্য। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে আধুনিকতা আৰু নতুনত্বৰ দোহাই দি আমি আমাৰ বিহুটিৰ নিজস্বতাক আত্মসমৰ্পণ কৰিবলৈ বাধ্য হ'ম বা বাধ্য কৰাম। জাতীয় উৎসৱ অবিহনে সোণসৰি পৰা অতীতেৰে সমৃদ্ধ অসমীয়া জাতিৰ অস্তিত্বই বা ক'ত। সেয়ে হাজাৰ বাধা, দুখ পাহৰিও অসমীয়া ৰাইজে প্ৰতিবাৰে বিহু পালন কৰি আহিছে। ক'ৰবাত হয়তো কেতিয়াবা অৱশ্যেই হীন-দেঢ়ি হৈছে। সেয়া অস্বীকাৰ কৰিব নোৱাৰি।

বিহু আজি কেৱল অসমতে সীমাবদ্ধ হৈ থকা নাই। বিশ্বৰ দৰবাৰতো ই স্বীকৃত হৈছে। এয়া নিত্যান্তই সুখৰ খবৰ। বিহুৰ এই প্ৰসাৰতাৰ ক্ষেত্ৰত বিহু তলি বা বিহু মঞ্চৰ অৱদান অনস্বীকাৰ্য। সামাজিক মিলনৰ স্বাক্ষৰ স্বৰূপ বিহু হৈছে অসমীয়া ৰাইজৰ। পৰিৱৰ্তিত ৰূপত বিহু ধাৱমান যদিও আজিৰ বিহুৰ লগত যাতে তাহানিৰ বিহুৰ ঐতিহ্য, পৰম্পৰা আদি বিনষ্ট নহয়, বিকৃত নহয় সেই দিশৰ প্ৰতিও লক্ষ্য ৰাখিব লাগিব। সংস্কৃতিৰ প্ৰৱহমান গতিক ৰুদ্ধ কৰা অসম্ভৱ। ই নিৰ্দিষ্ট পথেৰে গতি কৰিয়েই থাকিব। ইয়াক বাধা দিয়াৰ শক্তি কাৰো নাই। অসমৰ গ্ৰাম্য জীৱনৰ দাপোণ স্বৰূপ বিহু গছ তলৰ পৰা আহি বিশ্ব দৰবাৰলৈকে ব্যাপ্ত হৈ পৰিছে। ইয়াৰ পৰিসৰ বৃদ্ধি হৈছে। বহু পৰিক্ৰমা অতিক্ৰম কৰি বিহুৱে যি গৌৰৱ, মান ৰক্ষা কৰিবলৈ সক্ষম হৈছে ই আমাৰ বাবে গৌৰৱৰ বিষয়। মুকলি বিহুৰ আদৰ আৰু গুৰুত্ব পূৰ্বতে যেনেদৰে আছিল আজিও ইয়াৰ প্ৰাসংগিকতা নুই কৰিব নোৱাৰি। ঠিক সেইদৰে মঞ্চ বিহুৰ আগমনে বিহুৰ সৌষ্ঠৱ আৰু গৌৰৱ বঢ়োৱাৰ লগতে বিহুক আৰু অধিক জনপ্ৰিয় কৰি তোলাৰ ক্ষেত্ৰত বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। সকলো কথাৰে দুটা দিশ আছে। বিহুৰ ক্ষেত্ৰটো ই প্ৰযোজ্য। বহু সময়ত মুকলি বিহু আৰু মঞ্চ বিহু বিষয়ত আলোচনা বা সমালোচনা হৈ আহিছে। দুটা ফালে অলেখ যুক্তি নিশ্চয়কৈ ওলাব। সফলতা-বিফলতা ওলাব। তথাপি ভিন্ন দৃষ্টি কোণৰ পৰা চাবলৈ গ'লে বিহুৰ লগত জড়িত এই দুই বিষয়ৰ গুৰুত্বও নুই কৰিব নোৱাৰি।

বিহু নৃত্য-গীতৰ সৰ্বজনীন আবেদনে নানা জাতি-জনগোষ্ঠীৰ হাজাৰ-হাজাৰ লোকক একোখন বিহুতলীত সমবেত কৰে। অসমৰ নিচিনা জটিল জন-গাঁথনিৰ ৰাজ্য এখনত এনেকুৱা এক সমন্বয় অৱশ্যে আদৰণীয়। কিয়নো বিহুৰ আন এক উজ্জ্বল দিশ হ'ল ইয়াৰ ধৰ্মনিৰপেক্ষ ৰূপ। বিশেষকৈ ব'হাগ বিহু উদ্‌যাপনৰ ক্ষেত্ৰত ধৰ্মীয় উপাদান নিচেই সীমিত। এতিয়া বিহু উদ্‌যাপন মঞ্চ প্ৰধান হৈ পৰাৰ ফলত ধৰ্মীয় উপাদানবোৰ একেবাৰে নগণ্য হৈ পৰিছে। ফলত হিন্দু, মুছলমান, খ্ৰীষ্টান আদিকে কৰি ভিন্ন ধৰ্মাৱলম্বীলোক সমন্বিতে সকলোৱে এই উৎসৱক নিজৰ বুলি আঁকোৱালি লোৱাত সহায়ক হৈছে। সহায়ক হৈছে বিহু উৎসৱটিক নিজৰ বুলি নিঃসন্দেহে, নিঃসংকোচে আঁকোৱালি লোৱাত।

সমন্বয়ৰ প্ৰতীক, অসমীয়া জাতিৰ স্বাভিমান ৰঙালী বিহু অসমীয়া জাতিৰ সঞ্জীৱনী শক্তি স্বৰূপ এই বিহুৰ সময়ৰ লগে-লগে বহু পৰিৱৰ্তন ঘটিল। মুকলিমূৰীয়া আদিম সমাজৰ মুকলি মনেৰে জন্ম দিয়া বিহু প্ৰকৃততে বিকশিত হয় মুকলি পথাৰত, বিহুৱে প্ৰাণ পাই উঠে গছৰ তলত, নৈৰ ঘাটত। বুঢ়া আহতৰ তলৰ পৰা আহি, এটা সময়ত ৰজাঘৰীয়া সমাদৰ লাভ কৰিবলৈ সক্ষম হোৱা বিহু আহি ডা-ডাঙৰীয়াৰ আগচোতাল পালেহি। চহা ডেকা-গাভৰুৱে গছৰ তলত নচা বিহু নাচ স্বৰ্গদেউ ৰুদ্ৰ সিংহৰ আমোলতেই মাৰ্জিত ভাৱে ৰংঘৰৰ বাকৰিত প্ৰদৰ্শিত হৈছিল। আজিৰ বিহুৰ এই ৰূপৰ কঠীয়া সেই আমোলতে ৰোপণ কৰা হৈছিল। এইজনা স্বৰ্গদেউৰ দিনতেই ৰাজকাৰেংলৈ ৰাইজক হুঁচৰি গাবলৈ নিমন্ত্ৰণ কৰি হুঁচৰি দলৰ আগত আঁঠু লৈ আশীৰ্বাদ লোৱাৰ পৰম্পৰা প্ৰতিষ্ঠা হৈছিল।

ৰঙালী বিহুৰ পৰম্পৰাগত আৰু পৰিৱেশগত দুটা দিশ আছে যদিও সৰ্বস্তৰৰ লোকে আঁকোৱালি ল'ব পৰা দিশটো হৈছে বিহুৰ পৰিৱেশন। অৰ্থাৎ বিহুতলীৰ মুকলি বিহু, মঞ্চ বিহুৰ বিহু নাচ, বিভিন্ন ধৰণৰ বসন্তকেন্দ্ৰিক লোক সংস্কৃতি প্ৰদৰ্শন আদিৰ মাজেৰে সৰ্বস্তৰৰ লোকে এক মানসিক আৰু সামাজিক সম্পৰ্ক বিচাৰি পায়। যাক আমি জাতীয় সমন্বয়ৰ আধাৰ হিচাপে গ্ৰহণ ব্যৱহাৰ কৰিব পাৰো। মুকলি বিহু, মঞ্চ বিহু আদিৰ মাজেৰে পৰিৱেশ্য কলা প্ৰকাশৰ সুবিধা পোৱা যায়। য'ত সৌন্দৰ্য আৰু বৈচিত্ৰ্যৰ প্ৰতিফলন ঘটা দেখা যায়।

# অসমীয়া সংগীত জগতত আশা ভোঁচলেৰ অৱদান

শংকৰ দেৱ

আশা ভোঁচলে, যাৰ যাদুকৰী কণ্ঠই বিশেষকৈ ভাৰতীয় সঙ্গীত জগতক মুগ্ধ কৰি ৰাখিবলৈ সক্ষম হৈছিল। কিম্বদন্তী কণ্ঠ শিল্পী লতা মংগেশকাৰৰ ভগ্নী এই গৰাকী শিল্পী এগৰাকী অসাধাৰণ, ব্যতিক্ৰমী শিল্পী আছিল, যি গৰাকীয়ে ১২০০০ তকৈ অধিক গীতত কণ্ঠ নিগৰাই সঙ্গীত জগতক সমৃদ্ধ কৰি ৰাখিবলৈ সক্ষম হৈছিল। সংগীতৰ বাবে গীনিজ বুক অফ ৰেকৰ্ডছত তেওঁৰ নাম লিপিবদ্ধ হৈ আছে। দাদা চাহেব ফাল্কে বঁটা, পদ্ম বিভূষণ আদি বহু বঁটাৰে তেখেতক সন্মানিত কৰা হৈছিল। তেওঁ ন বাৰকৈ ফিল্ম ফেয়াৰ বঁটা লাভ কৰিছিল। সৰ্ব ভাৰতৰ লগতে অসমীয়া সংগীত তথা চলচ্চিত্ৰ জগতৰ ক্ষেত্ৰতো তেওঁ এক বিশেষ অৱদান ৰাখি থৈ গৈছে। সুৰৰ মিঠা সুবাসেৰে ভাৰতবাসীক এক স্মৰণীয় অধ্যায় উপহাৰ দি গৈছে।



অসমীয়া সংগীত জগতত জিলিকি থকা উজ্জ্বল উজ্জ্বল নক্ষত্ৰৰ ভিতৰত এক উজ্জ্বল নক্ষত্ৰ হৈছে ভাৰতীয় সংগীতৰ এই কিংবদন্তী গায়িকা আশা ভোঁচলে। তেওঁ কেৱল এগৰাকী গায়িকাই নহয়, তেওঁ আছিল সুৰৰ এক জীৱন্ত অনুভৱ—যি অনুভৱে ভাষাৰ সীমা ভাঙি সকলো সংগীত প্ৰেমী হৃদয়ক একে সুৰত বান্ধি ৰাখিবলৈ সামৰ্থ্য হৈছিল। অসমীয়া সংগীতৰ সৈতে তেওঁৰ সম্পৰ্কটো যেন এক মিঠা আকস্মিকতা। তেখেতৰ অমৃত কণ্ঠৰ সুৰীয়া গীতে আমাৰ শৈশৱক জীপাল কৰি ৰাখিছিল। প্ৰতিটি গীত শুনি আলোড়িত, শিহৰিত হৈছিলোঁ শৈশৱৰ পৰাই। 'এই ধুনীয়া গধুলী লগন'কৈ আদি কৰি বহু অসমীয়া গীতত তেখেতে কণ্ঠ নিগৰাইছিল। বিশেষকৈ ভূপেন হাজৰিকা দেৱৰ সুৰৰ মায়াজালত সোমাই আশা ভোঁচলেৰ কণ্ঠই যেন এক নতুন ৰূপ লৈ উঠিছিল। এই দুয়োৰে মিলনত জন্ম লোৱা গানবোৰ কেৱল গীতেই নহয়, যেন সুৰৰ সেউজীয়া পথাৰৰ এক মিঠা মিঠা লগা সুবাস। ড. ভূপেন হাজৰিকা দেৱৰ সংগীত পৰিচালনাত তেওঁ বহুতো কালজয়ী অসমীয়া গীতত কণ্ঠদান কৰি অসমীয়া গীতৰ ধাৰাটোক চহকী কৰি থৈছিল। কিংবদন্তি শিল্পী ভূপেন হাজৰিকাৰ সুৰত আশা ভোঁচলেৰ কণ্ঠস্বৰ অসমীয়া শ্ৰোতাৰ বাবে এক সোণালী উপহাৰ। তেওঁ গোৱা জনপ্ৰিয় গীতবোৰত যেন জীৱনৰ এক মুক্ত যাত্ৰাৰ সুৰ বাজে। শুনিলেই মনটো উৰি যাবলৈ বিচাৰে, সীমাহীন আকাশত ডেউকা মেলিবলৈ ইচ্ছা জাগে। তেওঁৰ কণ্ঠই এক মিঠা প্ৰেমৰ আবেগ বঢ়াই দিয়ে।

আশা ভোঁচলেৰ কণ্ঠৰ এক বিশেষত্ব হৈছে যে তেওঁ যি ভাষাতেই গান নাগাওক কিয়, সেই ভাষাটোক তেওঁ নিজৰ কৰি লয়। অসমীয়াৰ ক্ষেত্ৰতো ইয়াৰ ব্যতিক্ৰম নহয়। ভাষাটো তেওঁৰ মাতৃভাষা নোহোৱাকৈও, তেওঁ যি সাৱলীলতাৰে আৰু অনুভূতিৰে গান গাইছে, সেয়া শুনি কোনেও ক'ব নোৱাৰে যে তেওঁ বহিৰাগত। ই হৈছে তেওঁৰ সংগীতপ্ৰেম আৰু পেছাদাৰী নিষ্ঠাৰ এক উজ্জ্বল উদাহৰণ।

তেওঁৰ এই অৱদানৰ ফলত অসমীয়া সংগীত কেৱল ৰাজ্যৰ সীমাতেই আবদ্ধ নাথাকিল, বৰঞ্চ দেশৰ বিভিন্ন প্ৰান্তলৈ সুৰৰ সুবাসেৰে বিয়পি পৰিল। তেওঁৰ কণ্ঠই যেন অসমীয়া সংগীতক নতুন ডেউকা দি উৰিবলৈ শিকালে। তেওঁৰ বহুমুখী কণ্ঠস্বৰ অসমীয়া আধুনিক গীত আৰু চলচ্চিত্ৰৰ গীতত এক নতুন মাত্ৰা যোগ কৰিছিল। বিভিন্ন অসমীয়া চলচ্চিত্ৰৰ গীতত তেওঁ প্লেবেক কণ্ঠশিল্পী হিচাপে কাম কৰিছিল, যিয়ে অসমীয়া চলচ্চিত্ৰৰ সাঙ্গীতিক দিশটো চহকী কৰিছিল। অসমীয়া আধুনিক গীতৰ ধাৰাতো আশা ভোঁচলেৰ কণ্ঠই এক সুকীয়া স্থান দখল কৰিছিল, য'ত তেওঁৰ বৈচিত্ৰ্যময় গায়নশৈলী প্ৰকাশ পাইছিল।

শেষান্তৰত ক'ব পাৰি যে আশা ভোঁচলেৰ অসমীয়া সংগীতলৈ আগমন এটা মিঠা সুৰৰ বতাহ, যিয়ে সংগীতপ্ৰেমীৰ মনত আজিও মৃদুস্বৰ হৈ বৈ থাকে। সামগ্ৰিকভাৱে, আশা ভোঁচলেৰ অসমীয়া সংগীতলৈ অৱদান অতুলনীয় আৰু তেওঁৰ কণ্ঠই অসমীয়া গীতৰ সোৱাদ বহু গুণে বৃদ্ধি কৰিছিল। তেওঁৰ গীতবোৰ কেৱল শুনিবলৈ ভাল লগাই নহয়, যেন অনুভৱৰ এক দীঘলীয়া যাত্ৰা, য'ত প্ৰতিটো সুৰে মনক স্পৰ্শ কৰে আৰু প্ৰতিটো শব্দই হৃদয়ত এচাম কোমল অনুভূতি এৰি থৈ যায়। ১৯৩৩ চনৰ ৮ ছেপ্টেম্বৰত জন্ম গ্ৰহণ কৰা শিল্পী গৰাকীয়ে ৯২ বছৰ বয়সত ইংৰাজী ১২ এপ্ৰিল, ২০২৬ৰ দিনা বোম্বাইৰ ব্ৰীজ কেন্দী হস্পিটেলত চিকিৎসাধীন অৱস্থাত দেহৱসান ঘটে। এই অসাধাৰণ কণ্ঠশিল্পী আশা ভোঁচলে মহোদয়াৰ মৃত্যুৰ সংবাদ পাই অসম তথা ভাৰতবৰ্ষৰ প্ৰতি গৰাকী সংগীত প্ৰেমী ৰাইজ মৰ্মাহত হৈ পৰিছে। তেখেতৰ মৃত্যুত সংগীত জগতৰ এটা শতিকাৰ অবসান হোৱা যেন অনুভৱ হৈছে তথা এইটো ভাৰতবৰ্ষৰ সঙ্গীত জগতৰ এক অপূৰণীয় ক্ষতি। তেখেতৰ গীতে যুগে যুগে সকলোকে সঙ্গীতৰ প্ৰতি আকৰ্ষিত কৰি থাকিব। আজি অসম তথা ভাৰতৰ সকলোৱেই একাঁজলী শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি শ্ৰদ্ধাৰ শিল্পী তথা প্ৰসিদ্ধ গায়িকা গৰাকী লৈ এমুঠি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰি তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ।

# জেং বিহু ঃ অসমীয়া নাৰীৰ ঐতিহ্য, অনুভূতি আৰু সাংস্কৃতিক স্বৰূপ

উৰিশ্মা নাথ

"জেং বিহু" ব'হাগ বিহুৰ এটা অত্যন্ত মনোমোহা আৰু গুৰুত্বপূৰ্ণ অঙ্গ, যি বিশেষকৈ মহিলাসকলে উদযাপন কৰে। মহিলাৰ দ্বাৰা পৰিবেশিত এই বিহুৰ পুৰণি নাম হৈছে গাভৰু বিহু বা গছৰ তলৰ বিহু। "চেনেহী বিহু" বা "মাইকী বিহু" বুলিও জনা যায়। ই মহিলাসকলৰ মনৰ আনন্দ আৰু দুখ- বেদনা প্ৰকাশৰ মাধ্যম। "জেং" শব্দৰ অৰ্থ হৈছে প্ৰতিবন্ধকতা অৰ্থাৎ তাত পুৰুষৰ প্ৰৱেশ নিষেধ। ঢোল, পেঁপা, তাল, বাঁহী আদি কোনো বাদ্যৰ ইয়াত প্ৰয়োজন নাই। গাভৰুসকলে বৃত্তাকাৰে ঘূৰি-ঘূৰি গীতৰ চেঁৱে চেঁৱে টকা, সুতুলী আৰু গগণা বজাই বজাই বিহু নাচে। দুগৰাকী মানে বৃত্তৰ মাজৰ অংশত নাচে। জেং বিহুৰ নাচনীৰ নাচোন ভঙ্গীতো স্বকীয়তা বিদ্যমান। ইয়াৰ নাচোন শৈলী মুকলি বিহুৰ নাচৰ দৰে যৌনগন্ধী নহয়। জেং বিহুৰ নাচনীৰ নাচোন প্ৰাণ চঞ্চলতাৰে ভৰপূৰ। নাচনীৰ নৃত্যৰ ভৰত পৃথিৱী উৰ্বৰা হয় বুলি প্ৰবাদ আছে। জেং বিহুৰ বাবে গাঁওখনৰ জীয়ৰী-বোৱাৰী সকলোৱে মিলি এটি দল গঠন কৰি প্ৰায় এমাহমান আগৰে পৰাই গাঁওখনৰ কোনো মুকলি ঠাই, পথাৰ বা গছৰ তলত সমবেত হয় আখৰা কৰা দেখা। এই বিহুত গাভৰুৱে এক চক্ৰ বা বৃত্ত আকাৰে থিয় হৈ নৃত্য কৰে বাবে ইয়াক "জেং বিহু" বুলি কোৱা হয়। পূৰ্বতে এই বিহুত পুৰুষসকলৰ প্ৰৱেশ সীমিত আছিল, যাৰ ফলত ই একেবাৰে নাৰী-কেন্দ্ৰিক সাংস্কৃতিক পৰিৱেশ হিচাপে পৰিগণিত হৈছিল। জেং বিহু কেৱল মনোৰঞ্জনৰ মাধ্যম নহয়; ই নাৰীসকলৰ স্বতঃস্ফূৰ্ত প্ৰকাশৰ এক মঞ্চ। ইয়াৰ জৰিয়তে তেওঁলোকে নিজৰ অনুভূতি, আশা-আকাংক্ষা আৰু জীৱনৰ বিভিন্ন দিশ সুৰ-তালৰ মাজেৰে প্ৰকাশ কৰে। লগতে এই বিহুত শৃংখলা, সহযোগিতা আৰু সমূহীয়া চেতনাৰো বিকাশ ঘটে। আধুনিক যুগত এই জেং বিহুৰ ৰূপ কিছু পৰিৱৰ্তিত হৈছে যদিও, ইয়াৰ মূল সত্তা এতিয়াও অক্ষুণ্ণ আছে। বৰ্তমান ইয়াক মঞ্চত প্ৰদৰ্শন কৰা হয়, প্ৰতিযোগিতাতো অন্তৰ্ভুক্ত কৰা হয়, কিন্তু গাঁৱৰ পৰিৱেশত উদযাপিত সৰল আৰু প্ৰাকৃতিক ৰূপটো আজিও সৰ্বাধিক আকৰ্ষণীয়। সেয়েহে ক'ব পাৰি, জেং বিহু হৈছে অসমীয়া নাৰী সংস্কৃতিৰ এক উজ্জ্বল প্ৰতিফলন, যিয়ে ব'হাগ বিহুক আৰু অধিক বৈচিত্ৰ্যময় আৰু সমৃদ্ধ কৰি তোলে।

# হিন্দু মাজগাঁওস্থিত বৰনামঘৰৰ উদ্যোগত বিহু আদৰণি উৎসৱ পালন



**অসম বাৰ্তা, বগীনদীৰ বিশেষ, ১৬ এপ্ৰিল ঃ** হেঁপাহৰ ৰঙালী বিহুৰ উলহ-মালহত এতিয়া ব্যস্ত অসমবাসী। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে লখিমপুৰ জিলাৰ হিন্দু মাজগাঁওস্থিত বৰনামঘৰৰ উদ্যোগত চিলাৰায় ভৱনত এক সজীৱ বিহু আদৰণি উৎসৱ অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত স্থানীয় ৰাইজে উৎসাহেৰে অংশগ্ৰহণ কৰি পৰম্পৰাগত খেল-ধেমালিৰে উৎসৱৰ আনন্দ উপভোগ কৰে। অনুষ্ঠানৰ বিশেষ অংশ হিচাপে প্ৰাণৰ শিল্পী জুবিন গাৰ্গ দেৱৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি সমূহীয়াভাৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ইয়াৰ উপৰিও বয়োজেষ্ঠ সকলক সন্মান জনোৱা, সমূহীয়া হুঁচৰি, ঢোল বাদন আদি বিভিন্ন কাৰ্য্যসূচী অনুষ্ঠিত কৰা হয়। এদিনীয়াকৈ অনুষ্ঠিত এই অনুষ্ঠানত মহিলা দ্বাৰা ঢোলবাদন অন্যতম আকৰ্ষণ হিচাপে পৰিগণিত হয়, যিয়ে পৰিৱেশটো অধিক উৎসৱমুখৰ কৰি তোলে। উক্ত অনুষ্ঠানে স্থানীয় ৰাইজৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা সৃষ্টি কৰাৰ লগতে বিহুৰ ঐতিহ্য জীয়াই ৰখাত বিশেষ ভূমিকা গ্ৰহণ কৰে।

# শিৱসাগৰৰ নামতিত হজযাত্ৰী সম্বৰ্ধনা অনুষ্ঠান

**অসম বাৰ্তা, গেলেকী, ১৬ এপ্ৰিল ঃ** ইছলাম ধৰ্মৰ পবিত্ৰ তীৰ্থস্থান আৰৱ দেশৰ মক্কা শ্বৰীফলৈ হজ কৰা উদ্দেশ্যেৰে বিশ্বৰ বিভিন্ন প্ৰান্তৰ লোকৰ সমান্তৰালভাৱে শিৱসাগৰ জিলাৰ বৃহত্তৰ নামতি অঞ্চলৰ পৰাও কেইবাগৰাকীও পুৰুষ-মহিলাই এই পবিত্ৰ হজ যাত্ৰাৰ বাবে নিজৰ নিজৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। উক্ত অঞ্চলটোৰ হজযাত্ৰী সকলক যাত্ৰ শুভ হোৱাৰ কামনা কৰি শিৱসাগৰ জিলাৰ নামতি চাৰিআলি সন্মিলিত যুৱ সমাজৰ উদ্যোগত এক সম্বৰ্ধনা অনুষ্ঠান আয়োজন কৰে। পবিত্ৰ তীৰ্থস্থান মক্কা শ্বৰীফলৈ যাত্ৰা কৰিবলগীয়া সকলো হজযাত্ৰীকে শান্তি-সম্প্ৰীতিৰ কামনা কৰি দোৱাৰ বাবে আহ্বান জনোৱাৰ লগতে সকলোৱে একেলগে বিশ্ব শান্তিৰ বাবে সমূহীয়া দোৱা কৰে।

# বকো সাহিত্য সভাৰ নিজৰ দিনত পাঁচ গৰাকী জ্যেষ্ঠ সমাজ সংগঠকক সন্মান আৰু ওলগনি পত্ৰ প্ৰদান

**অসম বাৰ্তা, বকো, ১৬ এপ্ৰিল ঃ** অসম সাহিত্য সভাৰ উদ্যোগতজন সচেতনমূলক মনোজ্ঞ কাৰ্য্যসুচী নিজৰ দিন প্ৰতি বছৰে অসমীয়া ব'হাগ মাহৰ পহিলা বিহুৰ দিনা অৰ্থাৎ ১ ব'হাগত পালন কৰে। সেয়ে অসম সাহিত্য সভাৰ নিৰ্দেশ অনুসৰি কামৰূপ জিলাৰ বকো শতদল শাখা সাহিত্য সভায়ো প্ৰতি বছৰে পালন কৰে নিজৰ দিনৰ কাৰ্য্যসুচী। ইফালে বকো শতদল শাখা সাহিত্য সভাৰ সভাপতি নৃপেন ভাগৱতী আৰু সাধাৰণ সম্পাদক জনাৰ্দ্দন বড়োই জনোৱা অনুসৰি; এই বেলি বকো সাহিত্য সভাৰ জৰিয়তে পাছ গৰাকী জ্যেষ্ঠ সমাজ সংগঠকক সন্মান প্ৰদান কৰি আৰ্শীবাদ গ্ৰহণ কৰে। এই বৰ্ষত সাহিত্য সভাৰ তৰফৰ পৰা ওলগনি জনোৱা লোক সকল হ'ল ক্ৰমে বকো চোকাবাহাৰ অৱসৰপ্ৰাপ্ত শিক্ষক গংগা চৰণ ৰাভা, শীছাপীঠ গাঁৱৰ জ্যেষ্ঠ সমাজ কৰ্মী তাৰা নাথ কলিতা, খেনাপাৰাৰ লোক সংস্কৃতিৰ বাদ্যযন্ত্ৰী পীতাম্বৰ তামোলী, বকো ধেলচৰৰ অৱসৰপ্ৰাপ্ত শিক্ষক গৌৰাংগ ঠাকুৰীয়া আৰু নধিয়াপাৰাৰ মাৰৈ পূজাৰ কৃষ্টিৰ ডেউধানীৰ নৃত্য পটিয়সী কালপেটী ৰাভা ওৰফে বেঙী ৰাভা। ইফালে সাহিত্য সভাৰ নিজৰ দিন পালনৰ কাৰ্য্যসুচীত সভাপতি সম্পাদকৰ উপৰিও প্ৰাক্তন সভাপতি দ্বয় সুৰেণ চন্দ্ৰ কলিতা আৰু ড° বিজয়া ডেকা, সহকাৰী সম্পাদক বিষ্ণু ৰাম দাস, পত্ৰিকা সম্পাদক পবিত্ৰ কৈৱৰ্তই সহযোগ আগবঢ়ায়।

# ব্ৰহ্মহিত সাধিনী সাহিত্য কাননৰ উদ্যোগত 'নিজৰ দিন' পালন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১৬ এপ্ৰিল ঃ** অসম সাহিত্য সভাৰ নিৰ্দেশ মৰ্মে আজি ওদালগুৰি জিলা সাহিত্য সভাৰ অন্তৰ্গ সক্ৰিয় শাখা সাহিত্য সভা ব্ৰহ্মহিত সাধিনী সাহিত্য কাননৰ উদ্যোগত 'নিজৰ দিন' পালন কৰা হয়। উল্লযেখযোগ্য যে পহিলা বহাগৰ দিনটোত প্ৰতি বছৰে অসম সাহিত্য সভাই প্ৰতিটো শাখা সাহিত্য সভাৰ জৰিয়তে সাহিত্য, সংস্কৃতি, খেল, বয়োজ্যেষ্ঠ, সমাজ সেৱক আদি সমাজৰ হৈ অৱদান আগবঢ়াই অহা ব্যক্তি সকলক ওলগনি জনাই আহিছে। সেই মৰ্মে আজি ব্ৰহ্মহিত সাধিনী সাহিত্য কাননৰ তৰফাৰ পৰা অৱসৰী শিক্ষক ভয় কান্ত ডেকা, ব্ৰহ্মহিত সাধিনী সাহিত্য কাননৰ প্ৰাক্তন সভাপতি তথা অৱসৰী শিক্ষক দেবেন্দ্ৰ নাথ চহৰীয়া আৰু সমাজকৰ্মী সংৰাম নাথক ওলগনি পত্ৰ, গামোচা, গছ পুলি, ধৰ্ম গ্ৰন্থ, কবিতা পুথিৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠান খনত পৰিচালনা কৰে ব্ৰহ্মহিত সাধিনী সাহিত্য কাননৰ সম্পাদক যোগেন্দ্ৰ নাথ ডেকাই। উপস্থিত থাকে ক্ৰমে ব্ৰহ্মহিত সাধিনী সাহিত্য কাননৰ সভাপতি হিতেশ্বৰ শৰ্মা, বিষ্ণুৰাম ডেকা, জ্যোতিপ্ৰসাদ শৰ্মা, ভবেন স্বৰ্গীয়াৰী, ৰাজেন্দ্ৰ চন্দ্ৰ নাথ, লক্ষ্মীকান্ত সূত্ৰধৰ, মদন নাথ, বিনয় চহৰীয়া আৰু ওদালগুৰি জিলা ৰামধেনু উপ সমিটিৰ আহ্বায়ক অৰূপ বড়োয়ে।

## চিনাতলী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত লাইখুঁটা স্থাপন

# চিনাতলীত কেন্দ্ৰীয় ৰঙালী সন্মিলন আয়োজন



**অসম বাৰ্তা, খুমটাই, ১৬ এপ্ৰিল ঃ** গোলাঘাট জিলাৰ খুমটাই সমষ্টিৰ অন্তৰ্গত চিনাতলীত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে তৃতীয় সংখ্যক কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। চিনাতলীৰ যুৱকবৃন্দৰ উদ্যোগত আৰু বৃহত্তৰ অঞ্চলবাসী ৰাইজৰ সহযোগত ২৫ আৰু ২৬ এপ্ৰিলত(১১ আৰু ১২ ব'হাগ) অনুষ্ঠিত হ'বলগীয়া তৃতীয় বাৰ্ষিক চিনাতলী কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ বাবে চিনাতলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আজি লাইখুঁটা স্থাপন কৰে যুৱকবৃন্দই। চাকি-ধূপ জ্বলাই মাংগলিক ৰীতিনীতিৰে লাইখুঁটা স্থাপন কৰি বিহু সন্মিলনখন সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ নেদেখাজনৰ চৰণত সেৱা লয় উদযাপন সমিতিয়ে। লাইখুঁটা অনুষ্ঠানত চিনাতলী বৰনামঘৰ সমাজ পৰিষদৰ সভাপতি বিপিন শইকীয়া, সম্পাদক ৰমেন বৰাকে আদি কৰি কেইবাজনো গণ্যমান্য ব্যক্তি উপস্থিত থাকে। লাইখুঁটা স্থাপনৰ পিছতে যুৱকবৃন্দই ঐতিহাসিক চিনাতলী বৰনামঘৰত শৰাই অৰ্চনা কৰি বিহু সন্মিলনখনি সাফল্যমণ্ডিত হ'বলৈ আশিস হয়। চিনাতলী কেন্দ্ৰীয় ৰঙালী বিহুৰ সন্মিলনৰ কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পতাকা উত্তোলন, স্মৃতি তৰ্পণ, অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি, গছপুলি ৰোপণ অনুষ্ঠিত হ'ব। এই কাৰ্যসূচীৰ পিছতেই সমাজৰ বিভিন্ন ক্ষেত্ৰত অৰিহণা থকা শতাধিক বয়োজ্যেষ্ঠ ব্যক্তিক সম্বৰ্দ্ধনা জনোৱা হ'ব। ইয়াৰ পিছতে পৰম্পৰাগত কণীযুঁজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইয়াৰ পিছতে স্থানীয় হুঁচৰি দলে মঞ্চ উদ্বোধন কৰা পাছতেই অনুষ্ঠিত হব বিহুনাম প্ৰতিযোগিতা আৰু সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা। আনহাতে বিয়লিলৈ জেংবিহু আৰু সৰু বিহুৱতী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২৬ এপ্ৰিল দেওবাৰে দিনৰ ভাগত স্থানীয় শিশু আৰু মহিলা সকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা, সংগীত চকী, পিঠা প্ৰতিযোগিতা, কবিতা আবৃত্তি প্ৰতিযোগিতাৰ লগতে প্ৰদৰ্শনীমূলক গীত নৃত্যৰ অনুষ্ঠান অনুষ্ঠিত হব। সন্ধিয়া ৭ বজাত মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে কৃষিমন্ত্ৰী অতুল বৰা, বিশিষ্ট অতিথি হিচাপে বিধায়ক মৃণাল শইকীয়া, প্ৰাক্তন মন্ত্ৰী বিস্মিতা গগৈৰ লগতে কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। এই সভাতে তিনিজন বিশেষ ব্যক্তিক বিশেষভাৱে সম্বৰ্দ্ধনা জনোৱা হ'ব বুলি উদ্যোক্তাই জানিবলৈ দিছে। ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত খেতিয়ক পল্লৱ গগৈ, শিল্পী বিপুল চেতিয়া ফুকন আৰু বিশিষ্ট সমাজকৰ্মী মহাবীৰ প্ৰসাদ আগৰৱালাক বিশেষ ভাৱে সম্বৰ্দ্ধনা জনোৱা হ'ব। মুকলি সভাৰ পিছতে আমন্ত্ৰিত হুঁচৰি দলে অনুষ্ঠান পৰিবেশন কৰা পিছতে হাৰ্টথ্ৰব জুবিন গাৰ্গৰ সোঁৱৰণিত অনুষ্ঠিত হ'বলগা সাংস্কৃতিক সন্ধ্যাৰ মূল আকৰ্ষণ জনপ্ৰিয় কণ্ঠশিল্পী জনম কাশ্যপে গীত পৰিবেশন কৰিব। অহা ২৫ আৰু ২৬ এপ্ৰিলত চিনাতলী কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ প্ৰতিটো কাৰ্যসূচীতে অসমবাসী ৰাইজৰ উপস্থিতি কামনা কৰিছে বিহু উদ্‌যাপন সমিতিৰ সভাপতি তুষাৰ জ্যোতি শৰ্মা আৰু যুটীয়া সম্পাদক সাৰঙ্গ তামোলী, দিব্যজ্যোতি শইকীয়াই। আনহাতে বিহু সন্মিলনখনিৰ প্ৰতিযোগিতা সম্পৰ্কীয় অধিক তথ্যৰ বাবে ৯৭০৭৮০৯১৭৭, ৭০০২২০৮১৫৭, ৭০০২৭৬১৯১৬ নম্বৰত যোগাযোগ কৰিব পাৰিব।

# ডবকাত হজ্জ যাত্ৰীক সম্বৰ্দ্ধনা অনুষ্ঠান

**অসম বাৰ্তা, ডবকা, ১৬ এপ্ৰিল ঃ** হোজাই জিলাৰ পৰা এইবাৰ পবিত্ৰ হজ্জলৈ যাত্ৰা কৰিব লগীয়া হজ্জ যাত্ৰীৰ সন্মানাৰ্থে বুধবাৰে ডবকাৰ এজেচি মেমৰিয়ল হলত এক গাম্ভীৰ্যপূৰ্ণ সম্বৰ্দ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানটো আয়োজন কৰে হোজাই জিলা নদৱাতুত তামীৰ আৰু যুৱ নদৱাতুতে। এইবাৰ হোজাই জিলাৰ পৰা পবিত্ৰ হজ্জলৈ যাত্ৰা কৰিবলগীয়া হজ্জ যাত্ৰী সকলক একোখনকৈ আৰৱী ৰুমালেৰে সম্বৰ্দ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানত উপস্থিত থাকে কেন্দ্ৰীয় সম্পাদক মৌলানা এবাদুৰ ৰহমান, সাধাৰণ সম্পাদক মৌলানা মইন উদ্দিন লস্কৰ, জিলা নদুৱাৰ একনিষ্ঠ কৰ্মী শ্বেখ আব্দুল কাদিৰ বৰভূঞা, ডবকা বড় মছজিদৰ ইমাম মৌলানা আবিদুৰ ৰহমান, জিলা নদুৱাৰ একনিষ্ঠ কৰ্মী নূৰ মোহাম্মদ, হোজাই জিলা যুৱ নদৱাতুত তামীৰৰ সাধাৰণ সম্পাদক মাচুমুৰ ৰহমান আল-হিলাল, ডবকা আঞ্চলিক যুৱ নদৱাতৰ সম্পাদক আমিৰ হুছেইন সহ অন্যান্য বিষয়া সকল। সভাখনত সভাপতিত্ব কৰে হোজাই জিলা নদৱাতুত তামীৰৰ উপসভাতি কুৰমান আলী লস্কৰে। তেওঁৰ ভাষণত তেওঁ কয় যে হজ্জ হৈছে ইছলাম ধৰ্মৰ পাঁচটা মূল স্তম্ভৰ অন্যতম গুৰুত্বপূৰ্ণ ইবাদত। যিসকলে এই পবিত্ৰ যাত্ৰা কৰাৰ সুযোগ লাভ কৰে তেওঁলোক যথেষ্ট সৌভাগ্যবান বুলি উল্লেখ কৰে। তেওঁ লগতে কয় যে হজ্জ কেৱল এটা ধৰ্মীয় কৰ্তব্য নহয়, ই হৈছে আত্মশুদ্ধি, ত্যাগ, ধৈৰ্য আৰু ভ্ৰাতৃত্ববোধৰ এক মহান শিক্ষা। মক্কা-মদিনাৰ পবিত্ৰ ভূমিত বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা অহা লাখ লাখ মুছলিম একেলগে নামাজ আদায় কৰে, যি বিশ্ব ভাতৃত্বৰ এক অনন্য উদাহৰণ। এই প্ৰসংগত নদৱাতুত তামীৰৰ ভূমিকা সন্দৰ্ভত বক্তাসকলে উল্লেখ কৰে যে এই সংস্থাই সমাজত ধৰ্মীয় শিক্ষা বিস্তাৰ, নৈতিক মূল্যবোধ জাগ্ৰত কৰা আৰু যুৱ সমাজক সঠিক পথত আগবঢ়াবলৈ গুৰুত্বপূৰ্ণ কাম কৰি আহিছে। নদৱাৰ দৰে সংগঠনে সমাজৰ ঐক্য আৰু শান্তি বজাই ৰখাত বিশেষ ভূমিকা পালন কৰি আহিছে বুলিও তেওঁলোকে মত প্ৰকাশ কৰে। অনুষ্ঠানৰ শেষত সকলো হজ্জ যাত্ৰীৰ সুস্বাস্থ্য, নিৰাপদ যাত্ৰা আৰু সফলভাৱে হজ্জ সম্পন্ন কৰাৰ বাবে বিশেষ দোৱা কৰা হয়। সমগ্ৰ পৰিৱেশটো আধ্যাত্মিকতা আৰু ভক্তিভাৱেৰে ভৰা আছিল।

## সাংবাদিক গণেশ দত্ত, ভাৰ্গৱ কুমাৰ দাসসহ ৮ গৰাকীক সম্বৰ্ধনা; সাংস্কৃতিক শোভাযাত্ৰাত উদ্ভাসিত দৰঙী কলা কৃষ্টি

# তৃতীয় বাৰ্ষিক কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনী, মঙলদৈয়ে সোঁৱৰিলে জুবিন গাৰ্গক

**অসম বাৰ্তা, মঙলদৈ, ১৬ এপ্ৰিল ঃ** তৃতীয় বাৰ্ষিক কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনী, মঙলদৈৰ উদ্যোগত যোৱা ১৪ এপ্ৰিলত প্ৰথম পৰ্যায়ৰ ৰঙালী বিহু উদযাপন কৰা হয়। এই উপলক্ষে পুৱা ১০ বজাত সন্মিলনীৰ কাৰ্যকৰী সভাপতি শৈলেন্দ্ৰ কুমাৰ শৰ্মা বৰুৱাই বিহু পতাকা উত্তোলন কৰাৰ লগে লগে অৰ্ধশতাধিক শিল্পীয়ে পুৰুষোত্তম দাস বিৰচিত 'শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে উচবৰ মধু আলোড়ন' শীৰ্ষক গীতটি পৰিৱেশন কৰে। ইয়াৰ পিছতে মঙলদৈ পৌৰসভাৰ ৱাৰ্ড কমিচনাৰদ্বয় কল্পনা চহৰীয়া আৰু গিৰিজা নাথে স্মৃতি তৰ্পণ কৰে। আনহাতে শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত অনাতাঁৰ শিল্পী প্ৰাঞ্জল শৰ্মাই বন্তি প্ৰজ্বলন আৰু শিল্পী পেঞ্চনাৰ স্বপন কুমাৰ ঘোষে পুষ্পাঞ্জলি অৰ্পণ কৰাৰ সময়ত এক আৱেগিক পৰিবেশ সৃষ্টি হয়। উল্লেখ্য যে, বিগত দুবছৰৰ দৰে এই বাৰো এই বিহুতলীত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গে গীত পৰিবেশন কৰাৰ কথা আছিল। বিহু সন্মিলনীৰ সাধাৰণ সম্পাদক দিগন্ত মণি বৰা আৰু সাংস্কৃতিক বিভাগৰ সহকাৰী সম্পাদক বিজু ফুকন ডেকাই আঁত ধৰা তথা মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলাকান্ত বৰা, পৌৰপতি নিৰ্মালী দেৱী শৰ্মা, বিহু সম্ৰাজ্ঞী হিমাশ্ৰী শইকীয়া বৰা, পূব মঙলদৈ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া তন্ময় বৰা, মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° আমানুল হক, অৱসৰপ্ৰাপ্ত স্বাস্থ্য বিষয়া ডাঃ জয়কান্ত চহৰীয়া, বিশিষ্ট সমাজসেৱক বিপুল ৰঞ্জন দে, চন্দন বৰুৱাকে ধৰি সহস্ৰাধিক লোক উপস্থিত থকা এই অনুষ্ঠানত 'কৰুণাধাৰা'- দৰং জিলা সহায়ক সমিতিৰ প্ৰধান সচিব, ৩৫ বছৰ ধৰি সাংবাদিকতাৰ লগত জড়িত তথা অসমীয়া প্ৰতিদিন কাকতৰ মঙলদৈৰ সাংবাদিক গণেশ দত্ত, আছুৰ প্ৰাক্তন সহকাৰী সাধাৰণ সম্পাদক, দ্যা চেণ্টিনেল কাকতৰ মঙলদৈৰ সাংবাদিক ভাৰ্গৱ কুমাৰ দাস, মানৱদৰদী অৱসৰপ্ৰাপ্ত চিকিৎসা বিষয়া ডাঃ ধৰ্মকান্ত নাথ, বয়োজ্যেষ্ঠ সমাজসেৱক ভৱকান্ত চহৰীয়া, জনপ্ৰিয় বিহুৱা দ্বীপজ্যোতি নাথ, অসম লোক সেৱা আয়োগৰ সংযুক্ত পৰীক্ষাত উত্তীৰ্ণ উৰ্মিমালা ডেকা, হিমাক্ষী তামোলী আৰু প্ৰাৰ্থনা কৌশিকক ফুলাম গামোচা, চেলেং, হালোৱাৰ জাপি, স্মাৰক আৰু সম্বৰ্ধনা পত্ৰৰে ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ইয়াৰ পিছতে অসম গৌৰৱ বঁটাপ্ৰাপক বিশিষ্ট উদ্যোগপতি অনুপম ডেকাই সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে। সাংস্কৃতিক শোভাযাত্ৰাত দেওধনী, বিহু নৃত্য, গোৱালনী নৃত্য, ঢেপা ঢোল, ঝুমুৰ, ওজাপালি, বৰঢোল আদি দৰঙী সাংস্কৃতিক দলে অংশগ্ৰহণ কৰি সমগ্ৰ মঙলদৈ চহৰ মুখৰিত কৰি তোলে। উল্লেখ্য যে, সন্মিলনীৰ উদ্যোগত অহা ২২, ২৩ আৰু ২৪ এপ্ৰিলত দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচী ৰূপায়ণ হ'ব। সেই মৰ্মে ২২ এপ্ৰিলত খেল ধেমালি, চিত্ৰাংকণ, সদৌ অসম ভিত্তিত বিহু কুঁৱৰী আৰু মুকলি বিহু প্ৰতিযোগিতা, ২৩ এপ্ৰিলত সদৌ অসম ভিত্তিত মাৰাথন দৌৰ, কুইজ, ভেশচন প্ৰতিযোগিতা আৰু সাংস্কৃতিক অনুষ্ঠান, ২৪ এপ্ৰিলত সদৌ অসম ভিত্তিত চাইকেল চালনা প্ৰতিযোগিতা, স্মৰণিকা উন্মোচন আৰু সাংস্কৃতিক অনুষ্ঠান হ'ব।

# নাজিৰা কবি সন্মিলনৰ উদ্যোগত পহিলা ব'হাগত "ব'হাগী ওলগ" অনুষ্ঠান সম্পন্ন



**অসম বাৰ্তা, নামতি, ১৬ এপ্ৰিল ঃ** সদৌ অসম কবি সন্মিলনৰ অন্যতম শ্ৰেষ্ঠ শাখা হিচাপে স্বীকৃত নাজিৰা কবি সন্মিলনে পহিলা ব'হাগৰ দিনটোত প্ৰতি বছৰৰ দৰে এইবাৰো বিভিন্ন ক্ষেত্ৰত সমাজ জীৱনলৈ বিশেষ ভাৱে অৱদান আগবঢ়োৱা জেষ্ঠ তথা সমাজ-সাহিত্য-সংস্কৃতিৱান নাজিৰা সমজিলাৰ বৰেণ্য ৫ গৰাকী ব্যক্তিক "ব'হাগী ওলগ" জনোৱা হয়। নাজিৰা সমজিলাৰ গেলেকীৰ-অৱসৰ প্ৰাপ্ত শিক্ষক তথা সংস্কৃতিৱান ব্যক্তি কেশৰাম গগৈ, ললিত চন্দ্ৰ দত্ত, ন-মাটি, অৱসৰ প্ৰাপ্ত শিক্ষক, সমাজকৰ্মী, সমাজ সংগঠক ললিত চন্দ্ৰ দত্ত, নাজিৰা আমোলাপট্টিৰ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ একনিষ্ঠ সেৱক, সমাজ-সংস্কৃতিৱান ব্যক্তি মহেন্দ্ৰ গগৈ, শিমলুগুৰি, অৱসৰ প্ৰাপ্ত শিক্ষয়িত্ৰী, সাহিত্যিক তথা সমাজকৰ্মী অনিমা ৰাজখোৱা, লংকাক, পানীবিলৰ নিবাসী নাজিৰা-বিশিষ্ট সাংবাদিক-লেখক তথা সমাজ সংগঠক বুলু চেতিয়াক তেখেতসকলৰ নিজ নিজ গৃহত পদাৰ্পণ কৰি স-সন্মানেৰে "ব'হাগী ওলগ" জনোৱা হয়। অনুষ্ঠানত নাজিৰা কবি সন্মিলনৰ উপদেষ্টা ক্ৰমে অজিত খাটনিয়াৰ, অৰুণা চেতিয়া খাটনিয়াৰ, সুৰেশ ভূঞা, সভাপতি- বিচিত্ৰা বৰা ভূঞা, সহকাৰী সম্পাদক- কবিতা বৰগোহাঁই, পত্ৰিকা উপ-সমিতিৰ কাৰ্যকৰী সভাপতি- মিতালী শৰ্মা, সম্পাদক - শিখামণি বুঢ়াগোহাঁই, সাংস্কৃতিক উপ-সমিতিৰ মুখ্য আহ্বায়ক- নিৰুপমা দত্ত, জনগোষ্ঠীয় কাব্যচৰ্চা উপ-সমিতিৰ মুখ্য আহ্বায়ক- ৰাম নায়ক, সমন্বয়ক উপ-সমিতিৰ সমন্বয়ক- দীপা গগৈ সন্দিকৈ, অনুষ্ঠানটিৰ শুভাকাঙ্খী মেজেঙ্গাৰ বিমান আৰন্ধৰাকে আদি কৰি ভালেকেইজনে অংশগ্ৰহণ কৰে। অনুষ্ঠানটি আঁত ধৰে নাজিৰা কবি সন্মিলনৰ সম্পাদিকা মঞ্জু ঘৰফলীয়া বড়াই। শাখাৰ উপদেষ্টা, সভাপতি আৰু সম্বৰ্ধিত ব্যক্তিসকলে প্ৰত্যেক গৰাকীয়ে একাষাৰ আগবঢ়ায়। বক্তব্যত ব্যক্তিসকলে শাখাটিয়ে লোৱা পদক্ষেপক শলাগ জনায়। লগতে ন-ন চিন্তা চেতনাৰে নতুন প্ৰজন্মক আকোৱালি এখন সুস্থ সমাজ গঢ়াৰ দিশেৰে নাজিৰা কবিসন্মিলনক আগবাঢ়ি যাবলৈ পৰামৰ্শ আগবঢ়ায়। কবিতা লেখাৰ প্ৰতি আগ্ৰহী লগতে সাহিত্য সাধনাত সকলোকে নিয়োজিত হ'বলৈ প্ৰেৰণা যোগায়। অনুষ্ঠানটিত অজিত খাটনিয়াৰৰ দেশপ্ৰেমমূলক গীত আৰু বিহুনাম, নিৰুপমা দত্তৰ গীত, অৰুণা চেতিয়া খাটনিয়াৰ গল্প পাঠ, মঞ্জু ঘৰফলীয়াৰ বিহু নাম পৰিৱেশনে অনুষ্ঠানটি আনন্দময় কৰি তুলিলে। "ব'হাগী ওলগ" অনুষ্ঠানটিৰ সফল সমাপ্তিত উপস্থিত থকা আৰু বিশেষ অসুবিধা হেতু উপস্থিত নাথাকিলেও সহায়-সহযোগিতা সকলোপ্ৰকাৰে আগবঢ়োৱাৰ বাবে সকলোলৈ শাখাৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰে।

# মাকুমত এজন কোৰিয়াৰ বয়ক মাৰপিট; ধৰ্মীয়কৰণৰ আখ্যা

**অসম বাৰ্তা, মাকুম, ১৬ এপ্ৰিল ঃ** মাকুমত এক ধৰ্মীয়কৰণ আক্ৰমণৰ ঘটনা পোহৰলৈ আহিছে। মাকুম টেঙাপানী ৰোডৰ নিবাসী আফ্ৰিদি হুছেইন নামৰ এজন যুৱকৰে বিৰুদ্ধে কোৰিয়াৰ বয়ক মাৰপিটৰ গুৰুত্বৰ অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, হৰমন সিং নামৰ কোৰিয়াৰ বয়ে এজনে মাকুম টেঙাপানী ৰোডৰ নিবাসী আফ্ৰিদি হুছেইন নামৰ যুৱক জনৰ বাস গৃহত কোৰিয়াৰ দিব যাওঁতে কোৰিয়াৰটো লোৱা নোলোৱাকলৈ বাত বিতণ্ডা সৃষ্টি হোৱাৰ পাছতে উদ্দেশ্য প্ৰণোদিতভাৱে আক্ৰমণ কৰা বুলি অভিযোগ উত্থাপিত হৈছে। লগতে হিন্দু ধৰ্মৰ ওপৰত বিভিন্ন ধৰণৰ গালি গালাজ দিয়াৰ অভিযোগ উত্থাপন কৰিছে কোৰিয়াৰ বয় হৰমন সিঙে। ঘটনাটো সংঘটিত হোৱাৰ পাছতে হৰমন সিঙে আফ্ৰিদি হুছেইনৰ বিৰুদ্ধে মাকুম আৰক্ষী থানাত অভিযোগ দাখিল কৰে। উক্ত ঘটনাক কেন্দ্ৰ কৰি মাকুম অঞ্চলত বিভিন্ন ধৰণৰ প্ৰশ্ন উদয় হোৱাৰ লগতে মাকুমৰ দৰে ঠাইত ধৰ্মীয়কৰণ হোৱাৰ বিষয়টোৱে যথেষ্ট উদ্বেগজনক হৈ পৰিছে।

# উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ কণ্ঠশিল্পী দিপলীনা ডেকালৈ "ভিতালী দাস সোঁৱৰণী বঁটা" ঘোষণা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৬ এপ্ৰিল ঃ** বিশ্বত্ৰাস ক'ভিডত আক্ৰান্ত হৈ অকালতে মৃত্যুবৰণ কৰা জনপ্ৰিয় কণ্ঠশিল্পী প্ৰয়াত ভিতালী দাসৰ স্মৃতিত উত্তৰ গুৱাহাটী সাংবাদিক সন্থাই প্ৰদান কৰি অহা "ভিতালী দাস সোঁৱৰণী বঁটা" এইবেলি জনপ্ৰিয় কণ্ঠশিল্পী দিপলীনা ডেকাক প্ৰদান কৰা হ'ব। শিল্পী গৰাকীৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে উত্তৰ গুৱাহাটী সাংবাদিক সন্থাই উত্তৰ গুৱাহাটীৰ আগশাৰীৰ সংগীত শিক্ষানুষ্ঠান ৰাগশ্ৰী সংগীত মহাবিদ্যালয়ৰ সহযোগত অহা ২১ এপ্ৰিলত উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত প্ৰাগজ্যোতিষ পুৰ কলা পৰিষদ ভৱনত আয়োজন কৰা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত শিল্পী গৰাকীক উক্ত বঁটা প্ৰদান কৰা হ'ব। উল্লেখ্য যে, প্ৰয়াত শিল্পী ভিতালী দাসৰ স্মৃতিত উত্তৰ গুৱাহাটী সাংবাদিক সন্থাই প্ৰতি বছৰে একোগৰাকীকৈ শিল্পীক বঁটা প্ৰদান কৰি আহিছে। ইতিপূৰ্বে ভিতালী দাস সোঁৱৰণী বঁটাৰে সন্মানিত শিল্পী সকলৰ ভিতৰত আছে তৰালী শৰ্মা, জুবলী বৰুৱা, বিমান বৰুৱা আৰু নিৰ্মালি দাস। ভিতালী দাসৰ পঞ্চম মৃত্যু তিথি উপলক্ষে ২১ এপ্ৰিল দিনৰ ১০-৩০ বজাৰ পৰা আয়োজন কৰা শ্ৰদ্ধাঞ্জলি তথা বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকিব কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, আমাৰ অসম'ৰ কাৰ্যকৰী সম্পাদক গৌতম শৰ্মা, বিশিষ্ট চিকিৎসক শিল্পী ডা: অঞ্জনজ্যোতি চৌধুৰী আৰু আমাৰ অসম'ৰ সহ: সম্পাদক মণ্টু শইকীয়া। উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ সম্পাদক ৰূপক ডেকাই জানিব দিয়া মতে ভিতালী দাসৰ অগণন শুভাকাংক্ষী অনুৰোধ মৰ্মে এইবেলি শ্ৰদ্ধাঞ্জলি আৰু বঁটা প্ৰদান অনুষ্ঠানটো ভিতালী দাসৰ জন্ম ভূমি উত্তৰ গুৱাহাটীত আয়োজন কৰা হৈছে। ইয়াৰ পূৰ্বে যোৱা ৪ বছৰ গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিত কৰা হৈছিল এই বঁটা প্ৰদান অনুষ্ঠান। উল্লেখ্য যে, উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ দ্বাৰা প্ৰকাশিত তিনিমহীয়া আলোচনী "কলম" ৰ সপ্তম বছৰ দ্বিতীয় সংখ্যাটি উক্ত অনুষ্ঠানতে উন্মোচন কৰা হ'ব বুলি সন্থাৰ বিষয়ববীয়া সকলে সদৰি কৰিছে।

# জাঁজী শাখা কবি সন্মিলনৰ বিশিষ্ট ব্যক্তিলৈ ব'হাগী ওলগ

**অসম বাৰ্তা, জাঁজী, ১৬ এপ্ৰিল ঃ** জাঁজী শাখা কবি সন্মিলনে পহিলা ব'হাগৰ দিনটোত সমাজ জীৱনলৈ উল্লেখযোগ্য অৱদান আগবঢ়োৱা স্থানীয় তিনি গৰাকী বিশিষ্ট ব্যক্তিক তেওঁলোকৰ বাসগৃহত গৈ ব'হাগী ওলগ জনায়। জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা অসম কলেজ শিক্ষক সংস্থাৰ প্ৰাক্তন সভাপতি জ্যোতিপ্ৰসাদ গগৈ, সমাজকৰ্মী ভৱেন চেতিয়া আৰু অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী উষা বৰপূজাৰীৰ বাসগৃহত গৈ গামোচা, কিতাপৰ টোপোলা আৰু কৃতজ্ঞতা পত্ৰৰে ব'হাগী ওলগ জ্ঞাপন কৰে। ব'হাগী ওলগ উপলক্ষে জ্যোতি প্ৰসাদ গগৈৰ বাসগৃহত জাঁজী শাখা কবি সন্মিলনে এক কাব্যানুষ্ঠানৰ আয়োজন কৰে। শিৱসাগৰ জিলা কবি সন্মিলনৰ উপ সভাপতি বিজু বৰঠাকুৰে আঁত ধৰা অনুষ্ঠানটোত জাঁজী শাখাৰ সম্পাদক যুতিকা শইকীয়া গগৈ, ৰুলী বৰগোহাঁই, তুলুমা কোঁৱৰ, উজ্জ্বল ফুকনে কবিতা পাঠ কৰে। জাঁজী শাখা সাহিত্য সভাৰ সভাপতি প্ৰতাপ কুমাৰ বৰুৱা, পৰাগ গগৈ, অলংকৃতা মহিলা সমাজৰ সম্পাদিকা বন্তিমালা হাতীবৰুৱা, শিশু সাহিত্যিক অদিতি খাউণ্ড, পুষ্পাঞ্জলি বৰুৱা গগৈ, উজ্জ্বল ফুকন, অনন্যা গগৈ শইকীয়া, কবিতা নেওগ গগৈ, ৰূপজ্যোতি গগৈ, জ্যেতিষ্ণা বৰপূজাৰী, ময়ূৰী বৰপূজাৰীকে ধৰি বহু সংখ্যাক ব্যক্তি অনুষ্ঠানত উপস্থিত থাকে।

# বকোৰ বৰুৱাত শ্ৰীশ্ৰী বৰশিল বিষ্ণু মন্দিৰত আধ্যাত্মিক পৰিৱেশত দুদিনীয়াকৈ পূজা অৰ্চনা সম্পন্ন

**অসম বাৰ্তা, বকো, ১৬ এপ্ৰিল ঃ** কামৰূপ জিলাৰ বকো-ছয়গাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰুৱা চন্দ্ৰাত শ্ৰীশ্ৰী বৰশিল বিষ্ণু মন্দিৰত আধ্যাত্মিক পৰিৱেশত দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত পূজা অৰ্চনা সম্পন্ন। প্ৰাকৃতিক মনোৰম সৌন্দৰ্যৰে ভৰপূৰ ঐতিহ্যমণ্ডিত বৰশিল বৰবিষ্ণু মন্দিৰত প্ৰভু বিষ্ণু বাবাৰ আশীৰ্বাদ বিচাৰি সোঁত বয় বিভিন্ন গাঁৱৰ পৰা সহস্ৰাধিক দৰ্শনাৰ্থীৰ। ওখ পাহাৰ বগাই গৈ পুৱাৰে পৰা ভিৰ হয় ভক্তপ্ৰাণ ৰাইজৰ। নৈসৰ্গিক প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ বকোৰ বৰুৱাৰ এই মন্দিৰটোৰ চৌপাশ। এক অনুপম দৃশ্য। এনেদৰে ৩ খন গাঁৱৰ ৰাইজৰ লগতে বিভিন্ন প্ৰান্তৰ পৰা শ শ দৰ্শনাৰ্থীয়ে ভিৰ কৰে। ব'হাগ মাহৰ ১ আৰু ২ তাৰিখে ঐতিহ্যমণ্ডিত বৰবিষ্ণু মন্দিৰত পূজা ভাগি অনুষ্ঠিত কৰি আহিছে ৰাইজে। বৰশিল বিষ্ণু মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি অচিন্ত ৰাভা আৰু সম্পাদক নিকুঞ্জ ৰাভা তথা বিষয়ববীয়াই জানিব দিয়া মতে, ১ ব'হাগৰ কাৰ্যসূচী অনুসৰি প্ৰথমে মন্দিৰৰ দুৱাৰ মুকলি ও পূজা আৰম্ভ, গীতা ভাগৱত পাঠ আৰম্ভ লগতে আইমাতৃ সকলৰ দিহানাম পৰিৱেশন, চাহ প্ৰসাদ বিতৰণ, জ্যেষ্ঠ অতিথিক সম্বৰ্ধনা জনায় উদযাপন সমিতিৰ বিষয়ববীয়াই। আনহাতে, ২ ব'হাগৰ দিনা পুৱা অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া গণেশ বড়োৰ জৰিয়তে বৃক্ষৰোপণৰ পিছতে মহা বিষ্ণু যজ্ঞ আৰম্ভ, চাহ প্ৰসাদ বিতৰণ লগতে বিভিন্ন নামতি দলৰ জৰিয়তে নাম প্ৰসংগ পৰিৱেশন কৰা হয়। উল্লেখ্য যে, অতীজৰে পৰা বৰুৱা পাহাৰৰ ওখ শিখৰত এক বৃহৎ আকাৰৰ শিলত অৱস্থিত বৰশিল বৰবিষ্ণু মন্দিৰত প্ৰতি বছৰে মাংগলিক নীতি নিয়মৰ মাজেৰে পূজাভাগি কৰি অহা বুলি প্ৰবাদ আছে। প্ৰকাশ্য যে, পাহাৰৰ উচ্চ টিলাত অৱস্থিত মন্দিৰটো উন্নয়ন সাধনৰ বাবে ৰাভা হাছং স্বায়ত্ত পৰিষদৰ তৰফৰ পৰা কিছু আৰ্থিক অনুদান লাভ কৰিছে যদিও সন্তোষজনক নহয়। সেয়ে, মন্দিৰটো উন্নয়ন তথা ভক্তৰ বাবে আকৰ্ষণীয় কৰিবলৈ স্থানীয় প্ৰশাসন, পৰ্যটন বিভাগক আহ্বান জনাইছে উদ্‌যাপন সমিতিৰ বিষয়ববীয়াই।

## মহিলা বিধেয়কৰ বিৰোধিতা

বিধেয়কখনৰ ওপৰত পুৱাৰে পৰা আলোচনা আৰম্ভ হৈছে। মই ভাবোঁ ভাৰতীয় সংসদীয় গণতন্ত্ৰৰ ইতিহাসত এয়া এক অভূতপূৰ্ব পদক্ষেপ। ইয়াৰ আৱশ্যকতা বিগত ২৫-৩০ বছৰৰ পৰাই আছিল। সময়ৰ লগে লগে ইয়াৰ শুদ্ধি হ'ব পাৰিলেহেঁতেন আৰু এইটোৱেই গণতন্ত্ৰৰ সৌন্দৰ্য।" তেওঁ আৰু কয়, "আমি ভাগ্যৱান যে আমি ইতিহাস সৃষ্টিৰ এক অংশ। এয়া আমাৰ বাবে গৌৰৱৰ বিষয়।" প্ৰধানমন্ত্ৰীয়ে কয়, "উন্নত ভাৰত বা বিকশিত ভাৰতৰ অৰ্থ কেৱল পথ, ৰে'ল আৰু ভাল অৰ্থনৈতিক পৰিসংখ্যা নহয়। আমি বিকাশক তাতেই সীমাবদ্ধ ৰাখিব খোজা নাই। দেশৰ ৫০ শতাংশ জনসংখ্যা সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াৰ অংশ হ'ব লাগে। এই ক্ষেত্ৰত ইতিমধ্যে বহু পলম হৈছে।" তেওঁ লগতে উল্লেখ কৰে যে পঞ্চায়তত নিৰ্বাচিত হোৱা লাখ লাখ মহিলা এতিয়া সবল হৈ উঠিছে। তেওঁলোকে কৈছে— "আমাক সিদ্ধান্ত গ্ৰহণত অংশগ্ৰহণ কৰিব দিয়ক।" একেদৰে ৰাজ্যিক বিধানসভা আৰু সংসদতো তেনেকুৱাই হ'ব লাগে বুলি তেওঁ মন্তব্য কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "কেৱল ৰাজনীতিৰ কথা চিন্তা কৰাসকলক মই বন্ধু হিচাপে পৰামৰ্শ দিব বিচাৰোঁ। যেতিয়া মহিলা সংৰক্ষণৰ কথা কওঁ আৰু নিৰ্বাচন আহে, তেতিয়া দেশৰ মহিলাসকলে ইয়াৰ বিৰোধিতা কৰাসকলক প্ৰত্যুত্তৰ দিয়ে। ২০২৪ চনৰ নিৰ্বাচনত এনেকুৱা হোৱা নাছিল, কাৰণ সকলোৱে সৰ্বসন্মতিক্ৰমে সমৰ্থন কৰিছিল।" তেওঁ আৰু কয়, "ই ভাৰতীয় গণতন্ত্ৰৰ সপক্ষে যাব। ইয়াৰ কৃতিত্ব না শাসকীয় পক্ষই পাব, না মোদীয়ে পাব।" প্ৰধানমন্ত্ৰীয়ে অতি পিছপৰা জাতিৰ পৰা আহি সংবিধান আৰু দেশবাসীক ধন্যবাদ জনাই কয় যে নাৰী শক্তিক বিভিন্ন ক্ষেত্ৰত দেখা যায়। তেওঁ আবেদন কৰি কয়, "ইয়াক ৰাজনীতিকৰণ নকৰিব, ই দেশৰ বাবে এক সিদ্ধান্ত।" তেওঁ লগতে কয় যে মহিলাসকলে গ্ৰহণ কৰা সিদ্ধান্ত প্ৰত্যক্ষ কৰিব আৰু তেওঁলোকৰ ইচ্ছাশক্তি দেখা পাব। "কাশ্মীৰ হওক বা কন্যাকুমাৰী, আমি খণ্ড খণ্ডভাৱে চিন্তা কৰি সিদ্ধান্ত ল'ব নোৱাৰোঁ। দক্ষিণ হওক বা উত্তৰ, পূব বা পশ্চিম— কাৰো ওপৰত কোনো ধৰণৰ প্ৰভাৱ নপৰে" — তেওঁ কয়। প্ৰধানমন্ত্ৰীয়ে গেৰাণ্টি বা প্ৰতিশ্ৰুতি শব্দ ব্যৱহাৰ কৰি কয় যে মহিলা সংৰক্ষণ কোনো দান নহয়, ই তেওঁলোকৰ অধিকাৰ। বছৰ বছৰ ধৰি বন্ধ কৰি ৰখা এই অধিকাৰ আজি প্ৰদান কৰাৰ সুযোগ আহিছে। প্ৰধানমন্ত্ৰী মোদীয়ে বিৰোধী পক্ষক তীব্ৰ সমালোচনা কৰি কয় যে তিনি দশক ধৰি নাটক আৰু কাৰিকৰী বিষয়ৰ বাবে বিধেয়কখন স্তব্ধ কৰি ৰাখিছিল। তেওঁ কটাক্ষ কৰি কয়, "কোনো বিধেয়ক বন্ধ কৰি ৰাখিবলৈ যদি তিনিটা দশক কম, তেন্তে এতিয়া কৰি দেখুৱাওক।" তেওঁ আৰু কয়, "কিছুমানে অনুভৱ কৰে যে ইয়াত মোদীৰ ৰাজনৈতিক লাভালাভ আছে। যদি আপোনালোকে বিৰোধিতা কৰে, তেন্তে মোৰ ৰাজনৈতিক লাভালাভ স্বাভাৱিক। আমি কোনো ক্ৰেডিট নিবিচাৰোঁ।" প্ৰধানমন্ত্ৰীয়ে কয় যে দেশত ক্ষমতাশালী মহিলাৰ কোনো অভাৱ নাই আৰু যেতিয়াই মহিলা সাংসদে সুযোগ পাইছে, তেওঁলোকে সদনক সমৃদ্ধ কৰিছে।

## ৰাজ্যসভাৰ সাংসদ হিচাপে

চিপি ৰাধাকৃষ্ণনৰ উপস্থিতিত তিনিওগৰাকীয়ে শপত ল'লে। শপত গ্ৰহণ অনুষ্ঠানৰ আগতে তেৰছ গোৱালাই অগতানুগতিক ৰূপত চাইকেল চলাই সংসদ ভৱনলৈ উপস্থিত হোৱাত সকলোৰে দৃষ্টি আকৰ্ষণ কৰিলে। তিনিওগৰাকী সাংসদে জাতীয় সাজ-পাৰ পৰিধান কৰি সংসদত উপস্থিত হৈছিল। তেৰছ গোৱালা আৰু যোগেন মহনে অসমীয়া ভাষাত শপত গ্ৰহণ কৰাৰ বিপৰীতে প্ৰমোদ বড়োৱে বড়ো ভাষাত শপত ল'লে। উল্লেখযোগ্য যে, যোৱা ১৬ মাৰ্চত অসমৰ ৰাজ্যসভাৰ তিনিখন খালী হোৱা আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব লগা আছিল। কিন্তু যোগেন মহন, তেৰছ গোৱালা আৰু প্ৰমোদ বড়োৰ বাহিৰে আন কোনো প্ৰাৰ্থীয়ে মনোনয়ন দাখিল নকৰাত তিনিওগৰাকীকে বিনা প্ৰতিদ্বন্দ্বিতাৰে ৰাজ্যসভাৰ সদস্য হিচাপে নিৰ্বাচিত ঘোষণা কৰা হয়। ৯ মাৰ্চত মনোনয়ন উঠাই লোৱাৰ অন্তিম দিনত মাত্ৰ এখনকৈ মনোনয়ন দাখিল হোৱাত ৰিটাৰ্ণিং বিষয়া ৰাজীৱ ভট্টাচাৰ্যই তেওঁলোকক বিজয়ী সূচিত কৰে। এই তিনিখন আসনত পূৰ্বে প্ৰতিনিধিত্ব কৰিছিল বিজেপিৰ ৰামেশ্বৰ তেলী, ভুৱনেশ্বৰ কলিতা আৰু বিৰোধী পক্ষৰ অজিত কুমাৰ ভূঞাই। অহা মে'মাহৰ ভিতৰত এই আসনসমূহ খালী হ'ব লগা আছিল। প্ৰাক্তন অসম বিধানসভাৰ বিধায়ক তেৰছ গোৱালা আৰু প্ৰাক্তন মন্ত্ৰী যোগেন মহনক বিজেপিয়ে ৰাজ্যিক ৰাজনীতিৰ পৰা কেন্দ্ৰীয় ৰাজনীতিলৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত লৈছে। আনহাতে, ইউপিপিএলৰ সভাপতি প্ৰমোদ বড়োৱে বিগত কাৰ্যকালত বডোলেণ্ড টেৰিট'ৰিয়েল কাউঞ্চিল (বিটিচি)ৰ মুখ্য কাৰ্যবাহী সদস্য হিচাপে দায়িত্ব পালন কৰিছিল। শেহতীয়া বিটিচি নিৰ্বাচনত তেওঁৰ দল ইউপিপিএলে হাগ্ৰামা মহিলাৰীৰ বিপিএফৰ হাতত পৰাজয় স্বীকাৰ কৰিবলগীয়া হৈছিল। তথাপি এনডিএৰ অংশীদাৰ হিচাপে বিজেপিয়ে তেওঁক ৰাজ্যসভাৰ নিৰ্বাচনত সমৰ্থন আগবঢ়াইছিল। উল্লেখ্য যে, প্ৰমোদ বড়োৱে শেহতীয়া অসম বিধানসভা নিৰ্বাচনত তামুলপুৰ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব। যদি তেওঁ বিধানসভা নিৰ্বাচনত জয়ী হয়, তেন্তে ৰাজ্যসভা আৰু বিধানসভাৰ মাজত কোনটো বাছি ল'ব সেয়া পৰৱৰ্তী সময়ত স্পষ্ট হ'ব।

## পশ্চিমবংগত নিৰ্বাচনী

তেওঁ প্ৰশ্ন কৰি কয়, "অসমত মাছ-মাংস খোৱাটো নিষিদ্ধ বুলি কৈছে নেকি কোনোবাই?" তেওঁ আৰু কয় যে মমতা বেনাৰ্জীয়ে কিয় ভয় খাইছে বুলি প্ৰশ্ন উত্থাপন কৰি উল্লেখ কৰে, "পশ্চিমবংগত বিজেপি চৰকাৰ আহিলে গো-মাংস বন্ধ হ'ব বুলি ভয় খাইছে মমতা বেনাৰ্জীয়ে।" হিমন্ত বিশ্ব শৰ্মাই লগতে কয় যে বিজেপি শাসন আহিলে পশ্চিমবংগতো একত্ৰীয় নাগৰিক সংহিতা (UCC) বলৱৎ কৰা হ'ব। তেওঁৰ এই মন্তব্যই সভাত উপস্থিত বিজেপি সমৰ্থকসকলৰ মাজত তীব্ৰ উচ্ছ্বাসৰ সৃষ্টি কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে পশ্চিমবংগত বিজেপি চৰকাৰ গঠনৰ সম্ভাৱনাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে বিজেপিয়ে ৰাজ্যখনত উন্নয়ন আৰু সংস্কাৰৰ নতুন যুগৰ সূচনা কৰিব। তেওঁ মমতা বেনাৰ্জীৰ শাসনক লক্ষ্য কৰি তীব্ৰ সমালোচনা কৰি কয় যে তৃণমূল কংগ্ৰেছৰ শাসনত ৰাজ্যখনত বিভিন্ন ধৰণৰ সমস্যা বৃদ্ধি পাইছে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা বিজেপিৰ এজন অন্যতম তাৰকা প্ৰচাৰক হিচাপে পশ্চিমবংগত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি আছে। তেওঁৰ এই নিৰ্বাচনী সভাই ৰাজ্যখনত বিজেপিৰ প্ৰচাৰ অভিযানক অধিক গতি প্ৰদান কৰিব বুলি দলীয় সূত্ৰে আশা প্ৰকাশ কৰিছে।

## শ্ৰীশ্ৰী দীৰ্ঘেশ্বৰী দেৱালয়ৰ

হোৱাৰ বাবে তেওঁৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল প্ৰায় ৫৫ বছৰ। মূল পুৰোহিত যোগেশ্বৰ শৰ্মাৰ মৃত্যুৰ পিছতে মন্দিৰ পৰিচালনা সমিতিয়ে সিদ্ধান্ত লৈছে যে ১৬ এপ্ৰিলৰ পৰা তিনিদিনলৈকে অৰ্থাৎ ১৬, ১৭ আৰু ১৮ এপ্ৰিললৈ মন্দিৰৰ মূল দ্বাৰ বন্ধ ৰখা হ'ব। তিনিদিনৰ অন্তত মন্দিৰৰ শুদ্ধিকৰণ কাৰ্য সম্পন্ন কৰি ১৯ এপ্ৰিলৰ পৰা মন্দিৰৰ দ্বাৰ পুনৰ মুকলি কৰা হ'ব বুলি পৰিচালনা সমিতিয়ে জানিবলৈ দিছে। নিশা শুই থকা অৱস্থাতেই যোগেশ্বৰ শৰ্মাই আকস্মিকভাৱে পৰলোক প্ৰাপ্ত হয়। তেওঁৰ এই আকস্মিক প্ৰয়াণে ভক্ত আৰু স্থানীয় লোকসকলক গভীৰ শোকত নিমজ্জিত কৰিছে। দীৰ্ঘেশ্বৰী দেৱালয়ৰ মূল পুৰোহিত হিচাপে যোগেশ্বৰ শৰ্মাই বহু বছৰ ধৰি নিষ্ঠাৰে সেৱা আগবঢ়াই আহিছিল। তেওঁৰ মৃত্যুত সমগ্ৰ উত্তৰ গুৱাহাটী অঞ্চলতে শোকৰ ছাঁ পৰাৰ লগতে ভক্তসকলৰ মাজতো গভীৰ শূন্যতাৰ সৃষ্টি হৈছে। পৰিচালনা সমিতিয়ে জনোৱা মতে, মন্দিৰৰ পৰম্পৰা অনুসৰি মূল পুৰোহিতৰ মৃত্যুৰ পিছত শুদ্ধিকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। সেইবাবেই তিনিদিনৰ বাবে মন্দিৰৰ মূল দ্বাৰ বন্ধ ৰখা হৈছে। শুদ্ধিকৰণ কাৰ্য সম্পূৰ্ণ হোৱাৰ পিছত মন্দিৰ পুনৰ সাধাৰণ ৰূপত ভক্তসকলৰ বাবে মুকলি কৰা হ'ব। যোগেশ্বৰ শৰ্মাৰ মৃত্যুত অসমৰ বিভিন্ন ধৰ্মীয় সংগঠন আৰু স্থানীয় ৰাইজে গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁৰ আত্মাৰ শান্তি কামনা কৰি বহুতে প্ৰাৰ্থনা কৰিছে।

## এই বিধেয়কখন মহিলা

মাজতে ইয়াক কাৰ্যকৰী কৰিব লাগে। লোকসভাত ভাষণ প্ৰদান কৰি গৌৰৱ গগৈয়ে কয়, "তিনি বছৰ পূৰ্বে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে আজি কেন্দ্ৰীয় আইন মন্ত্ৰীয়ে কোৱাৰ সুৰতে কৈছিল যে মহিলা সংৰক্ষণ এক ঐতিহাসিক ঘটনা, যিটো প্ৰথমবাৰৰ বাবে ঘটিবলৈ গৈ আছে। আমি তেতিয়াও এই কথা কৈছিলোঁ আৰু এতিয়াও কৈছোঁ যে কংগ্ৰেছে মহিলা সংৰক্ষণক সমৰ্থন কৰে। কিন্তু অনুগ্ৰহ কৰি মহিলা সংৰক্ষণ ব্যৱস্থাক চিধাচিধি কৰি তোলক, যাতে গৃহীত হোৱাৰ লগে লগে ইয়াক কাৰ্যকৰী কৰা হয়।" তেওঁ আৰু কয়, "ইয়াক সমষ্টি পুনৰ নিৰ্ধাৰণৰ সৈতে জড়িত কৰা উচিত নহয় আৰু লোকসভাৰ বৰ্তমানৰ শক্তিৰ মাজতে কাৰ্যকৰী কৰা উচিত। মহিলা সংৰক্ষণক লৈ হেতালি নেখেলিব, এখন সৰল বিধেয়ক আনক। আমি এই বিধেয়কসমূহৰ বিৰোধিতা কৰিছোঁ।" গৌৰৱ গগৈয়ে অভিযোগ কৰে যে কেন্দ্ৰই মহিলা সংৰক্ষণ কাৰ্যকৰী কৰাৰ বাবে 'বাধাৰ সৃষ্টি কৰিছে'। তেওঁ কয়, "আপোনালোকে বাৰে বাৰে মহিলা সংৰক্ষণৰ বাবে বাধাৰ সৃষ্টি কৰি আছে। ২০২৩ চনত যদি আপোনালোকে আমাৰ কথা শুনিলেহেঁতেন, তেন্তে ২০২৪ চনত মহিলা সংৰক্ষণ কাৰ্যকৰী হ'লহেঁতেন।" তেওঁ আহ্বান জনাই কয়, "মহিলা সংৰক্ষণক সমষ্টি পুনৰ নিৰ্ধাৰণৰ সৈতে জড়িত কৰা উচিত নহয়। আপোনালোকে যদি তেনেকুৱা কৰে তেন্তে আমি নিশ্চিতভাৱে ইয়াক সমৰ্থন কৰিম। এই বিধেয়কখন মহিলা সংৰক্ষণৰ বাবে নহয়, কিন্তু ই পিছদুৱাৰেদি সমষ্টি পুনৰ নিৰ্ধাৰণৰ বাবেহে। এয়া আপোনালোকৰ উদ্দেশ্যপ্ৰণোদিত কাৰ্য।" সৰ্বভাৰতীয় মজলিছ-এ-ইত্তেহাদুল মুছলিমীনৰ (AIMIM) মুৰব্বী আছাদুদ্দিন ওৱেইছীয়েও সাংবিধানিক সংশোধনী বিধেয়কখনৰ বিৰোধিতা কৰি কয় যে ই ভাৰতীয় সংবিধানৰ মৌলিক গাঁথনি 'ফেডাৰেলিজম' উলংঘা কৰিছে। লোকসভাত ভাষণ দি তেওঁ কয় যে এই বিধেয়কৰ মূল লক্ষ্য হৈছে 'দক্ষিণ ভাৰতত শাসন কৰা' আৰু ইয়াৰ উদ্দেশ্য হৈছে 'বিধায়িনী দলৰ পৰা ওবিচিৰ প্ৰতিনিধিত্ব নোহোৱা কৰা'। উল্লেখ্য যে ২০২৩ চনৰ নাৰী শক্তি বন্দন অধিনিয়ম কাৰ্যকৰী কৰাৰ বাবে সাংবিধানিক সংশোধনী বিধেয়ক বৃহস্পতিবাৰে লোকসভাত উত্থাপন কৰা হয়। বিৰোধীয়ে ধ্বনি ভোটৰ পৰিৱৰ্তে তিনিখন বিধেয়ক উত্থাপন কৰাৰ পদক্ষেপৰ বিৰুদ্ধে বিভাজনৰ হেঁচা প্ৰয়োগ কৰে। প্ৰস্তাৱিত সমষ্টি পুনৰ নিৰ্ধাৰণ বিধেয়কখন ২০১১ চনৰ লোকপিয়লৰ ভিত্তিত সমষ্টিসমূহৰ জনসংখ্যাভিত্তিক পুনৰীক্ষণৰ সৈতে জড়িত। ইয়াত ৰাজ্যিক বিধানসভা আৰু লোকসভাৰ আকাৰ আৰু গঠন সলনি কৰাৰ লক্ষ্যৰে সমষ্টি পুনৰ নিৰ্ধাৰণৰ প্ৰস্তাৱ দিয়া হৈছে। কেন্দ্ৰীয় চৰকাৰে ২০২৯ চনৰ সাধাৰণ নিৰ্বাচনৰ পূৰ্বে মহিলা সংৰক্ষণ প্ৰৱৰ্তন কৰিবৰ বাবে পৰিকল্পনা কৰিছে।

## ফেৰীৰ পৰা ব্ৰহ্মপুত্ৰত পৰি

ঘটনা সংঘটিত হৈ অহাৰ পিছটো কোনো ধৰণৰ শিক্ষা নোলোৱা আভ্যন্তৰীণ জল পৰিবহণ বিভাগে আজি ও সংঘটিত কৰিলে অনুৰূপ ঘটনা। কমলাবাৰী ঘাটৰপৰা নিমাতী অভিমুখী অত্যধিক যাত্ৰী সহ ৰাওনা হোৱা ফেৰীৰপৰা ব্ৰহ্মপুত্ৰত পৰি সন্ধানহীন হৈ আছে বৰটানী গাঁৱৰ উদীয়মান যুৱক মাধৱ শৰ্মা (৪৫)। ঘটনা অনুসৰি আজি পুৱা ১.৩০ বজাত কমলাবাৰী ঘাটৰপৰা নিমাতী অভিমুখে ৰাওনা হোৱা এছ বি প্ৰীতিয় নামৰ ফেৰীখন প্ৰায় এঘণ্টা মান যোৱাৰ পিছত ফেৰীৰ ওপৰৰ পৰা ব্ৰহ্মপুত্ৰৰ মাজত পৰি যায় যুৱক জন। প্ৰত্যক্ষদৰ্শীৰ মতে ফেৰীখনৰ ওপৰৰ পৰা অকস্মাৎ পৰি যোৱা যুৱকজনক উদ্ধাৰৰ বাবে ফেৰীৰ কৰ্মচাৰীয়ে ৰছী আৰু লাইফ জেকেট দলিয়াই দিয়াৰ পিছতো যুৱকজনে ৰছীডাল ধৰাত ব্যৰ্থ হয়। পৰৱৰ্তী সময়ত এছডিআৰ এফ বাহিনী উক্ত ঠাইত উপস্থিত হৈ বিচাৰ-খোচাৰ আৰম্ভ কৰিছে যদিও বৰ্তমানলৈ যুৱকজন উদ্ধাৰ হোৱা নাই। মাজুলীৰ বৰটানী গাঁৱৰ অতুল শৰ্মাৰ আৰু ভানু বৰুৱা শৰ্মাৰ পুত্ৰ মাধৱ শৰ্মাই আজি পুৱা কমলাবাৰী লৈ বুলি ওলাই যোৱা মাধৱ শৰ্মাই নিজৰ শৰীৰৰ অসুস্থতাৰ বাবে যোৰহাটত থকা ভগ্নীক লগত লৈ চিকিৎসা কৰিবলৈ যোৰহাটলৈ বুলি ফেৰীৰে যাত্ৰা আৰম্ভ কৰিছিল। এই সন্দৰ্ভত কালি বিহুৰ দিনা আউনীআটী সত্ৰত সেৱা আগবঢ়ায় সমনীয়া বলিন শইকীয়াক চিকিৎসা কৰিবলৈ যোৱাৰ কথা সদৰি কৰিছিল। ইয়াৰ পিছত ঘটনা সংঘটিত হোৱাৰ পিছতে অভ্যন্তৰীণ জল পৰিবহণ বিভাগ আৰু ফেৰী কৰ্মচাৰীয়ে জঁপিয়াই আত্মহত্যাৰ চেষ্টা চলায় বুলি প্ৰচাৰ চলোৱা কাৰ্যক পৰিয়ালৰ লোকৰ লগতে গাঁৱৰ ৰাইজে কোনো প্ৰত্যেক মানি লব বিচৰা নাই। ইফালে মাজুলী যোৰহাট সংযোগী ফেৰী চলাচলত সঘনাই দুৰ্ঘটনা সংঘটিত হোৱাৰ পিছতো মাজুলীৰ জিলা প্ৰশাসন, আৰক্ষী বিভাগ আৰু অভ্যন্তৰীণ জল পৰিবহণ বিভাগে যাত্ৰী জীৱনক লৈ হেতালি খেলাৰ অভিযোগ উত্থাপন কৰিছে মাজুলীৰ দল সংগঠনে। আজি উক্ত ফেৰীখনত চৰকাৰৰ বান্ধি দিয়া সকলো নীতি নিয়ম জলাঞ্জলি দি অত্যধিক যাত্ৰী নিয়াৰ সমান্তৰালভাৱে পুৱা দহ বজাতে সংঘটিত হোৱা ঘটনাৰ বিয়লি ৩ বজালৈ কে জিলা প্ৰশাসনৰ কোনো দায়িত্বশীল বিষয়া, অভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ উচ্চপদস্থ বিষয়া উপস্থিত নোহোৱাত নদীৰ পাৰত উপস্থিত থকা ৰাইজে ধিক্কাৰ দিয়ে। ফেৰী ঘাটত উপস্থিত হৈ মাজুলী জিলা যুৱ ছাত্ৰ পৰিষদৰ সভাপতি মুনীন্দ্ৰ ভূঞাই বিভাগৰ গাফিলতিৰ বাবে মাজুলীৰ এজন সম্ভাৱনা পূৰ্ণ যুৱকক হেৰুৱাই পেলোৱা হল বুলি উল্লেখ কৰি এইক্ষেত্ৰত জিলা প্ৰশাসনৰ একো দায়িত্ব নাই নেকি বুলি প্ৰশ্ন কৰে। সেই স্থানত মাজুলীৰ দীপ সুৰক্ষা মঞ্চৰ সভাপতি জগত হাজৰিকা, যুৱ ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক সীমান্ত বৰা, ৰাজ্যিক সাংবাদিক সন্থাৰ প্ৰচাৰ সম্পাদক দীপু বৰা, বৰটানী গাঁও পৰিচালনা সমিতিৰ সম্পাদক ৰমেশ বৰাই আজিৰ ঘটনাৰ দণ্ডাধীশ পৰ্যায়ৰ তদন্ত দাবী কৰাৰ লগতে পৰিয়াললৈ উচিত ক্ষতিপূৰণৰ দাবী জনাইছে।

## লোকসভাত গৃহীত হ'ল

যদিও ইয়াৰ প্ৰত্যাহ্বান জনোৱাৰ বাবে পাছলৈ বিভাজন ভোটৰ আহ্বান কৰা হয়। তাৰপাছতে লোকসভাত ভোট শ্লিপ ব্যৱহাৰেৰে ভোটাদান কৰা হয়। পিছে নাৰী শক্তি বন্দন অধিনিয়মৰ সংশোধনী পাছ কৰিবলৈ চৰকাৰে ১৬ৰ পৰা ১৮ এপ্ৰিললৈ তিনিদিন সংসদৰ এক বিশেষ অধিবেশন আহ্বান কৰিছে। সংসদৰ তিনিদিনীয়া এই বিশেষ অধিবেশনত মহিলা সংৰক্ষণ বিধেয়ক সংশোধনী বিধেয়ক গৃহীত হ'লে সংসদত আসনৰ সংখ্যা ৮৫০খনলৈ বৃদ্ধি পাব। এই প্ৰস্তাৱ মতে, লোকসভাৰ ৩৩ শতাংশ আসন মহিলাৰ বাবে কৰিব পাৰিব সংৰক্ষিত। বৰ্তমান সময়ত ৫৪৩খন আসনৰ ভিতৰত প্ৰায় ১৮১খন আসন মহিলাৰ বাবে সংৰক্ষিত হোৱাৰ সম্ভাৱনা আছে। এই বিধেয়কখন কাৰ্যকৰী যদি কৰা হয় তেন্তে ২৭৩খন আসন মহিলাৰ বাবে হব সংৰক্ষিত। এই বিধেয়কখন কাৰ্যকৰী যদি কৰা হয় তেন্তে ২৭৩খন আসন মহিলাৰ বাবে হব সংৰক্ষিত। ইফালে, প্ৰস্তাৱিত মুঠ আসনৰ ভিতৰত পূৰ্ণাংগ ৰাজ্যৰ বাবে ৮১৫খন আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাবে ৩৫খন আসন প্ৰস্তাৱ কৰা হৈছে। ইফালে, আসন পুনৰ্গঠন আৰু মহিলাৰ বাবে আসন সংৰক্ষণৰ বিধেয়কৰ বিৰোধীয়ে তীব্ৰ আপত্তি কৰিছে সংসদত। বিৰোধীয়ে ২০২৯ৰ পূৰ্বে আসন অক্ষুণ্ণ ৰাখিবলৈ শাসকীয় দলৰ এয়া ষড়যন্ত্ৰ বুলি প্ৰস্তাৱটোক বিৰোধিতা কৰে। এই বিধেয়ক কাৰ্যকৰী হ'লে সংবিধানৰ কিছুমান অনুচ্ছেদত পৰিৱৰ্তন কৰা হ'ব, যাতে সমষ্টিৰ পুনৰ নিৰ্ধাৰণ বৰ্তমান জনসংখ্যাৰ ভিত্তিত কৰা সম্ভৱ হয়। বিধেয়ক অনুসৰি, লোকসভাৰ ৰাজ্যৰ সদস্য সংখ্যা সৰ্বাধিক ৮১৫লৈ বৃদ্ধি পাব আৰু কেন্দ্ৰ শাসিত অঞ্চলসমূহৰ বাবে ৩৫ পৰ্যন্ত আসন থাকিব। অৰ্থাৎ মুঠ আসনৰ সংখ্যা ৮৫০ হ'ব। বৰ্তমান লোকসভাৰ আসনৰ সংখ্যা ১৯৭১ চনৰ লোকপিয়লৰ ভিত্তিত নিৰ্ধাৰিত, সেই সময়ত দেশৰ জনসংখ্যা আৰু পৰিস্থিতি বহুত পৃথক আছিল। শাসক পক্ষৰ মতে, বিগত বহু বছৰ ধৰি সমষ্টিৰ পুনৰ নিৰ্ধাৰণ স্থগিত হৈ আছিল। এই বিধেয়কৰ জৰিয়তে সেই স্থগিতাবস্থা আঁতৰোৱা হ'ব আৰু এটা সীমা নিৰ্ধাৰণ আয়োগ গঠন কৰা হ'ব। যিয়ে নতুন নিৰ্বাচনী সমষ্টিৰ সীমা নিৰ্ধাৰণ কৰিব পাৰিব। নতুন বিধেয়কত ব্যৱস্থা আছে যে শেহতীয়া উপলব্ধ জনগণনাৰ তথ্যৰ ভিত্তিত সীমা পুনৰ নিৰ্ধাৰণ কৰি মহিলাৰ বাবে সংৰক্ষণ প্ৰয়োগ কৰা যাব।

## ধৰ্মৰ ভিত্তিত মুছলমানক

সময়ত ভাষণ দি অমিত শ্বাহে সমাজবাদী পাৰ্টীৰ সাংসদ ধৰ্মেন্দ্ৰ যাদৱৰ মন্তব্যক তীব্ৰ সমালোচনা কৰি অসাংবিধানিক বুলি আখ্যা দিয়ে। তেওঁ কয়, "ধৰ্মেন্দ্ৰ যাদৱে অসাংবিধানিক বক্তব্য দিছে। আমাৰ সংবিধানত ধৰ্মৰ ভিত্তিত সংৰক্ষণৰ অনুমতি নাই। ধৰ্মৰ ভিত্তিত মুছলমানক সংৰক্ষণ প্ৰদান কৰাটো অসাংবিধানিক, আৰু ইয়াকে লৈ প্ৰশ্নও নুঠে।" সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে তিনিখন বিধেয়ক উত্থাপন কৰাত উদ্বেগ প্ৰকাশ কৰি ধৰ্মেন্দ্ৰ যাদৱে মুছলমান মহিলাক মহিলা সংৰক্ষণৰ কাঠামোৰ পৰা বাদ দিয়া বুলি অভিহিত কৰিছিল। এই মন্তব্যক কিৰেন ৰিজিজুৱে "অসাংবিধানিক" বুলি অভিহিত কৰে। বৃহস্পতিবাৰে লোকসভাত মহিলা সংৰক্ষণ আইন সংশোধনৰ বিধেয়কসহ তিনিখন বিধেয়ক কেন্দ্ৰই উত্থাপন কৰে। ইয়াৰে প্ৰস্তাৱিত সংবিধান (১৩১ সংখ্যক সংশোধনী) বিধেয়ক, ২০২৬ দাখিল কৰাৰ পিছত কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে বিতৰ্কৰ সূচনা কৰে। বিধেয়কসমূহ উত্থাপনৰ লগে লগে কংগ্ৰেছ সাংসদ কে চি বেণুগোপালৰ নেতৃত্বত বিৰোধীয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। তেওঁ চৰকাৰক "সংবিধান সম্পূৰ্ণৰূপে হাইজেক" কৰাৰ অভিযোগ উত্থাপন কৰে। উত্তৰত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজু আৰু গৃহমন্ত্ৰী অমিত শ্বাহে স্পষ্ট কৰি দিয়ে যে বিধেয়কসমূহ মাত্ৰ উত্থাপন কৰা হৈছে আৰু ইয়াৰ ওপৰত আলোচনা এতিয়াও বাকী আছে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই বিতৰ্কৰ সময়ত পৰ্যাপ্ত সময় দিয়া হ'ব বুলি আশ্বাস দিয়ে। সমাজবাদী পাৰ্টীৰ সভাপতি অখিলেশ যাদৱে লোকপিয়লত পলম হোৱাৰ বিষয়ে চৰকাৰক প্ৰশ্ন উত্থাপন কৰে যদিও তেওঁৰ দলে নীতিগতভাৱে মহিলা সংৰক্ষণক সমৰ্থন কৰে বুলি স্পষ্ট কৰে। অমিত শ্বাহে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে সমগ্ৰ দেশতে লোকপিয়ল প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে আৰু ইয়াৰ পিছত জাতিভিত্তিক লোকপিয়ল হ'ব। তেওঁ কয়, "বৰ্তমান ঘৰৰ তালিকা প্ৰস্তুত কৰা হৈছে; ঘৰবোৰ কোনো নিৰ্দিষ্ট জাতিৰ নহয়। যদি সমাজবাদী পাৰ্টীৰ নিজৰ ক্ষমতা থাকে, তেন্তে তেওঁলোকে ঘৰবোৰৰো এটা জাতি নিৰ্ধাৰণ কৰিব।" অখিলেশ যাদৱে মুছলমান সম্প্ৰদায়ৰ সন্দৰ্ভত শ্বাহৰ মন্তব্যক "অগণতান্ত্ৰিক" বুলি অভিহিত কৰিলে। উত্তৰত শ্বাহে কয়, "আমি সমাজবাদী পাৰ্টিক মুছলমান মহিলাক তেওঁলোকৰ সকলো টিকট প্ৰদানত বাধা দিয়া নাই।" গৃহমন্ত্ৰী অমিত শ্বাহে একেলগে তিনিখন বিধেয়ক উত্থাপন কৰাৰ ন্যায্যতা প্ৰদান কৰি কয়, "মহিলা সংৰক্ষণ বিধেয়কখনক যুক্তিসংগতভাৱে শেষ কৰিবলৈ হ'লে এই দুখন আইন প্ৰয়োজনীয়; সেইবাবেই এই দুখন আইনক একত্ৰিত কৰা হৈছে। বিৰোধীয়ে বিধেয়কসমূহৰ বিৰোধিতা কৰিছে কাৰণ তেওঁলোকে তেওঁলোকৰ বৈঠকত সকলো বিৰোধিতা কৰাৰ সিদ্ধান্ত লৈছিল।"

## বাবৰি মছজিদ নিৰ্মাণৰ

এনে কথা কোৱা সম্ভৱ। বৃহস্পতিবাৰে পশ্চিমবংগৰ কোচবিহাৰত এখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দি ড° শৰ্মাই এই মন্তব্য কৰে। তেওঁ টিএমচিৰ প্ৰাক্তন বিধায়ক হুমায়ুন কবীৰৰ বাবৰি মছজিদ নিৰ্মাণৰ দাবীক লৈ তীব্ৰ আক্ৰমণ কৰি কয় যে বিজেপি শাসিত ৰাজ্যসমূহত এনে ধৰণৰ সাম্প্ৰদায়িক কথা কোৱাৰ সাহস কোনোৱে নকৰে। হিমন্ত বিশ্ব শৰ্মাই ভাষণত কয়, "এজনে আহি ক'ব যে বাবৰৰ মছজিদ বনাওক, আনজনে ক'ব যে মই শ্বাহজাহানৰ মছজিদ সাজিম। ভাৰতৰ বাকী অংশত এনে নহয়। উত্তৰ প্ৰদেশৰ কোনোবাই বাবৰি মছজিদ নিৰ্মাণ কৰিম বুলি ক'ব পাৰিবনে? অসমৰ কোনোবাই বাবৰি মছজিদ নিৰ্মাণ কৰিম বুলি ক'ব পাৰিবনে? এই কথা ক'ত ক'ব পাৰে? পশ্চিম বংগত এই কথা ক'ব পাৰে। এই সকলো মানুহ মমতা বেনাৰ্জীৰ কোলাত বহি আছে। সেইবাবেই যিকোনো ব্যক্তিয়ে যি মন যায় ক'ব পাৰে।" তেওঁ লগতে কয় যে মমতা বেনাৰ্জীৰ শাসনত পশ্চিমবংগত সাম্প্ৰদায়িক উত্তেজনা বৃদ্ধি পাইছে আৰু বিভিন্ন লোকে অবাধে এনে বিভেদমূলক কথা ক'ব পাৰিছে। নিৰ্বাচনী সভাত হিমন্ত বিশ্ব শৰ্মাই বিজেপিক সমৰ্থন কৰিবলৈ আহ্বান জনাই কয় যে অসম, ত্ৰিপুৰা আৰু পশ্চিমবংগৰ সীমান্তত বিদ্যুৎ পৰিবাহী বেৰা দিয়া হ'ব, যাতে অনুপ্ৰৱেশকাৰীয়ে পশ্চিমবংগ হৈ দেশত প্ৰৱেশ কৰিব নোৱাৰে। "অসম আৰু ত্ৰিপুৰাত আমি ইতিমধ্যে এই কাম কৰি আছোঁ। কিন্তু পশ্চিমবংগত এয়া এতিয়াও অসম্পূৰ্ণ হৈ আছে। সেইবাবেই আমাক এটা সুযোগ দিয়ক। ত্ৰিপুৰাত বিজেপি চৰকাৰ, অসমত বিজেপি চৰকাৰ আৰু পশ্চিমবংগতো বিজেপি চৰকাৰ হওক। ফেন্সিঙত বিদ্যুৎ প্ৰবাহ হ'ব, কোনো সোমাব নোৱাৰিব" তেওঁ কয়। এই সভাতে হিমন্ত বিশ্ব শৰ্মাই মমতা বেনাৰ্জীক আকৌ এবাৰ তীব্ৰ সমালোচনা কৰি কয় যে পশ্চিমবংগত অবাধে গো সৰবৰাহ চলি আছে। বিজেপিয়ে ক্ষমতা দখল কৰিলে এই সৰবৰাহ সম্পূৰ্ণৰূপে বন্ধ কৰা হ'ব বুলি তেওঁ দৃঢ়তাৰে কয়। তেওঁ উল্লেখ কৰে যে বিজেপি শাসিত ৰাজ্যসমূহত কেতিয়াও মাংস নিষিদ্ধ কৰা হোৱা নাই। "প্ৰতিদিনে মা কামাখ্যাত পশু বলিদানৰ ৰীতি-নীতি চলি আছে, কিন্তু অসমত মাংস নিষিদ্ধ কৰা হোৱা নাই। মমতা জীয়ে আশংকা কৰিছে যে বিজেপি ক্ষমতালৈ আহিলে মাংস নিষিদ্ধ হ'ব" শৰ্মাই কয়। আনহাতে, পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে এ'ত এটা পোষ্টৰ জৰিয়তে বিজেপিক তীব্ৰ আক্ৰমণ কৰি কৈছে যে দলটোৱে বংগৰ পৰিচয় আৰু সাংবিধানিক অধিকাৰক ভেঙুচালি কৰাৰ চেষ্টা চলাইছে। তেওঁ 'পইলা বৈশাখ' উপলক্ষে ৰাজ্যৰ জনসাধাৰণৰ সেৱাত নিজৰ দায়বদ্ধতা পুনৰ দৃঢ় কৰে। মমতাই কয়, "বাংলা-বিৰোধী বিজেপিয়ে তেওঁলোকৰ ওপৰত যি দুখ-কষ্ট আৰু অপমান সাধন কৰিছে, সেয়া দেখি মোৰ বৰ দুখ লাগে।

## আইপিএল ২০২৬ত মুম্বাই

দিয়াত মুম্বাই ইণ্ডিয়ানছ একেৰাহে চতুৰ্থবাৰৰ বাবে পৰাজয়ৰ সন্মুখীন হ'বলগীয়া হৈছে। এই পৰাজয়ৰ পিছত অধিনায়ক হাৰ্দিক পাণ্ড্যিয়াই দলৰ বৰ্তমান অৱস্থাক লৈ গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে। তেওঁ স্পষ্টভাৱে কৈছে যে দলটোৱে এতিয়া কিছুমান কঠিন প্ৰশ্নৰ উত্তৰ বিচাৰি উলিয়াব লাগিব আৰু দায়িত্বও ল'ব লাগিব। প্ৰথমে বেটিং কৰি মুম্বাই ইণ্ডিয়ানছই ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৯৫ ৰান সংগ্ৰহ কৰে। ক্বিণ্টন ডিকাকে ৬০ বলত ১১২ ৰানৰ অপৰাজিত ইনিংছ খেলি দলৰ হয়ে সৰ্বোচ্চ ৰান সংগ্ৰহ কৰে। তেওঁ নমন ধীৰ (৫০ ৰান)ৰ সৈতে ৬৮ বলত ১২২ ৰানৰ গুৰুত্বপূৰ্ণ অংশীদাৰিত্ব গঢ়ি তোলে। অধিনায়ক হাৰ্দিক পাণ্ড্যিয়াইও ২৩ বলত ৪১ ৰান যোগ কৰি দলক কিছু সহায় কৰে। কিন্তু এই সংগ্ৰহ যথেষ্ট নহ'ল। পঞ্জাব কিংছই সহজেই লক্ষ্য চেজ কৰি ৭ উইকেটৰ ব্যৱধানত জয়লাভ কৰে। খেল শেষত হতাশা প্ৰকাশ কৰি হাৰ্দিক পাণ্ড্যিয়াই কয়, "আমি চাব লাগিব যে আমি কিছুমান কঠিন সিদ্ধান্ত ল'ব লাগিব নে নাই, নে কেৱল এনেকৈয়ে আগবাঢ়ি যাব লাগিব? এইটো এনে এটা প্ৰশ্ন যাৰ উত্তৰ আমাক দিব লাগিব আৰু দায়িত্বও ল'ব লাগিব।" তেওঁ লগতে কয়, "আমি ড্ৰয়িং বৰ্ডলৈ উভতি গৈ বুজিব লাগিব যে ভুল ক'ত হৈছে— ব্যক্তিগত পৰ্যায়ত, দল হিচাপে নে আমাৰ পৰিকল্পনাত। দলৰ অভাৱ-অভিযোগসমূহৰ বিষয়ে আমি গভীৰভাৱে চিন্তা কৰিব লাগিব।"

## আজি ঘোষণা নহয় উচ্চতৰ

এক্সত এটা পোষ্ট প্ৰকাশ কৰি এই কথা জানিব দিয়ে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে লিখিছে, "কাইলৈ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ফলাফল ঘোষণা কৰা নহ'ব। এয়া এক উৰাবাতৰি।" অৱশ্যে ফলাফল কেতিয়া ঘোষণা কৰা হ'ব তাৰ বিষয়ে পোষ্টটোত কোনো তথ্য উল্লেখ কৰা নাই। চলিত বৰ্ষত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত কলা, বাণিজ্য, বিজ্ঞান আৰু বৃত্তিমুখী শাখাত মুঠ ৩, ৩০, ৭৪৪ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ৰাজ্যৰ ৮২১টা পৰীক্ষা কেন্দ্ৰত অনুষ্ঠিত হোৱা এই পৰীক্ষাত বিজ্ঞান শাখাত ৬১, ৫৬৮ গৰাকী আৰু বাণিজ্য শাখাত ১৯, ৮০৬ গৰাকী পৰীক্ষাৰ্থী অংশগ্ৰহণ কৰিছিল। শিক্ষামন্ত্ৰীৰ এই স্পষ্টীকৰণৰ পিছত ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলক অপ্ৰমাণিত তথ্যত বিশ্বাস নকৰিবলৈ আহ্বান জনোৱা হৈছে। ফলাফল ঘোষণাৰ সঠিক তাৰিখ আৰু সময়ৰ বিষয়ে যথাসময়ত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা ব'ৰ্ডে অধিসূচনা জাৰি কৰিব বুলি আশা কৰা হৈছে।

## মণিপুৰত কেন্দ্ৰীয় নিৰাপত্তা

মাজতে জনগোষ্ঠীসমূহৰ মাজত বাঢ়ি অহা অনাস্থাই এই চৰ্চাক আৰু অধিক তীব্ৰতা প্ৰদান কৰিছে। একাংশ নগা যুৱ সংগঠনে কেন্দ্ৰীয় বাহিনীৰ বিৰুদ্ধে পক্ষপাতিত্ব আৰু অসাংবিধানিক আচৰণৰ অভিযোগ তুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ওচৰত স্মাৰকপত্ৰ দাখিল কৰিছে। আনহাতে কুকি-জো সম্প্ৰদায়ৰ প্ৰতিনিধিত্ব কৰা সংগঠনে কেন্দ্ৰীয় বাহিনীক ৰাজ্যখনৰ বাবে স্থিতিশীল উপস্থিতি বুলি অভিহিত কৰি তেওঁলোকৰ ভূমিকাৰ সমৰ্থন কৰিছে। উখৰুল আৰু কামজং জিলাত মোতায়েন কৰা কেন্দ্ৰীয় নিৰাপত্তা বাহিনীৰ একাংশ দলৰ বিৰুদ্ধে টাংখুল নগা সম্প্ৰদায় আৰু কুকি শৰণাৰ্থী গোটৰ মাজত চলি থকা উত্তেজনাৰ সময়ত বৈষম্যমূলক শক্তি প্ৰয়োগৰ অভিযোগ উঠিছে। নগা যুৱকৰ কণ্ঠ হিচাপে পৰিচিত 'খানুথোট-খোন' নামৰ সংগঠনে ১৪ এপ্ৰিলত প্ৰধানমন্ত্ৰী মোদীক দাখিল কৰা স্মাৰকপত্ৰত এই অভিযোগসমূহ উল্লেখ কৰি তাৎক্ষণিক আইনী আৰু প্ৰশাসনিক হস্তক্ষেপ বিচাৰিছে। সংগঠনটোৱে দাবী কৰিছে যে কিছুমান অভিযানত নিৰপেক্ষতাৰ অভাৱ পৰিলক্ষিত হৈছে। সাংবিধানিক অনুচ্ছেদ ১৪ আৰু ২১ৰ উদ্ধৃতি দি তেওঁলোকে কৈছে যে আইনৰ আগত সমতা আৰু নাগৰিকৰ জীৱন-স্বাধীনতাৰ সুৰক্ষা নিশ্চিত কৰাটো অতি জৰুৰী। লগতে অনুচ্ছেদ ৩৫৫ৰ অধীনত ৰাজ্যসমূহক অভ্যন্তৰীণ কন্দলৰ পৰা ৰক্ষা কৰাৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ ওপৰত ন্যস্ত হোৱাৰ কথা উল্লেখ কৰি সংগঠনটোৱে কিছুমান উগ্ৰপন্থী উপাদানৰ বিৰুদ্ধে নিষ্ক্ৰিয়তাৰ উদাহৰণ দাঙি ধৰিছে। স্মাৰকপত্ৰত বৰ্তমানৰ দায়িত্বত থকা বা অৱসৰপ্ৰাপ্ত উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ নেতৃত্বত সময়সীমা নিৰ্ধাৰিত স্বতন্ত্ৰ তদন্তৰ দাবী কৰা হৈছে। ইয়াৰ লগতে নিৰপেক্ষতাৰ নিৰ্দেশনা কঠোৰভাৱে পালন, পৰিঘটনাৰ স্বচ্ছ প্ৰতিবেদন, নিয়োগ গাঁথনিৰ পৰ্যালোচনা আৰু কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ ভিতৰত জবাবদিহিতা ব্যৱস্থা গঢ়ি তোলাৰ দাবীও উত্থাপন কৰা হৈছে। সংগঠনটোৱে সকীয়াই দিছে যে অব্যাহত নিষ্ক্ৰিয়তাই জনসাধাৰণৰ আস্থা ভংগ কৰিব পাৰে আৰু আদালতত আবেদন কৰিবলৈ বাধ্য কৰিব পাৰে। আনহাতে কুকি-জো সম্প্ৰদায়ক প্ৰতিনিধিত্ব কৰা কুকি-জো কাউন্সিল (কে জেচি)য়ে কেন্দ্ৰীয় নিৰাপত্তা বাহিনীৰ ভূমিকাক কঠোৰভাৱে ৰক্ষা কৰিছে। সংগঠনটোৱে কেন্দ্ৰীয় বাহিনীক হিংসাত্মক পৰিস্থিতিত 'স্থিতিশীল উপস্থিতি' বুলি অভিহিত কৰি কৈছে যে কুকি-জো আৰু মেইটেই সংখ্যাগৰিষ্ঠ অঞ্চলৰ মাজৰ বাফাৰ জ'নসমূহত তেওঁলোকৰ মোতায়েনে তীব্ৰতা বৃদ্ধি ৰোধ কৰাত আৰু কিছু পৰিমাণে স্থিতিশীলতা বজাই ৰখাত সহায় কৰিছে। কে জেচিয়ে ৰাজ্য চৰকাৰৰ পৰা পাহাৰীয়া অঞ্চলত কেন্দ্ৰীয় বাহিনীৰ সলনি ৰাজ্যিক বাহিনী মোতায়েন কৰাৰ সম্ভাৱনাক লৈ উদ্বেগ প্ৰকাশ কৰিছে। তেওঁলোকৰ মতে ২০২৩ চনৰ ৩ মে'ৰ হিংসাৰ পিছৰে পৰা ৰাজ্যিক বাহিনীয়ে কুকি-জো সম্প্ৰদায়ক সুৰক্ষা দিয়াত ব্যৰ্থ হোৱাৰ লগতে কিছু ক্ষেত্ৰত সহযোগিতা কৰাৰ অভিযোগ আছে। অস্ত্ৰ-শস্ত্ৰৰ অবাধ লুণ্ঠন ৰোধ কৰিব নোৱাৰাৰ ফলত নিৰাপত্তা পৰিস্থিতি আৰু অধিক জটিল হৈ পৰিছে বুলিও তেওঁলোকে উল্লেখ কৰিছে। সংগঠনটোৱে আহ্বান জনাইছে যে বৰ্তমানৰ নিৰাপত্তা ব্যৱস্থা অটুট ৰাখিব লাগে। কেন্দ্ৰীয় বাহিনী প্ৰত্যাহাৰ বা সলনি কৰিলে দীৰ্ঘদিনীয়া শান্তি বিঘ্নিত হ'ব পাৰে আৰু নতুনকৈ হিংসাৰ সূচনা হ'ব পাৰে বুলি সকীয়াই দিছে। নিৰপেক্ষতা নিশ্চিত কৰা, আস্থা ঘূৰাই অনা আৰু সকলো সম্প্ৰদায়ক সুৰক্ষা দিয়াৰ বাবে কেন্দ্ৰীয় বাহিনীৰ উপস্থিতি অপৰিহাৰ্য বুলি তেওঁলোকৰ মত। মেইটেই আৰু কুকি-জো জনগোষ্ঠীৰ মাজত ২০২৩ চনৰ পৰা চলি অহা সংঘাতৰ সময়তো বিভিন্ন গোটে কেন্দ্ৰীয় বাহিনীৰ ভূমিকাক লৈ প্ৰশ্ন উত্থাপন কৰিছিল। বৰ্তমান কেন্দ্ৰীয় চৰকাৰে সমন্বিত নিৰাপত্তা অভিযান আৰু ৰাজনৈতিক সংযোগৰ জৰিয়তে ৰাজ্যখনক সুস্থিৰ কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। যোৱা ফেব্ৰুৱাৰী মাহত যুমনাম খেমচান্দ সিঙৰ নেতৃত্বত বিজেপি নেতৃত্বাধীন নতুন ৰাজ্য চৰকাৰ গঠন হোৱাৰ পিছতো পাহাৰীয়া অঞ্চলত নিৰাপত্তাৰ প্ৰশ্ন এতিয়াও অমীমাংসিত হৈ আছে। এই পৰিস্থিতিত কেন্দ্ৰীয় চৰকাৰে সকলো পক্ষৰ অভিযোগ গুৰুত্বসহকাৰে বিবেচনা কৰি নিৰপেক্ষ তদন্ত আৰু প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। ৰাজ্যখনৰ শান্তি আৰু স্থিতিশীলতাৰ বাবে সকলো সম্প্ৰদায়ৰ মাজত আস্থা পুনৰুদ্ধাৰ কৰাটো বৰ্তমানৰ সময়ৰ অন্যতম প্ৰধান প্ৰত্যাহ্বান হিচাপে পৰিগণিত হৈছে।

## মধ্যপ্ৰাচ্যৰ উত্তেজনা নিয়ন্ত্ৰণ

নেতাই মধ্যপ্ৰাচ্যৰ বৰ্তমানৰ গতিশীল পৰিস্থিতি আৰু বিশ্ব বাণিজ্যৰ জীৱনৰেখা হৰমুজ প্ৰণালীত জাহাজ চলাচলৰ সুৰক্ষাৰ বিষয়ত গভীৰ উদ্বেগ প্ৰকাশ কৰে। তাৎপৰ্যপূৰ্ণভাৱে, আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে হোৱা টেলিফোনিক আলোচনাৰ মাত্ৰ ৪৮ ঘণ্টাৰ পিছতে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি মেক্ৰনে প্ৰধানমন্ত্ৰী মোদীলৈ ফোন কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে স্পষ্ট কৰি দিয়ে যে ভাৰতৰ শান্তি আৰু স্থিতিশীলতা বজায় ৰাখিবৰ বাবে ফ্ৰান্সৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰি যাব। দুই নেতাৰ আলোচনাৰ কেন্দ্ৰবিন্দু আছিল হৰমুজ প্ৰণালীত যাতায়াতৰ স্বাধীনতা আৰু সুৰক্ষা। বিশ্বৰ তেল আৰু বাণিজ্যিক যোগান শৃংখলাৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ এই সামুদ্ৰিক পথটোত উত্তেজনা বৃদ্ধি পালে সমগ্ৰ বিশ্ব অৰ্থনীতিৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিব পাৰে বুলি দুই নেতাই মত প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী মোদী আৰু ৰাষ্ট্ৰপতি মেক্ৰনে একেলগে কাম কৰি এই অঞ্চলত শান্তি পুনৰুদ্ধাৰ আৰু জাহাজ চলাচলৰ নিৰাপত্তা নিশ্চিত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। মেক্ৰনে সংকট সমাধানত ভাৰতৰ প্ৰভাৱ আৰু প্ৰধানমন্ত্ৰী মোদীৰ ভূমিকাক অত্যন্ত তাৎপৰ্যপূৰ্ণ বুলি অভিহিত কৰে। মাত্ৰ দুদিনৰ ব্যৱধানত আমেৰিকা আৰু ফ্ৰান্সৰ দৰে দুই প্ৰভাৱশালী দেশে ভাৰতৰ সৈতে উচ্চ পৰ্যায়ৰ যোগাযোগ কৰাটো আন্তৰ্জাতিক ৰাজনীতিত ভাৰতৰ বৰ্ধিত গুৰুত্বৰ এক স্পষ্ট সংকেত বুলি বিশে-ষকসকলে মন্তব্য কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে ফ্ৰান্সৰ ৰাষ্ট্ৰপতিৰ সৈতে হোৱা এই আলোচনাক দুই দেশৰ মাজৰ ঘনিষ্ঠ বন্ধুত্ব আৰু কৌশলগত অংশীদাৰিত্বৰ প্ৰতিফলন বুলি অভিহিত কৰে।

## এই চৰকাৰখনে জুবিন দাক কেৱল অৱহেলা কৰিছেঃ

আগত অখিল গগৈয়ে কয়, "জুবিনদা অবিহনে অসমৰ সংস্কৃতি আৰু বিশেষকৈ বিহুৰ ছবিখন আধৰুৱা হৈ পৰিছে। এয়া জুবিনদা অবিহনে আমাৰ প্ৰথম বহাগ বিহু, যিটো আমি কল্পনাও কৰিব নোৱাৰোঁ। বহু বছৰ ধৰি আমি দেখি আহিছোঁ যে জুবিনদা নোহোৱাকৈ বিহুৰ কোনো পূৰ্ণতা নাথাকে। যিদৰে এসময়ত ভূপেনদা অবিহনে বিহুৰ কল্পনা কৰিব নোৱাৰি গৈছিল, একে ধৰণে এতিয়া জুবিনদাৰ ক্ষেত্ৰতো সেই একেই অনুভৱ হৈছে।" তেওঁ লগতে উল্লেখ কৰে যে বিহুৰ প্ৰথম দিনাৰ পৰাই জুবিন ক্ষেত্ৰলৈ অহাৰ পৰিকল্পনা কৰিছিল যদিও ব্যস্ততাৰ বাবে বৃহস্পতিবাৰেহে উপস্থিত হ'বলৈ সক্ষম হৈছে। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ প্ৰসংগত চৰকাৰৰ তীব্ৰ সমালোচনা কৰে অখিল গগৈয়ে। বৰ্তমান দাখিল কৰা চাৰ্জশ্বীটখন ত্ৰুটিপূৰ্ণ বুলি অভিহিত কৰি তেওঁ কয়, "এই চাৰ্জশ্বীটৰ জৰিয়তে প্ৰকৃত ন্যায় পোৱা কেতিয়াও সম্ভৱ নহ'ব।" ভৱিষ্যতৰ ৰাজনৈতিক প্ৰতিশ্ৰুতি প্ৰকাশ কৰি তেওঁ কয়, "যদি আমি চৰকাৰ গঠন কৰিবলৈ সক্ষম হওঁ, তেন্তে মাত্ৰ তিনি মাহৰ ভিতৰতে নতুন আৰু নিৰ্ভুল চাৰ্জশ্বীট দাখিল কৰিম। লগতে ছয় মাহৰ ভিতৰত প্ৰতিদিনে শুনানিৰ ব্যৱস্থা কৰি জুবিনদাক উচিত ন্যায় প্ৰদান কৰিম।" বাৰিষা কাল সমাগত হোৱাৰ পৰিপ্ৰেক্ষিতত জুবিন ক্ষেত্ৰৰ আধৰুৱা কাম-কাজবোৰ অতি সোনকালে সম্পূৰ্ণ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে অখিল গগৈয়ে। তেওঁ ক্ষোভ প্ৰকাশ কৰি কয়, "এই চৰকাৰখনে জুবিনদাক কেৱল অৱহেলা কৰিছে, উচিত গুৰুত্ব দিয়া নাই। চৰকাৰৰ এই অৱহেলাক আমি তীব্ৰ নিন্দা জনাইছোঁ।" জনপ্ৰিয় শিল্পীগৰাকীৰ প্ৰতি চৰকাৰে দেখুওৱা এনে উদাসীন মনোভাৱে সমগ্ৰ অসমবাসীক মৰ্মাহত কৰিছে বুলিও তেওঁ মন্তব্য কৰে।

### জুবিনবিহীন প্ৰথমটো ৰঙালী বিহুৰ পহিলা ব'হাগতেই সৰ্বস্তৰতে ধ্বনীত হ'ল "জাষ্টিচ ফ'ৰ জুবিন গাৰ্গ"

# নাজিৰাৰ ঐতিহাসিক গড়গাঁৱৰ ৰাজ-কাৰেংঙৰ বাকৰিত উখল-মাখল পৰিৱেশ



**অসম বাৰ্তা, নামতি, ১৬ এপ্ৰিল** ঃ অসমীয়াৰ প্ৰাণৰ স্পন্দন সূৰ্যকণ্ঠ, যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰব জুবিন গাৰ্গ বিহীন প্ৰথমটো ৰঙালী বিহুৰ পহিলা ব'হাগতেই সৰ্বস্তৰতে ধ্বনীত হ'ল "জাষ্টিচ ফ'ৰ জুবিন গাৰ্গ।" উজনিৰ পৰা নামনিলৈ প্ৰতিটো প্ৰান্তত প্ৰতিজন অসমীয়াই পালন কৰিছে হেঁপাহৰ ৰঙালী বিহু। এই ৰঙালী বিহুৰ পহিলা দিনটো "মানুহ বিহু" দিন হিচাপে পালন কৰে প্ৰতিজন অসমীয়াই। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে নাজিৰা গড়গাঁৱৰ ৰাজকাৰেংঙৰ বাকৰিত উখল-মাখল পৰিৱেশৰ মাজতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গক সোঁৱৰি প্ৰতিজনেই শোকাতো হৈ পৰা পৰিলক্ষিত হয়। জুবিন গাৰ্গৰ অমৰ সৃষ্টি তথা অসমীয়াৰ বাবে প্ৰাৰ্থনা লৈ ৰূপান্তৰিত হোৱা "মায়াবিনী" গীতেৰে ঐতিহাসিক গড়গাঁৱৰ ৰাজকাৰেংঙৰ বাকৰি জীপাল হৈ পৰে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ শিমলুগুৰি আঞ্চলিক সমিতিৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত গড়গাঁৱৰ ৰাজকাৰেংঙৰ বাকৰিত বিগত বছৰকেইটাৰ দৰে ব'হাগৰ প্ৰথম দিনটোতেই ৩১ সংখ্যক মুকলি বিহু উদযাপন কৰা হয়। পুৱা যুৱ ছাত্ৰ পৰিষদৰ শিমলুগুৰি আঞ্চলিক সমিতিৰ সভাপতি গোবিন্দ বৰগোহাঁয়ে পতাকা উত্তোলন, মুকলি বিহু উদ্‌যাপন সমিতিৰ সভাপতি প্ৰণৱ খাটনিয়াৰে বিহুৱান উত্তোলন আৰু আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক দীপক ছেত্ৰী দিহিঙীয়াই শ্বহীদ তৰ্পণ কৰাৰ পিছতে মুকলি বিহু উদ্‌যাপন সমিতিৰ মুখ্য তত্ত্বাৱধায়ক উৎপল কোঁৱৰে অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। একে স্থানতে বিশ্ববিশ্ৰুত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। যুৱ ছাত্ৰ পৰিষদৰ শিমলুগুৰি আঞ্চলিক সমিতিৰ প্ৰতিষ্ঠাপক সদস্য সুবোধ কোঁৱৰ, ৰিপণজ্যোতি কোঁৱৰ, নৰশ্যাম মেছ, অনন্ত কলিতা, প্ৰণৱ গগৈকে ধৰি ভালেকেইজনে। গছপুলি ৰোপণ কৰাৰ পিছত প্ৰদৰ্শনীমূলক কণী যুঁজ শোভাৰম্ভ কৰে প্ৰণৱজ্যোতি দত্তই। ইয়াৰ পিছতে সমাজৰ বিভিন্ন ক্ষেত্ৰত অৱদান আগবঢ়োৱা ক্ৰমে বদন দত্ত, গিৰীণণ বাইলুং বৰুৱা, প্ৰমোদ তামোলী, লক্ষ্মীমাই দত্ত, বুলু চেতিয়া, নীল হাতীমুৰীয়া, মুনিন খনিকৰ, প্ৰণৱ খাটনিয়াৰক সম্বৰ্দ্ধনা জনোৱা হয় লগতে বিহু দলৰ সৈতে সকলোৱে ঐতিহাসিক ৰাজ কাৰেং প্ৰদৰ্শন কৰাৰ পিছতে আমন্ত্ৰিত অসমৰ আগশাৰী বিহু হুঁচৰি দল আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ আদি বিভিন্ন অনুষ্ঠানে কৰেংঙৰ বাকৰিত এটি মনোমোহা পৰিবেশৰ সৃষ্টি কৰে। বিহুৱা নাচনীৰ উচাহেৰে উখল মাখল হৈ পৰে কাৰেংঙৰ বাকৰি। উৎপল কোঁৱৰ আৰু প্ৰণৱ গগৈয়ে আঁত ধৰা অনুষ্ঠানটো শুভ উদ্বোধন কৰি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পলাশ চাংমাই আৰু মুখ্য উপদেষ্টা ৰানা প্ৰতাপ বৰুৱাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ভাষণ প্ৰসংগত অসমীয়ৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ ৰহস্যজনক মহাপ্ৰয়াণ এক পূৰ্ব পৰিকল্পিত হত্যাকাণ্ড বুলি দাবী কৰি ইয়াৰ উচিত তদন্ত আৰু ন্যায়ৰ লগতে নৰ্থ ইষ্ট ফেষ্টিভেলৰ আয়োজক সকলকো ন্যায়িক প্ৰক্ৰিয়ালৈ আনি অভিযুক্তক দৃষ্টান্তমূলক আইনী শাস্তি প্ৰদান কৰাৰ দাবী জনায়। অনুষ্ঠানত ভাস্কৰজ্যোতি মহন্ত আৰু বিকাশ হাজৰিকাৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থ 'কাৰেং' উন্মোচন কৰে বিশিষ্ট কবি লেখিকা তথা অৱসৰী প্ৰধান শিক্ষয়িত্ৰী স্নিহধাৰাণী গগৈয়ে।

# সৰুপথাৰ সমজিলাৰ ১নং ৰজাপুখুৰী তুৰুং গাঁৱত 'পয়চাংকেন' উৎসৱৰ সামৰণি

**অসম বাৰ্তা, সৰুপথাৰ, ১৬ এপ্ৰিল** ঃ পয়চাংকেন' উৎসৱ বৌদ্ধ ধৰ্মাৱলম্বী টাই জনগোষ্ঠীৰ জাতীয় উৎসৱ। তেওঁলোকে ইয়াক বসন্ত উৎসৱ হিচাপে পালন কৰাৰ লগতে 'সংক্ৰান্তি উৎসৱ' আৰু 'বুদ্ধ মূৰ্তিক স্নান উৎসৱ' হিচাপে পালন কৰে। টাই ভাষাত 'পয়' মানে উৎসৱ, 'চাংকেন' মানে সংক্ৰান্তি। 'পয়চাংকেন'ক পানীৰ উৎসৱ বুলি মনা হয়। কৃষি আৰু ঋতু পৰিৱৰ্তনৰ সৈতে জড়িত এই উৎসৱ বসন্তকালীন এক উৎসৱ। বৌদ্ধধৰ্মাৱলম্বী টাই জনগোষ্ঠীসকলে অনুষ্ঠিত কৰে "পয় চাংকেন" উৎসৱ। অসমৰ বসবাস কৰা টাই জনগোষ্ঠী টাই ফাকে, টাই খাময়াং, টাই আইতন, টাই তুৰুং, টাই খামটিসকলে প্ৰতিবছৰৰ উদযাপন কৰে "পয় চংকেন" উৎসৱ। ব্যতিক্ৰম নহয় সৰুপথাৰ সমজিলাৰ ১ নং ৰজাপুখুৰী তুৰুং গাওঁ। গাঁৱখনত বসবাস কৰা তুৰুং, শ্যাম লোকসকলে অনুষ্ঠিত কৰিছিল পয় চাংকেন উৎসৱ। তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা উৎসৱৰ আজি সামৰণি পৰে। উখল-মাখল পৰিৱেশৰ মাজেৰে বৌদ্ধ মূৰ্তিসমূহ স্নান কৰোৱাই পুনৰ বৌদ্ধ বিহাৰত প্ৰতিষ্ঠা কৰে। গাঁৱৰ বৌদ্ধ বিহাৰত গাওঁবাসী একগোট হৈ বৌদ্ধ মঠত থকা সকলো বৌদ্ধ মূৰ্তি বাহিৰলৈ উলিয়াই আনি বিশুদ্ধ পানীৰে স্নান কৰায়। লোক বিশ্বাস অনুসৰি এনেদৰে বৌদ্ধ মূৰ্তিসমূহক স্নান কৰালে গাঁওখনৰ অপায়-অমংগল দূৰ হোৱাৰ লগতে শান্তিময় এক পৰিৱেশ বিৰাজমান হয়। সমান্তৰালকৈ ইজনে সিজনৰ গালৈ বিশুদ্ধ পানী ছটিয়াই বৌদ্ধবৰ্ষ আৰম্ভণিৰ লগতে অসমীয়া নৱবৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰে। তুৰুং গাঁৱৰ তথ্যদাতা প্ৰবীৰ শ্যাম তুৰুঙে দিয়া তথ্য অনুসৰি, "দক্ষিণ এচিয়াৰ অন্য বৌদ্ধ ধৰ্মীয় লোক সকলৰ লগতে অসম আৰু অৰুণাচলৰ থেৰবাদী বৌদ্ধ লোকসকলে পয় চাংকেন উদযাপন কৰে। চ'ত মাহৰ সংক্ৰান্তিৰ দিনা অৰ্থাৎ বহাগ বিহুৰ প্ৰথম দিনাৰ পৰা এই উৎসৱ আৰম্ভ হয়। পয় চাংকেনক থাইলেণ্ডত সংক্ৰান্ত, ম্যানমাৰত থিংয়ান চা, চাকমা সকলে বিজু, চীনৰ য়ুনানত পয় চন নাম আৰু ৰাখাইন বা মগ সকলে সানগ্ৰাইন আদি নামকৰণ কৰিলেও মূলতঃ ই ভগৱান বুদ্ধৰ মূৰ্তিক স্নান কৰোৱাৰ লগতে ইজনে সিজনক পানী ছটিয়াই উদ্‌যাপন কৰা এটি সম্পূৰ্ণ বৌদ্ধ ধৰ্মীয় উৎসৱ। ধৰ্মীয় পৰম্পৰা আৰু ধৰ্মীয় ৰীতি-নীতিৰে চাক্ৰেট নামৰ পঞ্জিকাৰ গণনা মতে চলিত বৰ্ষত ১৪ এপ্ৰিলৰ দিনৰ ১২টা ৪৯মিনিট ৫৮ চেকেণ্ডৰ লগেলগে বৌদ্ধ বিহাৰৰ থাপনাৰ পৰা বুদ্ধ মূৰ্তিসমূহ নমাই বিহাৰৰ বাহিৰত থকা বা নতুনকৈ সাজি লোৱা ক্যাংফ্ৰা নামৰ সৰু ঘৰলৈ অনা হয় আৰু ১৬ এপ্ৰিল বৃহস্পতিবাৰৰ আবেলি ৪টা ৫৪মিনিট ৩৯চেকেণ্ডলৈকে এই ক্যাংফ্ৰাতেই মূৰ্তি সমূহ ৰাখিছিল। এই ক্যাংফ্ৰাত এখন নৌকা সদৃশ সঁজুলিৰ লগত কুংপান নামৰ অন্য এবিধ যন্ত্ৰ সংলগ্ন কৰি ৰখা হয়। এই নৌকাত পানী ঢালিলে সেই পানী কুংপান নামৰ যন্ত্ৰত সোমোৱাৰ লগেলগে কুংপান ঘূৰিব ধৰে আৰু ইয়াৰ পৰা ওলোৱা পানীয়ে বুদ্ধমূৰ্তি সমূহৰ ওপৰত সমান্তৰাল ভাৱে ধুৱাই থাকে। লোকসকলে পানীত সুগন্ধি আৰু ফুল আদি মিহলি কৰি এই নৌকাত ঢলাৰ লগতে বৌদ্ধ বিহাৰ আৰু বিহাৰৰ চৌহদৰ স্মাৰক সমূহ পানীৰে চাফা কৰাৰ অন্তত ইজনে আনজনলৈ পানী ছটিয়াই ধেমালি কৰে। বুদ্ধমূৰ্তি ক্যাংফ্ৰাত থকা সময়চোৱাত সকলোৱেই পঞ্চশীল পালন কৰে আৰু সকলো অ-কুশল কৰ্মৰ পৰা আতৰত থাকে। এই কেইদিন প্ৰয়োজনীয় শাক-পাচলি আৰু ফুল মূৰ্তি নমোৱাৰ আগতেই সংগ্ৰহ কৰি ৰাখে।"

### ৯৩.২ শতাংশ নম্বৰেৰে প্ৰথম বিভাগত উত্তীৰ্ণ

# চিবিএছইৰ দশম শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাত চামগুৰিৰ ব্ৰহ্মচাৰী সত্ৰৰ দক্ষিণা কাশ্যপৰ সাফল্য



ছাত্ৰীগৰাকীৰ বাসগৃহত বহু গুণমুগ্ধ লোকৰ উপস্থিত হৈ ছাত্ৰীগৰাকীক শুভেচ্ছাৰ লগতে সম্বৰ্ধনা জ্ঞাপন কৰি উজ্জ্বল ভৱিষ্যৎ কামনা কৰে।

**অসম বাৰ্তা, পুৰণিগুদাম, ১৬ এপ্ৰিল** ঃ সদ্যঘোষিত চি বি এছ ইৰ দশম শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলত নগাঁও জিলাৰ চামগুৰিৰ ব্ৰহ্মচাৰী সত্ৰৰ লগতে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে এগৰাকী মেধাৱী ছাত্ৰীয়ে। নগাঁও জিলাৰ চামগুৰি ৰাজহ চক্ৰৰ অধীনৰ নিজ ভেলেউগুৰি গাঁও পঞ্চায়তৰ অন্তৰ্গত শ্ৰীশ্ৰী ব্ৰহ্মচাৰী সত্ৰৰ নিবাসী কুমুদ শইকীয়া আৰু ববীমণি বৈৰাগীৰ কন্যা দক্ষিণা কাশ্যপে চি বি এছ ইৰ দশম শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাত ৯৩.২ শতাংশ নম্বৰ লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। জানিব পৰা মতে, পি এম শ্ৰী কেন্দ্ৰীয় বিদ্যালয় মিছা কেনত অধ্যয়নৰত ছাত্ৰী দক্ষিণা কাশ্যপে সদ্যঘোষিত পৰীক্ষাৰ ফলাফলত আটাইকেইটা বিষয়তেই লেটাৰ নম্বৰ লাভ কৰি সৰ্বমুঠ ৯৩.২ শতাংশ নম্বৰেৰে সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ হৈ ব্ৰহ্মচাৰী সত্ৰ আৰু অঞ্চলটোৰ লগতে অধ্যয়নৰত বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱাত উৎফুল্ল হৈ পৰিছে পৰিয়ালবৰ্গ আৰু বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকল। মেধাৱী

# বৰপেটাৰ ছাত্ৰী হুছনিয়াৰা পাৰবিন নিৰুদ্দেশ

**অসম বাৰ্তা, কুমুল্লীপৰা, ১৬ এপ্ৰিল** ঃ বৰপেটা জিলাৰ হাউলী থানাৰ অন্তৰ্গত উত্তৰ কুমুল্লী পাৰাৰ বাসিন্দা হাফিজুৰ ৰহমান আৰু জৰিনা খাতুনৰ ১৭ বছৰীয়া একমাত্ৰ কন্যা হুছনিয়াৰা পাৰবিন যোৱা ১৩ এপ্ৰিলৰ পৰা নিৰুদ্দেশ হৈ আছে। জানিব পৰা মতে, উক্ত দিনা তাই হাউলীত কম্পিউটাৰ ক্লাছ কৰিবলৈ গৈছিল। কিন্তু দিনৰ প্ৰায় ১ বজাৰ পিছৰ পৰা তাইৰ লগত পৰিয়াল বা আত্মীয়-স্বজনৰ কোনো ধৰণৰ যোগাযোগ স্থাপন কৰিব পৰা হোৱা নাই। সন্ধিয়ালৈকে কোনো খবৰ নোপোৱাত পিতৃ হাফিজুৰ ৰহমানে হাউলী থানাত নিৰুদ্দেশ সম্পৰ্কীয় এখন এজাহাৰ দাখিল কৰে। উল্লেখযোগ্য যে, সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত তাই খন্দকাৰ পাৰা নবোদয় জাতীয় বিদ্যালয়ৰ পৰা প্ৰথম বিভাগত উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছিল। ইতিমধ্যে পৰিয়ালৰ লোকে সন্দেহ প্ৰকাশ কৰিছে যে তাই কোনো দুষ্ট চক্ৰৰ কবলত পৰি অসমৰ বাহিৰলৈ লৈ যোৱা হোৱা সম্ভাৱনা আছে। তথাপিও, আজিলৈকে আৰক্ষীয়ে কোনো ধৰণৰ সুংসূত্ৰ উলিয়াব পৰা নাই।

# চিবিএছইৰ দশম শ্ৰেণীৰ পৰীক্ষাৰ ফলাফলত ৯১.৬ শতাংশ নম্বৰেৰে কলাবাৰীৰ নিষ্ঠা কমল ডেকাৰ আশাপ্ৰদ সাফল্য

**অসম বাৰ্তা, গহপুৰ, ১৬ এপ্ৰিল** ঃ দশম শ্ৰেণীৰ আজি ঘোষিত ফলাফলত ৯১.৬ শতাংশ নম্বৰ লাভ কৰি কৃতিত্ব অৰ্জন কৰিছে গহপুৰ সমজিলাৰ কলাবাৰীৰ কলমৌগুৰিৰ মেধাৱী ছাত্ৰী নিষ্ঠা কমল ডেকাই। দিল্লী পাব্লিক স্কুল, নুমলীগড়ৰ ছাত্ৰী নিষ্ঠা কমল ডেকাই ঘোষিত ফলাফলত ইংৰাজীত ৯৫, অসমীয়াত ৯০, সাধাৰণ বিজ্ঞানত ৮৪, সমাজ বিজ্ঞানত ৯২ আৰু হোম চাইন্স বিষয়ত লাভ কৰে ৯৭ নম্বৰ। কঠোৰ অধ্যৱসায় আৰু একানপটীয়া প্ৰচেষ্টাৰ বলত ঘোষিত ফলাফলত আশাপ্ৰদ সফলতা লাভ কৰা মেধাৱী ছাত্ৰী নিষ্ঠা কমল ডেকা(আৰ্হি) কমল ডেকা আৰু বিহপুৰীয়া ৰাজহ চক্ৰৰ ৰাজহ চক্ৰ বিষয়া নমিতা বৰাৰ একমাত্ৰ জীয়ৰী। তেওঁৰ এই সাফল্যৰ বাবে সকলোৱে তেওঁক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে অনাগত শৈক্ষিক যাত্ৰাৰ প্ৰতি আশীৰ্বাদ জনাইছে।

# টংলাৰ পায়নিয়াৰ পাব্লিক স্কুল, পিএম শ্ৰী জৱাহৰ নৱোদয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ সফলতা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১৬ এপ্ৰিল** ঃ কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ দশম শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাত পায়নিয়াৰ পাব্লিক স্কুল, টংলাৰ কৃতী ছাত্ৰী বিদিশা বড়াই ৯৫.২ শতাংশ নম্বৰসহ কৃতিত্বৰে উত্তীৰ্ণ হৈ বৃহত্তৰ টংলা অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। ওদালগুৰি জিলাৰ টংলাৰ বনগাঁও নিবাসী পশু চিকিৎসক ডাঃ অনিল কুমাৰ বড়া আৰু শিক্ষয়িত্ৰী ধীৰা ৰাণী বড়াৰ সুযোগ্য কন্যা বিদিশা বড়াই কালি ঘোষণা কৰা চিবিএছইৰ দশম শ্ৰেণীৰ পৰীক্ষাত ৯৫. ২ শতাংশ নম্বৰ সহ কৃতিত্বৰে উত্তীৰ্ণ হৈ বৃহত্তৰ টংলা অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। আনহাতে টংলাৰ ই মিডিয়াৰ স্বত্বাধিকাৰী তথা চিত্ৰ নগৰ নিবাসী ত্ৰিদিব কুমাৰ চলিহা আৰু নীলাক্ষী বড়াৰ সুযোগ্য জীয়ৰী ফিয়না ভাৰ্গৱী চলিহাই ওদালগুৰিৰ পিএম শ্ৰী জৱাহৰ নবোদয় বিদ্যালয়ৰ পৰা কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ দশম শ্ৰেণীৰ পৰীক্ষাত ৯৫.৬ শতাংশ নম্বৰসহ কৃতিত্বৰে উত্তীৰ্ণ হৈছে। একেখন বিদ্যালযৰে ছাত্ৰী টংলা জলাহ নভঙা গাঁৱৰ প্ৰদীপ বড়োৰ সুযোগ্য জীয়ৰী হিৰিণা বড়োই ৯৪ শতাংশ নম্বৰসহ কৃতিত্বৰে উত্তীৰ্ণ হৈছে। তিনিওগৰাকী কৃতীমান শিক্ষাৰ্থীক টংলা অঞ্চলৰ বিভিন্ন অনুষ্ঠান, ব্যক্তি বিশেষে আন্তৰিক অভিনন্দন জনাইছে।

# ডুমডুমা ৰাজহুৱা ৰঙালী বিহুৰ বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাই মুহিলে ৰাইজক

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৬ এপ্ৰিল** ঃ ঐতিহ্যমণ্ডিত ডুমডুমা ৰাজহুৱা ৰঙালী বিহু সন্মিলনৰ প্ৰথম কাৰ্যসূচী হিচাপে আজি ডুমডুমা নগৰত এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। ডুমডুমা নগৰ খেলপথাৰৰ পৰা আৰম্ভ হোৱা এই শোভাযাত্ৰা ডুমডুমা চহৰখন পৰিভ্ৰমণ কৰি পুনৰ ডুমডুমা নগৰ খেলপথাৰত সামৰণি পৰে। এই বিশাল 'সমন্বয় সাংস্কৃতিক শোভাযাত্ৰা'ত অসমৰ মৰাণ, মটক, দেউৰী, মিছিং, সোণোৱাল-কছাৰী, চুতীয়া, চাহ-জনগোষ্ঠীকে আদি কৰি বহু কেইটা জনগোষ্ঠীয় সাংস্কৃতিক দলৰ লগতে কেইবা সহস্ৰাধিক ৰাইজ আৰু অসমীয়া ছবি জগতৰ মোহময়ী অভিনেত্ৰী দিগাংগণা বৰাইও অংশগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে ডুমডুমা অঞ্চলৰ দুগৰাকী বিশিষ্ট ব্যৱসায়ী ক্ৰমে ৰাজীৱ বৰা আৰু অৰূপজ্যোতি ডেকাই এই সাংস্কৃতিক শোভাযাত্ৰা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উল্লেখযোগ্য যে অহা ২১, ২২ আৰু ২৩ এপ্ৰিলত ৫৬সংখ্যক ডুমডুমা ৰাজহুৱা ৰঙালী বিহু সন্মিলনৰ মূল কাৰ্যসূচী অনুষ্ঠিত হ'ব। আজিৰ এই 'সমন্বয় সাংস্কৃতিক শোভাযাত্ৰা' আৰম্ভ কৰাৰ পূৰ্বে বিহু মণ্ডপৰ লাইখুটা স্থাপন কৰা হয়। ৰূপবন মিলন নামঘৰৰ নামঘৰীয়া ৰঞ্জিত বৰাই লাইখুঁটা স্থাপন কৰে। এই অনুষ্ঠানত বিহু উদ্‌যাপন সমিতিৰ সভাপতি দুলু আৰন্ধৰা, কাৰ্যকৰী সভাপতি মৃগেন শইকীয়া আৰু ধীৰাজ গোঁহাই, সাধাৰণ সম্পাদক প্ৰতিম নেওগ আৰু কল্যাণজ্যোতি মৰাণ, যুটীয়া সম্পাদক পদ্মজিৎ মৰাণ আৰু অচিন্ত মেধি প্ৰমুখ্যে ভালেসংখ্যক বিষয়ববীয়া আৰু সদস্য উপস্থিত আছিল।

### ৯৯.২ শতাংশৰে উজ্জ্বলিল ভূয়সী বৰা; ২৬ গৰাকীয়ে লাভ কৰিলে ৯০ শতাংশতকৈ অধিক নম্বৰ

# চিবিএছইৰ দশম শ্ৰেণীৰ পৰীক্ষাত গোলাঘাট বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ৰ সাফল্য

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৬ এপ্ৰিল** ঃ সদ্যঘোষিত চি বি এছ ইৰ দশম শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাত গোলাঘাট বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ে চমকপ্ৰদ সাফল্য অৰ্জন কৰিবলৈ সক্ষম হ'ল। পূৰ্বৰ সকলো অভিলেখ ভংগ কৰি বিদ্যালয়খনৰ পৰা এইবাৰ ভূয়সী বৰাই ৯৯.২ শতাংশ নম্বৰ লাভ কৰি বিদ্যালয়খনৰ লগতে গোলাঘাটলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। দেৰগাঁৱৰ সমীপৰ মিছামৰা দুলীয়া গাঁৱৰ নিবাসী তথা উদয়ন কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ ভাস্কৰজ্যোতি বৰা আৰু ঢেকিয়াল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী পল্লৱী বৰাৰ কন্যা ভূয়সী বৰাৰ এনে চমকপ্ৰদ সাফল্যই স্বাভাৱিকতেই বিদ্যালয়খনৰ সমূহ পৰিয়াল, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলক উৎফুল্ল কৰি তুলিছে। উল্লেখযোগ্য যে এইবাৰ দশম শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাত বিদ্যালয়খনৰ পৰা মুঠ ৮৯ গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হৈছিল। ইয়াৰে ভিতৰত ৮৮ গৰাকী ছাত্ৰ-ছাত্ৰী সফলতাৰে উত্তীৰ্ণ হৈছে লগতে ২৬ গৰাকীকৈ ছাত্ৰ-ছাত্ৰীয়ে এইবাৰ ৯০ শতাংশতকৈ অধিক নম্বৰ লাভ বিদ্যালয়খনলৈ সুনাম কঢ়িয়াই আনিছে। একেদৰে ৫৪ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ৮০ শতাংশতকৈ অধিক নম্বৰ লাভ কৰাৰ লগতে মুঠ ৮৩ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হৈছে। বিদ্যালয়খনৰ ছাত্ৰ স্বাগত প্ৰীতম শৰ্মাই ৯৮.৬০ শতাংশ, শ্যাম চৰণ গোস্বামীয়ে ৯৭.৮০ শতাংশ, শ্বেফ আহমেদে ৯৭.৬০ শতাংশ, গংগোত্ৰি ৰাজকুমাৰীয়ে ৯৭.৪০ শতাংশ, চাফিউৰ ৰহমানে ৯৫.৮০ শতাংশ, শ্ৰেয়া সোণোৱালে ৯৫.৮০ শতাংশ, দৃষ্টি বৰুৱাই ৯৫.৬০ শতাংশ, অনিমেষ বৰাই ৯৫.৪০ শতাংশ, মাধুৰিমা বৰাই ৯৫.৪০ শতাংশ, আনচিকা ৰঞ্জনে ৯৪.৮০ শতাংশ, নিছাট তাছনিমে ৯৪.৮০ শতাংশ, উমান হাতীবৰুৱাই ৯৪.৮০ শতাংশ, অভিলাষা শৰ্মাই ৯৪.২০ শতাংশ, আশিস ভূঞাই ৯৩.৮০ শতাংশ, প্ৰজ্ঞালিপি ফুকনে ৯৩ শতাংশ, ৰাজদ্বীপ গোহাঁই ৯৩, আৰ্যদ্বীপ কাকতী ৯৩ শতাংশ, জিজ্ঞাসা শৰ্মা বৰদলৈয়ে ৯২.৬০ শতাংশ, অয়ন দত্তই ৯২.৪০ শতাংশ, আফ্ৰিন মিজানে ৯২ শতাংশ, মহাচিনুল হকে ৯১.৬০ শতাংশ, ভাস্বতাপ্ৰীত শইকীয়াই ৯১.৪০ শতাংশ, প্ৰিয়াঞ্চী পালে ৯১ শতাংশ, বৰষা দাসে ৯১ শতাংশ, পাৰিজাত শইকীয়াই ৯০.৪০ শতাংশ, আৰিয়ান ৰেজবিয়ে ৯০ শতাংশ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। ইফালেদি, বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ৰ অধ্যক্ষ লক্ষ্মীনাৰায়ণৰ গোস্বামীয়ে বিদ্যালয়খনৰ এনে সাফল্যৰ বাবে ছাত্ৰ-ছাত্ৰী সকলৰ একাগ্ৰতা আৰু শিক্ষক শিক্ষয়িত্ৰী সকলৰ কঠোৰ পৰিশ্ৰমৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। লগতে অভিভাৱক সকলৰ সহযোগিতাৰ বাবেই বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলে বিদ্যালয়খনৰ লগতে গোলাঘাট জিলালৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হোৱা বুলি লক্ষ্মীনাৰায়ণ গোস্বামীয়ে মত প্ৰকাশ কৰে।

# নলবাৰীৰ ময়ূৰেশ শৰ্মা CBSEৰ দশম শ্ৰেণীৰ পৰীক্ষাত ৯৮.২ শতাংশ নম্বৰেৰে উত্তীৰ্ণ

**অসম বাৰ্তা, নলবাৰী, ১৬ এপ্ৰিল** ঃ নলবাৰী জিলাৰ বিদ্যাপুৰ নিবাসী ময়ূৰেশ শৰ্মাই কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব'ৰ্ড (CBSE)ৰ অধীনত অনুষ্ঠিত হোৱা দশম শ্ৰেণীৰ পৰীক্ষাত ৯৮.২ শতাংশ নম্বৰ লাভ কৰি উজ্জ্বল সাফল্য অৰ্জন কৰিবলৈ সক্ষম হৈছে। ঘগ্ৰাপাৰ চিলিংৰ পৰা আহি বৰ্তমান বিদ্যাপুৰত স্থায়ীভাৱে বসবাস কৰা অধিবক্তা ৰমেশ কুমাৰ শৰ্মা আৰু অধিবক্তা প্ৰীতিৰেখা ভট্টাচাৰ্যৰ একমাত্ৰ পুত্ৰ ময়ূৰেশে নলবাৰীৰ বিবেকানন্দ কেন্দ্ৰীয় বিদ্যালয়ৰ পৰা এই কৃতিত্ব অৰ্জন কৰিবলৈ সক্ষম হয়। তেওঁ বিষয়ভিত্তিক ইংৰাজী ৯৭, অসমীয়া ৯৫, সাধাৰণ গণিত ৯৬, সমাজ বিজ্ঞান ৯৯ আৰু সাধাৰণ বিজ্ঞান তথা তথ্য প্ৰযুক্তি বিজ্ঞানত পূৰ্ণাংক ১০০ নম্বৰ কৈ লাভ কৰিবলৈ সক্ষম হৈছে। এই ফলাফলৰ জৰিয়তে তেওঁ জিলাখনৰ লগতে বিদ্যালয়খনৰো নাম উজ্জ্বল কৰিবলৈ সক্ষম হৈছে। সংবাদমাধ্যমৰ আগত নিজৰ অনুভৱ ব্যক্ত কৰি ময়ূৰেশে কয় যে তেওঁ আশা কৰা মতে ফলাফল লাভ কৰি অতি আনন্দিত। তেওঁ উল্লেখ কৰে যে এই সাফল্যৰ আঁৰত তেওঁৰ মা-দেউতা, পৰিয়ালৰ সদস্য আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উল্লেখযোগ্য অৱদান আছে। তেওঁ নিয়মীয়াকৈ পঢ়াৰ লগতে স্কুলত পঢ়োৱা পাঠসমূহ মনোযোগেৰে অধ্যয়ন কৰিছিল আৰু পৰীক্ষাৰ আগতে দৈনিক প্ৰায় ১০ ঘণ্টা অধ্যয়ন কৰিছিল বুলি উল্লেখ কৰে। ভৱিষ্যতে তেওঁ চিকিৎসা শাখাত অধ্যয়ন কৰি এজন ভাল চিকিৎসক হ'বলৈ ইচ্ছা প্ৰকাশ কৰিছে। পুত্ৰৰ এই সাফল্যত পিতৃ-মাতৃয়ে গভীৰ সন্তুষ্টি প্ৰকাশ কৰি ভৱিষ্যতে তেওঁ এজন সৎ আৰু ভাল মানুহ হিচাপে প্ৰতিষ্ঠিত হওক বুলি আশীৰ্বাদ জনাইছে।

### আউনীআটী সত্ৰৰ ইতিহাসৰ এক সোণালী পৃষ্ঠা নৱপ্ৰজন্মৰ বাবে পাথেয় হৈ ৰ'ব ঃ ড° পীতাম্বৰ দেৱগোস্বামী

# আউনীআটী সত্ৰৰ বৰ আলধৰাৰ 'আউনীআটী সত্ৰ মই আৰু মোৰ জীৱন' উন্মোচন

**অসম বাৰ্তা, মাজুলী, ১৬ এপ্ৰিল** ঃ আউনীআটী সত্ৰৰ ইতিহাসত সত্ৰৰ সত্ৰাধিকাৰ সকলৰ উপৰিও সত্ৰৰ বিশিষ্ট বৈষ্ণৱ পণ্ডিত সকলে চৈধ্য প্ৰসংগৰ প্ৰতিটো অনুষ্ঠানৰ লগত সম্পৃক্ত হৈয়ো সাহিত্য সংস্কৃতিৰ ওপৰত চৰ্চা, নাট্যকাৰ, কবি তথা বিভিন্ন লেখনিৰে আউনীআটী সত্ৰৰ ইতিহাস সমৃদ্ধ কৰি আহিছে। আউনীআটী সত্ৰৰ একাদশ গৰাকী সত্ৰাধিকাৰ প্ৰয়াত দেৱ দত্তদেৱ গোস্বামীয়ে কলিকতাৰ পৰা জাহাজেৰে প্ৰেছ আনি ধৰ্ম প্ৰকাশ যন্ত্ৰ নামদি অসমীয়া মানুহে সম্পাদনা কৰা প্ৰথমখন বাৰ্তালোচনী "আসাম বিলাসিনী" আৰু কেইবাখনো আলোচনী প্ৰকাশ কৰাৰ উপৰিও বৈষ্ণৱ সংস্কৃতিৰ বহু কেইখন মূল্যবান গ্ৰন্থ প্ৰকাশ কৰিছিল। অসমৰ সংবাদ জগতৰ বাটকটীয়া ৰূপে পৰিগণিত হোৱা সত্ৰাধিকাৰ গৰাকীক সহযোগিতা আগবঢ়াইছিল সত্ৰৰ প্ৰপন্ন শিষ্য তথা সম্পাদক শ্ৰীধৰ ওজাই। সেই পৰম্পৰা অব্যাহত ৰাখি সত্ৰৰ বহু কেইখন বৈষ্ণৱে সাহিত্য চৰ্চা অব্যাহত ৰাখিছে। সত্ৰৰ বৰ আলধৰাৰ ভদ্ৰেশ্বৰ শৰ্মাৰ "আউনীআটী সত্ৰ, মই আৰু মোৰ জীৱন" শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰি সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীয়ে এই বক্তব্য প্ৰদান কৰে। অসম, ভাৰত তথা বিশ্বৰ বিভিন্ন দেশত ভ্ৰমণৰ মুখ্য সহযোগী ভদ্ৰেশ্বৰ শৰ্মাই আউনীআটী সত্ৰৰ নিত্য আৰু নৈমিত্তিক প্ৰসংগৰ আধ্যাত্মিক পৰিক্ৰমাৰ বিবৰণ তথা সত্ৰীয়া জীৱন শৈলীক অবলোকন কৰাৰ প্ৰয়াস কৰাটো অতি গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰি সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীয়ে কয়- এই গ্ৰন্থখনে ইতিহাসৰ এক সোণালী পৃষ্ঠা সৃষ্টি কৰি ভৱিষ্যতৰ নৱপ্ৰজন্মৰ বাবে পাথেয় হৈ ৰ'ব। গ্ৰন্থকাৰ ভদ্ৰেশ্বৰ শৰ্মাই মাত্ৰ ছয় বছৰ বয়সতে আউনীআটী সত্ৰৰ শিষ্য ৰূপে কেইবাগৰাকীও সত্ৰাধিকাৰৰ সান্নিধ্য লাভ কৰাৰ পিছত বৰ্তমানৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীৰ সহচৰ ৰূপে দেশ বিদেশ ভ্ৰমণ কৰি টুকিৰখা অভিজ্ঞতা খিনিকেই লিপিবদ্ধ কৰি তেৰাৰ অনুপ্ৰেৰণা আৰু ভটিজী ড° মালবিকা শৰ্মাৰ সম্পাদনাত আৰু পৰিয়ালৰ একান্ত সহযোগিতাত গ্ৰন্থৰ ৰূপ পায়। তেওঁ লগতে উল্লেখ কৰে যে গ্ৰন্থখন সম্পূৰ্ণ সত্ৰীয়া কথন শৈলীৰ প্ৰয়োগ কৰা হৈছে। শৰ্মাই আজি জীৱনৰ এটা স্মৰণীয় দিন বুলি সভাস্থ সকলক শ্ৰদ্ধা নিবেদন কৰে। সম্পাদনাৰ দায়িত্বত থকা ড° মালবিকা শৰ্মাই ভদ্ৰেশ্বৰ শৰ্মাৰ সৃষ্টিৰ অন্তৰালত থকা বহু কেইটা বৈশিষ্ট্য দাঙি ধৰে। সভাত আউনীআটী সত্ৰৰ বিশিষ্ট বৈষ্ণৱ সকল, আউনীআটী বিশ্ববিদ্যালয়ৰ কৰ্মকৰ্তা সকল, আউনীআটী শাখা সাহিত্য সভাৰ সভাপতি, পৰিয়ালৰ লোক সকল, স্থানীয় ৰাইজৰ উপস্থিতিত মাংগলিক উৰুলি ধ্বনিৰ মাজত গ্ৰন্থখন উন্মোচন কৰা হয়। পৰিয়ালৰ তৰফৰ পৰা অপূৰ্ব শৰ্মা, পুষ্প শৰ্মা, হৃদয়ন বৰঠাকুৰ আদি কেইবাগৰাকীয়ে বক্তব্য ৰাখে। সমজুৱাৰ ফালৰ পৰা আউনীআটী বিশ্ববিদ্যালয়ৰ পৰিবেশ্য ক'লা বিভাগৰ অধ্যাপক ৰঞ্জিৎ কুমাৰ ভূঞা আৰু নবীন বৰবায়নে গ্ৰন্থকাৰৰ শলাগ লৈ ভৱিষ্যতৰ দিনত অধিক সৃষ্টিৰ বাবে চেষ্টা অব্যাহত ৰখাৰ অনুৰোধ জনায়। ৰঞ্জন শইকীয়াই আঁত অনুষ্ঠানটোত গ্ৰন্থৰ সম্পাদনাত সহযোগিতা আগবঢ়োৱা মিৰ্জা মহাবিদ্যালয়ৰ অধ্যাপক ড° মালবিকা শৰ্মাই উদ্দেশ্য ব্যাখ্যা আৰু শলাগৰ শৰাই আগবঢ়াই সত্ৰাধিকাৰ প্ৰমুখ্যে সমস্ত জনলৈ কৃতজ্ঞতা জ্ঞাপন কৰে।

# ডাবলি চাপৰিত অচিনাক্ত মহিলাৰ মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, উজনী মাজুলী, ১৬ এপ্ৰিল** ঃ মাজুলী নয়াবজাৰ টহলদাৰী আৰক্ষী চকীৰ অন্তৰ্গত যদিও মাজুলীৰ পৰা বিচিন্ন ডাবলি চাপৰিত আজি এগৰাকী অচিনাক্ত মহিলাৰ মৃতদেহ উদ্ধাৰ কৰে। প্ৰাপ্ত তথ্য মতে ডাবলি চাপৰি স্থানীয় ব্যক্তিয়ৰ আজি ব্ৰহ্মপুত্ৰৰ সুতিত এটা মৃতদেহ প্ৰত্যক্ষ কৰে আৰু ততাতৰিয়াকৈ আৰক্ষী খবৰ দিয়ে। নয়াবজাৰ টহলদাৰী আৰক্ষী চকীৰ আৰক্ষীয়ে খবৰ পোৱা লগে লগে তাৎক্ষণিক ভাবে আৰক্ষীৰ দল আৰু এছ.ডি.আৰ.এফৰ দল ঘটনাস্থলীত গৈ নীলা ৰঙৰ চুৰিদাৰ চুট পিন্ধি থকা মহিলাৰ মৃতদেহ উদ্ধাৰ কৰে। মৃতদেহটো উদ্ধাৰ কৰি মাজুলী জিলা গড়মূৰ স্থিত পীতাম্বৰদেৱ গোস্বামী অসামৰিক জিলা চিকিৎসালয়ৰ মৰ্গত সংৰক্ষণ কৰি ৰখা হৈছে। প্ৰাথমিকভাৱে অনুমান কৰা হৈছে যে মৃতদেহটো নৈৰ সোঁতৰ আহি চাপৰি অঞ্চলত আহি লাগিছিল। আজি উদ্ধাৰ হোৱা মৃত মহিলাগৰাকীৰ পৰিচয় এতিয়ালৈকে জানিব পৰা হোৱা নাই। যদি কোনো ব্যক্তিয়ে এই সন্দৰ্ভত কিবা তথ্য পায়, তেন্তে নয়াবজাৰ টহলদাৰী আৰক্ষী চকী বা মাজুলী আৰক্ষীৰ সৈতে 6026900872 / 6026900869 নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হৈছে।

ডাঃ বসন্ত কুমাৰ বৈশ্যক মানৱদৰদী চিকিৎসক ডাঃ গৌৰীকান্ত শৰ্মা স্মৃতি বঁটা প্ৰদান

# বাঁহজানীৰ বুদ্ৰুকুছিত ৩৬ সংখ্যক ৰঙালী বিহু উদ্‌যাপন



**অসম বাৰ্তা, বাঁহজানী, ১৬ এপ্ৰিল ঃ** নলবাৰী জিলাৰ বাঁহজানীৰ অন্তৰ্গত বুদ্ৰুকুছি খাদী চ'ক সৰ্বজনীন ৰঙালী বিহুৰ স্থায়ী সমিতিৰ উদ্যোগত আজি বিভিন্ন কাৰ্যসূচীৰে ৩৬ সংখ্যক সৰ্বজনীন ৰঙালী বিহু উদ্‌যাপন কৰা হয়। অঞ্চলটোৰ খাদী চ'কৰ বাকৰিত পুৱা ৮-৩০ বজাত ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি অনিল কুমাৰ ডেকাই বিহুৰ পতাকা উত্তোলন কৰি শুভাৰম্ভ কৰা বিহুৰ অনুষ্ঠানত ক্ৰমে শ্বহীদ বেদীত বন্তি প্ৰজ্বলন কৰে বাঁহজানী জিলা পৰিষদৰ সদস্য হিতেশ তালুকদাৰে আৰু মাল্যাৰ্পণ কৰে দহ নং মধ্যবাঁহজানী গাওঁ পঞ্চায়তৰ সভানেত্ৰী ৰিমা কলিতাই। গছপুলি ৰোপণ কৰে গঙ্গাপুখুৰী বৰকুৰিহা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক কমল মেধি, সমাজসেৱক কাবিল আলী, আৰু ৰেমেশ ডেকাই। যুৱ সমাজসেৱক মাধৱ বৈশ্যই আঁতধৰা বিহুৰ অনুষ্ঠানত হিয়াৰ আমঠু জুবিন গাৰ্গৰ সোঁৱৰণত তেওঁৰ প্ৰতিচ্ছৱিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে বুদ্ৰুকুছি খাদী চ'ক সৰ্বজনীন ৰঙালী বিহুৰ স্থায়ী সমিতিৰ সভাপতি মঃ মুকুতৰ ৰহমানে আৰু তাৰ লগে লগে বিহুৰ বাকৰিত সমবেত হোৱা সকলো ৰাইজে একেলগে জুবিন গাৰ্গৰ "মায়াবিনী ৰাতিৰ বুকুত" গীতটো পৰিৱেশন কৰি শিল্পী গৰাকীক শ্ৰদ্ধা জনোৱা হয়। ইয়াৰ পিছতে ৰঙালী বিহুৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা বঁটা প্ৰদান অনুষ্ঠানত মানৱদৰদী চিকিৎসক প্ৰয়াত ডাঃ গৌৰী কান্ত শৰ্মা স্মৃতি বঁটা প্ৰদান কৰা হয় গুৱাহাটী প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধ্যক্ষ তথা বিশিষ্ট সমাজসেৱক ডাঃ বসন্ত কুমাৰ বৈশ্যক। ডাঃ বৈশ্যক ফুলাম গামোচা, চেলেং চাদৰ, পিতালৰ জাপি, স্মাৰক, মানপত্ৰ, গ্ৰন্থৰ টোপোলা আৰু প্ৰায় ৩০ বিধ থলুৱা শাক-পাচলী সহিতে কমল চাউল, পিঠা, লাৰুৰ এটি টোপোলাৰে বঁটাতো প্ৰদান কৰা হয়। বঁটা গ্ৰহণ কৰি ডাঃ বসন্ত কুমাৰ বৈশ্যই মানৱদৰদী চিকিৎসক ডাঃ গৌৰী কান্ত শৰ্মাক স্মৰণ কৰি ভাষণত কয় যে বিহু অসমীয়া জাতিৰ প্ৰাণ, কৃষ্টি আৰু সাংস্কৃতিক চেতনাৰ প্ৰতীক, যিয়ে জাতি-বৰ্ণ-ভাষা নিৰ্বিশেষে সকলোকে একগোট কৰে। ৰঙালী বিহু বসন্তৰ আগমন আৰু কৃষিভিত্তিক জীৱনৰ উৎসৱ, য'ত প্ৰকৃতিৰ লগতে মানৱীয় প্ৰেম-প্ৰীতি উদ্‌যাপন কৰা হয়। এই পবিত্ৰ সময়তে নতুন আশা, একতা আৰু সাংস্কৃতিক ঐতিহ্যক আগুৱাই নিয়াৰ প্ৰতিশ্ৰুতি লোৱা হয়। ইফালে এই অনুষ্ঠানটোতে ঘৰুৱা আৰু সামাজিক বিভিন্ন কৰ্মৰ অনুষ্ঠানত পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ কাম কৰি জীৱন নিৰ্বাহ কৰা স্থানীয় কেইবাগৰাকী লোকক ফুলাম গামোচা, স্মাৰক বিহুৱানৰ টোপোলাৰে সম্বৰ্ধনা জনোৱা হয়। লগতে অঞ্চলটোৰ কেইবাগৰাকীও জ্যেষ্ঠ নাগৰিকক ফুলাম গামোচা আৰু স্মাৰকেৰে আদৰণি জনাই তেওঁলোকৰ পৰা আশীৰ্বাদ লোৱা হয় আৰু তেওঁলোকক বিহুৰ জলপানেৰে আপ্যায়ন কৰা হয়। ৰঙালী বিহু উদ্‌যাপন সমিতিৰ যুটীয়া সম্পাদক হেমন্ত বৈশ্য আৰু উৎপল বৈশ্যৰ লগতে কেইবাগৰাকী সদস্য তথা বিষয়ববীয়াই অনুষ্ঠানটো পৰিচালন কৰাত সহায় কৰে। উল্লেখ্য যে বিহু আৰু সাংস্কৃতিক অনুষ্ঠানেৰে অহা ৩০ এপ্ৰিলত সামৰণী পৰিব লগা ৰঙালী বিহুৰ লাইখুঁটা স্থাপন কৰে বয়োজ্যেষ্ঠ মহিলা তথা সমাজসেৱীকা সাবিত্ৰী বালা দাসে।

# সামাজিক অৱক্ষয়ৰ বিৰুদ্ধে ঐক্যবদ্ধ প্ৰচেষ্টা; হাউলীত গঠন 'ঘিলাজাৰী সচেতন নাগৰিক মঞ্চ'

**অসম বাৰ্তা, কুমুল্লীপৰা, ১৬ এপ্ৰিল ঃ** বৰপেটা জিলাৰ হাউলী থানাৰ অন্তৰ্গত খন্দকাৰ পাৰা ছোৱালী উচ্চ বিদ্যালয়ত শেহতীয়াকৈ অনুষ্ঠিত হোৱা এখন গুৰুত্বপূৰ্ণ সভাই বৃহত্তৰ অঞ্চলটোৰ সামাজিক আৰু শিক্ষাগত পৰিৱেশক লৈ গভীৰ উদ্বেগ আৰু চিন্তাৰ সৃষ্টি কৰিছে। উক্ত সভাত খন্দকাৰ পাৰা আৰু ইয়াৰ আশে-পাশে অৱস্থিত বিভিন্ন গাঁওসমূহ সাঙুৰি সমগ্ৰ অঞ্চলটোৰ বৰ্তমান পৰিস্থিতি বিস্তৃতভাৱে পৰ্যালোচনা কৰা হয়। বিশেষকৈ সাম্প্ৰতিক সময়ত মৌজা ভিত্তিক শিক্ষাৰ ফলাফলৰ লাহে লাহে অৱনতি, যুৱ প্ৰজন্মৰ মাজত ড্ৰাগছ আৰু বিভিন্ন নিচাজাতীয় দ্ৰব্যৰ ব্যাপক প্ৰসাৰ, লগতে সমাজ জীৱনত কুসংস্কাৰ, অন্ধবিশ্বাস আৰু দুৰ্নীতিৰ ক্ৰমবৰ্ধমান প্ৰভাৱে সভাত উপস্থিত সচেতন মহলক গভীৰভাৱে চিন্তিত কৰি তোলে। এই জটিল আৰু সংকটজনক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এখন সুস্থ, প্ৰগতিশীল আৰু সচেতন সমাজ গঢ়াৰ দৃঢ় সংকল্পৰে অঞ্চলটোৰ বুদ্ধিজীৱী, শিক্ষাবিদ, সাহিত্যপ্ৰেমী, লিখক আৰু প্ৰশাসনিক ক্ষেত্ৰৰ সৈতে জড়িত ব্যক্তিসকল একত্ৰিত হৈ "ঘিলাজাৰী সচেতন নাগৰিক মঞ্চ" নামৰ এখন অৰাজনৈতিক সংগঠন গঠনৰ ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰে। এই মঞ্চৰ প্ৰাথমিক লক্ষ্য হৈছে শিক্ষাৰ মানদণ্ড উন্নীত কৰা, ছাত্ৰ-ছাত্ৰীসকলক অধিক প্ৰেৰণা আৰু সঠিক দিশ-নিৰ্দেশনা প্ৰদান কৰা, যুৱ সমাজক নিচামুক্ত, নৈতিক আৰু সৃজনশীল জীৱনধাৰাৰ দিশে আগবঢ়োৱা, লগতে সমাজত বিদ্যমান কুসংস্কাৰ, অন্ধবিশ্বাস আৰু দুৰ্নীতিৰ বিৰুদ্ধে এক দৃঢ় জনসচেতনতা গঢ়ি তোলা। উক্ত সংগঠন গঠনৰ এই মহৎ উদ্যোগত আগভাগ লোৱা উল্লেখযোগ্য ব্যক্তিসকলৰ ভিতৰত প্ৰাক্তন সীমা শুল্ক বিষয়া হজৰত আলী আহমেদ, অৱসৰপ্ৰাপ্ত সহকাৰী অধ্যাপক ড° ইকবাল হুছেইন খান, ঢাকালীয়াপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ছমিৰ খান আদি বিশিষ্ট ব্যক্তিৰ উপস্থিতি বিশেষভাৱে উল্লেখযোগ্য। তদুপৰি, অঞ্চলটোৰ বহুতো সচেতন নাগৰিক, সমাজকল্যাণত আগ্ৰহী ব্যক্তি আৰু উদ্যমী যুৱ প্ৰজন্মৰ প্ৰতিনিধিসকলেও এই সভাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি নিজৰ মতামত আৰু পৰামৰ্শ আগবঢ়ায়। সকলোৱে একমত আৰু একান্ত সদিচ্ছাৰ ভিত্তিত গঠিত "ঘিলাজাৰী সচেতন নাগৰিক মঞ্চ" আগন্তুক দিনসমূহত বিভিন্ন সজাগতা সৃষ্টিমূলক কাৰ্যসূচী, শিক্ষামূলক অভিযান, সামাজিক সংস্কাৰমূলক পদক্ষেপ আৰু যুৱ উন্নয়নমূলক প্ৰকল্প ৰূপায়ণৰ জৰিয়তে অঞ্চলটোত এক ইতিবাচক পৰিৱৰ্তন আনিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। এই উদ্যোগে নিঃসন্দেহে বৃহত্তৰ অঞ্চলটোত এক নতুন আশাৰ সঞ্চাৰ কৰি এখন সুস্থ, সুশৃংখল আৰু প্ৰগতিশীল সমাজ গঢ়াৰ পথ প্ৰসাৰিত কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

# দশম শ্ৰেণীৰ চিবিএছই পৰীক্ষাৰ ফলাফলত ডিব্ৰুগড়ৰ শিক্ষাভেলী বিদ্যালয়ৰ ছাত্ৰী ৰীভা সিংঘানিয়াৰ সফলতা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৬ এপ্ৰিল ঃ** ডিব্ৰুগড়ৰ শিক্ষা ভেলী বিদ্যালয়ে ২০২৬ চনৰ চিবিএছই ব'ৰ্ড পৰীক্ষাত দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ অসাধাৰণ ফলাফল ঘোষণা কৰি গৌৰৱ অনুভৱ কৰিছে। বিদ্যালয়খনে ইয়াৰ শৈক্ষিক উৎকৰ্ষৰ পৰম্পৰা অক্ষুন্ন ৰাখি এই বছৰো ১০০ শতাংশ উত্তীৰ্ণ ফলাফল লাভ কৰিছে। মুঠ ৮০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছিল আৰু তেওঁলোকৰ এই প্ৰশংসনীয় ফলাফলে ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অভিভাৱকৰ একত্ৰিত প্ৰচেষ্টাৰ প্ৰতিফলন দাঙি ধৰে। বিদ্যালয় খনৰ শীৰ্ষস্থান অধিকাৰ কৰিছে ৰীভা সিংঘানিয়াই, তেওঁ ৯৯.৪ শতাংশ নম্বৰ লাভ কৰি বিদ্যালয়খনত প্ৰথম স্থান অধিকাৰ কৰিছে। সামগ্ৰিক ফলাফলতো উল্লেখযোগ্য সাফল্য দেখা গৈছে আৰু ইয়াৰে ২৫জন ছাত্ৰ-ছাত্ৰীয়ে ৯০ শতাংশৰ ওপৰত নম্বৰ লাভ কৰিছে, ২৯ জনে ৮০ শতাংশৰ পৰা ৮৯ শতাংশৰ ভিতৰত নম্বৰ পাইছে। অৰ্থাৎ, মুঠ ছাত্ৰ-ছাত্ৰীৰ দুই-তৃতীয়াংশতকৈ অধিকই ৮০ শতাংশৰ ওপৰত নম্বৰ লাভ কৰিছে। এই অসাধাৰণ সফলতাৰ বাবে স্কুল কৰ্তৃপক্ষই উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনায়। ডিব্ৰুগড়ৰ আমোলাপট্টি ৰে'লগেট নিবাসী পৰাগ এম. সিংঘানিয়া আৰু নন্দিনী সিংঘানিয়াৰ কন্যা ৰীভা সিংঘানিয়াই ভৱিষ্যতে এগৰাকী সফল চিকিৎসক হোৱাৰ সপোন পুহি আছে। তেওঁৰ এই সফলতাৰ বাবে পিতৃ মাতৃ আৰু স্কুল কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰে।

# দৰং জিলাৰ স'লপামৰ কুইজ প্ৰতিযোগিতাত কাত্যায়ন শৰ্মা; কৃত্তিকা শৰ্মা বিজয়ী

**অসম বাৰ্তা, টংলা, ১৬ এপ্ৰিল ঃ** দৰং জিলাৰ ছিপাঝাৰ সমষ্টিৰ অন্তৰ্গত স'লপামত সফলতাৰে সম্পন্ন হয় আঞ্চলিক ভিত্তিত কুইজ প্ৰতিযোগিতা। স'লপাম প্ৰেমদা পুথিভঁৰাল-মনোমিলন সংঘৰ উদ্যোগত ৬৭ তম ৰঙালী বিহু উদ্‌যাপন আৰু সংঘৰ বাৰ্ষিক অধিৱেশনৰ সৈতে সংগতি ৰাখি ১৪ এপ্ৰিলত আয়োজিত কৰা আঞ্চলিক ভিত্তিত কুইজ প্ৰতিযোগিতাত শ্ৰেষ্ঠ দলৰ খিতাপ অৰ্জন কৰে জাতীয় বিদ্যালয় ছিপাঝাৰৰ কাত্যায়ন শৰ্মা আৰু কৃত্তিকা শৰ্মাই। উল্লেখযোগ্য যে দুয়ো ভাই ভনী কাত্যায়ন আৰু কৃত্তিকা ছিপাঝাৰৰ নায়কপাৰা গাঁৱৰ কৃতি শিক্ষক গৌতম শৰ্মা তথা সু-গৃহিণী মণিকা দেৱীৰ সন্তান।

লোক-সংস্কৃতিৰ গৱেষক দীননাথ সোণোৱালক 'শিল্পীপ্ৰাণ বঁটা' প্ৰদান

# পহিলা ব'হাগত তিনিচুকীয়াত আছুৱে অনুষ্ঠিত কৰিলে কেন্দ্ৰীয় মুকলি বিহু

## জুবিন গাৰ্গৰ প্ৰকৃত ন্যায়ৰ দাবী আছুৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনৰ



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ১৬ এপ্ৰিল ঃ** প্ৰতি বছৰৰ দৰে এইবাৰৰ পহিলা ব'হাগৰ দিনটোত তিনিচুকীয়াত 'আছু'ৱে অনুষ্ঠিত কৰে কেন্দ্ৰীয় মুকলি বিহু। বুধবাৰে তিনিচুকীয়াৰ বিমলা প্ৰসাদ চলিহা নগৰ খেলপথাৰত সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থা, তিনিচুকীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু তিনিচুকীয়াবাসীৰ সহযোগত এদিনীয়া বিস্তৃত কাৰ্যসূচীৰে কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত কৰা মুকলি বিহুৰ আৰম্ভণিতে সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতিম নেওগে। আনহাতে বিহুৰ পতাকা উত্তোলন কৰে তিনিচুকীয়া চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জয়ন্ত নেওগে। শ্বহীদ তৰ্পণ কৰে সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক কনচেং গগৈয়ে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠানত জুবিন গাৰ্গৰ প্ৰতিচ্ছৱিত বন্তি প্ৰজ্বলন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক সমৰজ্যোতি গোহাঁয়ে। তাৰ পাছতে ছাত্ৰ সন্থাৰ সদস্যসকলে আই-মাতৃ আৰু ভকতসকলৰ পৰা আশীৰ্বাদ লয়। অনুষ্ঠানত ভকতসকলে গায়ন-বায়ন পৰিৱেশন কৰে। ইয়াৰ পাছতে মুখপত্ৰ 'গতি' উন্মোচন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে। অনুষ্ঠানতে অসমৰ অন্যতম জনগোষ্ঠী সোণোৱাল-কছাৰীৰ সাংস্কৃতিক প্ৰসাৰ-বিকাশৰ ক্ষেত্ৰত নিৰন্তৰ সাধনা অব্যাহত ৰখাৰ বাবে অৰিহণা যোগাই অহা সোণোৱাল-কছাৰীৰ জনগোষ্ঠীৰ লোক-সংস্কৃতিৰ গৱেষক দীননাথ সোণোৱালক 'শিল্পীপ্ৰাণ বঁটা' প্ৰদান কৰে আছুৱে। ইয়াৰ পিছত মুকলি বিহু প্ৰদৰ্শন কৰা হয়। হুঁচৰি, জেং বিহু, লগ বিহু, মৰাণ বিহু, সোণোৱাল-কছাৰী, মিচিং, ঝুমইৰকে আদি কৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনেৰে এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। কেন্দ্ৰীয় মুকলি বিহুৰ কাৰ্যসূচীত উপস্থিত থাকি 'আছু'ৰ সাধাৰণ সম্পাদকগৰাকীয়ে নিজৰ ভাষণৰ মাজতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰকৃত ন্যায়ৰ দাবী তোলে। তেওঁ কয়, "এইবাৰ আমাৰ বিহু উৰুঙা। প্ৰাণৰ শিল্পী জুবিন গাৰ্গ বিহীন প্ৰথম বিহু। আজি জুবিন গাৰ্গৰ অনুপস্থিতি প্ৰতিগৰাকী অসমীয়াই উপলব্ধি কৰিছে। এই পবিত্ৰ স্থানৰ পৰাই আমি জুবিন গাৰ্গৰ প্ৰকৃত ন্যায় কামনা কৰিছোঁ।"

বিভিন্ন ক্ষেত্ৰৰ পাঁচগৰাকী বিশিষ্ট লোকক সাহিত্য সভাৰ সন্মানিত

# বাঁহজানীত অসম সাহিত্য সভাৰ 'নিজৰ দিন' পালন



**অসম বাৰ্তা, বাঁহজানী, ১৬ এপ্ৰিল ঃ** বিগত বছৰসমূহৰ দৰে এইবছৰো অসম সাহিত্য সভাই কালি বুধবাৰে পহিলা ব'হাগৰ দিনটো নিজৰ দিন হিচাপে উদ্‌যাপন কৰে। নিজৰ দিন উপলক্ষে অসম সাহিত্য সভাই অসমীয়া ভাষা-সাহিত্য, কৃষ্টি-সংস্কৃতিৰ বিকাশ আৰু বিস্তৃতিৰ বাবে অহোৰাত্ৰ কাম কৰি থকা আৰু জাতীয় জীৱনলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা বিশিষ্ট ব্যক্তিসকলক সাহিত্য সভাৰ তৰফৰ পৰা ফুলাম গামোচা আৰু ৰঙালী বিহুৰ ওলগণি পত্ৰৰে সন্মানিত কৰাৰ সমান্তৰালকৈ এই বেলিও নলবাৰী জিলাৰ বাঁহজানীৰ অন্যতম স্বৰ্ণ শাখ সাহিত্য সভা যজ্ঞভূমিৰ সেউজী সাহিত্য কাননে অঞ্চলটোৰ পাঁচ গৰাকী বিশিষ্ট ব্যক্তিক অসম সাহিত্য সভাৰ ওলগণি পত্ৰ, ফুলাম গামোচা আৰু স্মাৰকেৰে সম্ভাষণ জনোৱা হয়। পহিলা ব'হাগৰ প্ৰথম পুৱাটোতে সেউজী সাহিত্য কাননৰ সভাপতি ভগৱান ডেকা, সম্পাদক পঙ্কজ চৌধুৰীৰ নেতৃত্বত প্ৰাক্তন সম্পাদক বসন্ত মজুমদাৰ, প্ৰাক্তন সভাপতি ক্ৰমে, চক্ৰধৰ কলিতা, ৰবীন্দ্ৰ নাথ তালুকদাৰ, হিতেশ বৈশ্য, প্ৰবীন নাট্য শিল্পী যাদৱ চন্দ্ৰ ডেকা, চিত্ৰ শিল্পী মনোৰম কলিতা, সমাজসেৱক ৰবীন মিশ্ৰকে ধৰি কেইবাগৰাকীও বিষয়ববীয়া, সদস্যৰ এটি দলে অঞ্চলটোৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী অঞ্জলি দেৱী, অৱসৰপ্ৰাপ্ত শিক্ষক কমলা প্ৰসাদ দাস, বন বিষয়া নিৰোদ দাস, অৱসৰপ্ৰাপ্ত শিক্ষক তৰুণী শৰ্মা, নিত্যানন্দ ছোৱালী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দেৱানন্দ ডেকাৰ বাসগৃহত উপস্থিত হৈ আনুষ্ঠানিকতাৰে অসমীয়াৰ কৃষ্টি তামোল-পান, ফুলাম গামোচা, অসম সাহিত্য সভাই প্ৰেৰণ কৰা বিহুৰ ওলগণি প্ৰত্ৰ, স্মাৰক আৰু গ্ৰন্থৰে ৰঙলী বিহুৰ ওলগ জনাই সন্মানিত কৰা হয়।

# হাৰিয়ানাত ৰাষ্ট্ৰীয় পৰ্যায়ৰ লাগৰী খেলত দ্বিতীয় স্থান দখল কৰি অনা হাবি বৰঙাবাৰী খেলুৱৈ সকলক উষ্ম আদৰণি

**অসম বাৰ্তা, বটদ্ৰৱা, ১৬ এপ্ৰিল ঃ** মৰিগাঁও জিলাৰ হাবি বৰঙাবাৰী পঞ্চায়তৰ অন্তৰ্গত ৫জন ছাত্ৰ - ছাত্ৰীয়ে হাৰিয়ানাত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ লাগৰী খেলত অংশগ্ৰহণ কৰি দ্বিতীয় স্থান দখল কৰি মৰিগাঁও জিলাৰ হাবি বৰঙাবাৰী লগতে অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। এই লাগৰী খেলত ৰাষ্ট্ৰীয় পৰ্যায়ত ৬ খনকৈ ৰাজ্যয়ে অংশগ্ৰহণ কৰে। অসমৰ পৰা হাৰিয়ানাত ৰাষ্ট্ৰীয় পৰ্যায়ৰ লাগৰী খেলত অংশগ্ৰহণ কৰে মাজনী দেৱী, অদিতি পাতৰ, দ্বীপশিক্ষা পাটৰ, জিনা বৰদলৈ, ৰিংকু ডেকা ৰাজা, হেমন্ত নাথ, আৰু নয়ন জ্যোতি বৰদলৈয়ে। তেওঁলোকক নেতৃত্ব দিয়ে কমল দাস আৰু কৃষ্ণ দাসে। এই সাতোজন খেলুৱৈক হাবিবৰঙাবাৰী গাঁও পঞ্চায়তৰ সভাপতি দিপাংকৰ হাজৰিকাই হাবি বৰঙাবাৰী ভিলিযেছ লাইফ ৰিজৰ্টৰ প্ৰাংগনত উষ্ম আদৰণি জনায়। এই পিছ পৰা অঞ্চল দৰিদ্ৰসীমাৰ তলৰ ছাত্ৰ -ছাত্ৰীয়ে কেইগৰাকীয়ে হাৰিয়ানাত অনুষ্ঠিত লাগৰী খেলত অংশগ্ৰহণ কৰি সুনাম কঢ়িয়াই অনা বাবে খেলুৱৈ সকলকৰ লগতে পিতৃ মাতৃক ধন্যবাদ জনায়। এই সভাখনত উপস্থিত থাকে বিশিষ্ট সমাজ সেৱক ৰামধন নাথ, শৰৎ নাথ, টুলেন চন্দ্ৰ নাথ আৰু হাবি বৰঙাবাৰী লৈ সুনাম কঢ়িয়াই অনা খেলুৱৈ সকলৰ অভিভাৱক।

পৰম্পৰা অনুসৰি বোকা খেলেৰে ৰঙালীৰ আনন্দত বিলীন হ'ল সত্ৰৰ বৈষ্ণৱো

# মাজুলীত উলহ-মালহেৰে ৰঙালী বিহু উদ্‌যাপন

**অসম বাৰ্তা, উজনী মাজুলী, মাজুলী, ১৬ এপ্ৰিল ঃ** প্ৰাণৰ শিল্পী জুবিন গাৰ্গ বিহীন প্ৰথমটো ব'হাগ যদিও ৰাজ্যবাসীয়ে উদযাপন কৰিছে বাপতিসাহোন হেঁপাহৰ উৎসৱ ৰঙালী বিহু। সমান্তৰালভাৱে ভাৱে মাজুলীবাসীয়েও এই বাৰ বিধানসভা নিৰ্বাচন সমাপ্তৰ পিছে পিছেই ৰঙালীৰ উচাহত বিলীন হৈ পৰা দেখা গৈছে। উৰুকা দিনা বজাৰৰ পৰা অধিক দামত হলেও গুৰ, চিৰা, দৈ, কোমল চাউল, মুড়ি ইত্যাদি ক্ৰয় কৰি অনা দ্ৰব্য সামগ্ৰীৰে ঘৰত সুস্বাদু পিঠা পনা, জলপান তৈয়াৰ কৰি আলহীক আপ্ৰায়ন কৰাত ব্যস্ত এতিয়া মাজুলীৰ জীয়ৰী-বোৱাৰী। গৰু বিহুৰ দিনা মাজুলীত সাতামপুৰুষীয়া পৰম্পৰা ৰক্ষা কৰি বহু ঠাইত একো একোটা অঞ্চলৰ লোক একত্ৰিত হৈনদীত একেলগে গৰুক মাহ-হালধি সানি গা-ধুৱাই "লাও খা, বেঙেনা খা বছৰে বছৰে বাঢ়ি যা..." শীৰ্ষক পৰম্পৰাগত কথাৰে গৰুক চাট মাৰি গৰু বিহু পালন কৰা দেখা গ'ল। মাজুলীৰ অভয়পুৰীয়া গাওঁ নৰসিংহ সত্ৰ, খোৰাহোলা, দক্ষিণপাট গাঁৱকে ধৰি নদীকাষৰীয়া অঞ্চলৰ ৰাইজে নদীৰ পাৰত একত্ৰিত হৈ নিজৰ নিজৰ গৰুক যথা নিয়মেৰে গা ধুৱাই গৰু বিহু পালন কৰে। গৰুক চাট মাৰি অঞ্চলৰ জীয়ৰী বোৱাৰীয়ে জেং বিহু আৰু পুৰুষ সকলে বিহু মাৰি আনন্দত মতলীয়া হৈ পৰা পৰিলক্ষিত হ'ল। ইফালে কালি মানুহ বিহুৰ দিনা মাজুলীৰ সত্ৰত আৰু গাঁৱে গাঁৱে বোকাখেল অনুষ্ঠিত হয়। ইজনে সিজনক বোকা সানি পৰম্পৰা অক্ষুণ্ণ ৰাখে। মাজুলীৰ ঐতিহাসিক আউনীআটী সত্ৰ, বেঙেনাআটী সত্ৰ, গড়মূৰ সত্ৰ, উত্তৰ কমলাবাৰী সত্ৰৰ বৈষ্ণৱ সকলেও বৈষ্ণৱ সকলৰ মাজতে ইজনে সিজনক বোকা সানি বোকা খেলৰ আনন্দ লোৱা পৰিলক্ষিত হ'ল। মানুহ বিহু দিনা কালি মাজুলীৰ বিশিষ্ট ব্যক্তি সকলৰ ঘৰত গৈ মাজুলীৰ বিভিন্ন দল সংগঠন, ব্যক্তিয়ে আশীৰ্বাদ লোৱাৰ লগতে সম্বৰ্ধনা জনায়। মাজুলীৰ গাঁও সমূহত কন-কন লৰা-ছোৱালীৰ উপৰিও ডেকা গাভৰু মিলি কালিৰ পৰাই নিজৰ গাঁও খনৰ লগতে চুবুৰীয়া গাঁৱত হুচৰি মৰা ইতিমধ্যে আৰম্ভ কৰিছে। মাজুলীৰ মিছিং, দেউৰী, নেপালী আদি সম্প্ৰদায়ৰ লোক সকলেও নিজ নিজ জনগোষ্ঠীয় নৃত্য গীত পৰিৱেশনেৰে ৰঙালীৰ আনন্দত বিলীন হোৱা দেখা গৈছে। সেই বাবেই হয়টো সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই লিখিছিল 'ব'হাগেই আনি দিয়ে সমদল গতি নেওচি জাতি কুল ই প্ৰভেদক কৰে নাশ'। আনহাতে আজি গোসাঁই বিহুত মাজুলীৰ বিভিন্ন সত্ৰ সমূহত উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰে। পুৱাই সত্ৰ সমূহত ভক্ত সকলে ভিৰ কৰা পৰিলক্ষিত হ'ল। ভক্ত সকলে বছৰটোৰ বাবে সত্ৰৰ নামঘৰত শৰাই আগবঢ়াই সত্ৰাধিকাৰৰ ওচৰত আঁঠু লৈ আৰ্শীবাদ লয়। আজি আউনীআটী সত্ৰ, দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, নতুন কমলাবাৰী, উত্তৰ কমলাবাৰী সত্ৰ, এলেঙি নৰসিংহ সত্ৰকে আদি কৰি সকলো সত্ৰৰে নামঘৰত নাম প্ৰসংগৰ পিছত সত্ৰীয়া নৃত্য পৰিৱেশনৰ ব্যৱস্থা কৰে। অন্যহাতেদি মাজুলীত আজি পুৱাই ঘৰৰ গৃহিনী সকলে পথাৰৰ পৰা এশ এবিধ শাক বুটলি আনি ৰান্ধি খোৱাৰ পৰম্পৰাগত নিয়মো পালন কৰে। এনেকৈয়ে এসপ্তাহলৈ বাকী থকা ক্ৰমে তাঁতৰ বিহু, নাঙলৰ বিহু, জীয়ৰী বা চেনেহী বিহু আৰু শেষত চেৰা বিহুৰে হেঁপাহৰ বহাগ বিহুটি এটা বছৰলৈ অসমীয়াই বিদায় দিব। অৱশ্যে এইবাৰ মাজুলীৰ দুই এখন বিহুৰ মঞ্চৰ বাহিৰে অধিকাংশ বিহু সন্মিলনীয়ে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অনাকাংক্ষিত মৃত্যুৰ পৰিপ্ৰেক্ষিতত অনুষ্টুপীয়াকৈহে বিহুৰ কাৰ্যসূচী ৰাখিছে বুলি জানিব পৰা গৈছে।

জুবিন গাৰ্গবিহীন পৰিৱেশত সেমেকা অনুভৱ

# নলবাৰীৰ নন্দগাঁৱত ৪৫ সংখ্যক ৰঙালী বিহু উদ্‌যাপন

**অসম বাৰ্তা, নলবাৰী, ১৬ এপ্ৰিল ঃ** অসমীয়াৰ জীৱনধাৰাৰ সৈতে ওতপ্ৰোতভাৱে জড়িত, ঐক্য-সংহতি আৰু সম্প্ৰীতিৰ প্ৰতীক বাপতি সাহোন ৰঙালী বিহু পালন কৰা হৈছে। ঋতুৰাজ বসন্তৰ মনোমোহা পৰিৱেশত কুলি-কেতেকীৰ সুৰৰ মাজেৰে ১ আৰু ২ ব'হাগ (১৫ আৰু ১৬ এপ্ৰিল) দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে নলবাৰী জিলাৰ নন্দগাঁও খেলপথাৰত ৰঙালী বিহু উদযাপন কৰা হৈছে। নন্দগাঁও মিলনজ্যোতি সংঘৰ উদ্যোগত অনুষ্ঠিত ৪৫ সংখ্যক এই ৰঙালী বিহু উদযাপনৰ প্ৰথম দিনৰ কাৰ্যসূচী বুধবাৰে অনুষ্ঠিত হয়। পুৱা সংঘৰ পতাকা উত্তোলন কৰে ৰঙালী বিহু পৰিচালনা সমিতিৰ উপদেষ্টা প্ৰভাস চক্ৰৱৰ্তীয়ে আৰু বিহুৰ পতাকা উত্তোলন কৰে উপদেষ্টা চিত্ৰ নাৰায়ণ বৰুৱাই। ইয়াৰ পিছতে শ্বহীদ তৰ্পণ কাৰ্যসূচী সম্পন্ন কৰে কৰুণা শৰ্মা আৰু হিৰণ্য গোস্বামীয়ে। পৰৱৰ্তী কাৰ্যসূচী হিচাপে গছপুলি ৰোপণ কৰে যতীন্দ্ৰ নাথ শৰ্মা, নিৰুপমা দেৱী আৰু মীনা বৰ্মণে। লগতে দিনটোৰ কাৰ্যসূচীত বিভিন্ন খেল-ধেমালি আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰি কণকণ শিশুৰ মাজত উৎসৱমুখৰ পৰিৱেশ সৃষ্টি কৰা হয়। উল্লেখযোগ্য যে, এইবাৰ ৰঙালী বিহু উদ্‌যাপনত প্ৰাণৰ শিল্পী জুবিন গাৰ্গ-ৰ অনুপস্থিতিয়ে এক বিষাদময় পৰিৱেশৰ সৃষ্টি কৰিছে। তথাপিও ৰাইজে ঐতিহ্য অটুট ৰাখি আনন্দ-উৎসাহেৰে বিহু উদযাপনত অংশগ্ৰহণ কৰে। দুদিনীয়া এই বিহু অনুষ্ঠানত আগন্তুক দিনতো বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী, নৃত্য-গীত আৰু প্ৰতিযোগিতামূলক অনুষ্ঠান অনুষ্ঠিত হ'ব বুলি আয়োজকসকলে জানিবলৈ দিয়ে।

# দুগৰাকী বিশিষ্ট ব্যক্তিক ডুমডুমা প্ৰেছ ক্লাবৰ বিহুৰ সম্বৰ্ধনা



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৬ এপ্ৰিল ঃ** বিগত বৰ্ষসমূহৰ দৰে এইবাৰো ডুমডুমা প্ৰেছ ক্লাবে অসমীয়া নতুন বছৰৰ প্ৰথম দিনটোত ডুমডুমা অঞ্চলৰ দুগৰাকী বিশিষ্ট ব্যক্তিক ৰঙালী বিহু আৰু অসমীয়া নতুন বছৰৰ ওলগ জনোৱাৰ লগতে বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে। ডুমডুমাৰ ৰূপাই চাইডিং তপোবন নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী, কবি, লেখিকা, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ তিনিচুকীয়া জিলা সমিতিৰ প্ৰাক্তন সভানেত্ৰী তথা অসম বিজ্ঞান সমিতি, ডুমডুমা শাখাৰ সভানেত্ৰী ড° মীনা দেৱী বৰুৱা আৰু ৰূপাই চাইডিং লাচিত নগৰ নিবাসী অৱসৰপ্ৰাপ্ত বেংক কৰ্মচাৰী, ধৰ্মপ্ৰাণ তথা সমাজহিতৈষী ব্যক্তি হীৰা বড়াক ডুমডুমা প্ৰেছ ক্লাবৰ এটি সঁজাতি দলে তেওঁলোকৰ নিজ নিজ গৃহলৈ গৈ একোখনি বিহুৱান, শৰাই আৰু সম্বৰ্ধনা পত্ৰৰে এই সম্বৰ্ধনা জনায়। সম্বৰ্ধনা গ্ৰহণ কৰি দুয়োগৰাকী ব্যক্তিয়ে ডুমডুমা প্ৰেছক্লাবৰ এই কাৰ্যৰ শলাগ লয়। ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি মনোজ দত্ত আৰু সম্পাদক প্ৰদীপ কুমাৰ মৰাণৰ নেতৃত্বত যোৱা সঁজাতি দলটিত ক্লাবৰ কোষাধ্যক্ষ দীনেশ গোয়েল আৰু প্ৰাক্তন সভাপতি অনুজ কলিতাও আছিল।

# মেট্ৰিক উত্তীৰ্ণক 'আমছু'ৰ সম্বৰ্ধনা জ্ঞাপন

**অসম বাৰ্তা, সোণতলী, ১৬ এপ্ৰিল ঃ** কামৰূপ জিলাৰ ৰছমৰীয়াৰ মালিবাৰীত পথাৰ বজাৰত প্ৰথম বিভাগৰ মেট্ৰিক উত্তীৰ্ণক 'আমছু'ই সম্বৰ্ধনা জ্ঞাপন কৰে। মালিবাৰী পথাৰ আৰু মন্দিৰা এন ছি আঞ্চলিক আমছুই এই সম্বৰ্ধনা অনুষ্ঠানৰ অনুষ্ঠিত কৰে। মালিবাৰী পথাৰ বজাৰ সমিতি গৃহত এই সন্দৰ্ভত মালিবাৰী পথাৰ আৰু মন্দিৰা এন ছি আঞ্চলিক আমছুৰ সভাপতি ৰূহফুল আমিনৰ পৌৰহিত্যত সম্বৰ্ধনা সভাখন আয়োজন কৰে। সভাত প্ৰায় ৫০ গৰাকী সদ্যঘোষিত প্ৰথম বিভাগৰ মেট্ৰিক উত্তীৰ্ণক গামোছা, জাপি, মান-পত্ৰ আৰু কলমেৰে সম্বৰ্ধনা জনায়। এই সভাত দক্ষিণ কামৰূপ জিলা আমছুৰ সভাপতি ৰুহুল আমিন, আবুল কালাম, বিপিছি কলেজৰ অৱসৰী অধ্যাপিকা ভুমিজা কলিতা বৰ্মন, টুপামাৰী আঞ্চলিক কলেজৰ অধ্যক্ষ আব্দুল জলিল, বগুৰিগুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ লিয়াকত আলী, এডি এম ই এমৰ প্ৰধান শিক্ষক খাজল উদ্দিন আহমেদ আৰু গ্ৰীণভেলী জাতীয় বিদ্যালয়ৰ অধ্যক্ষ নজমুল হকে ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যী মূল্যবান বক্তব্য প্ৰদান কৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন